5

# জিএলচিয়ান



তত্ত্বাৱধায়িকা
ৰূপামণি কাকতি

সম্পাদক
মৃণালকান্তি বৰ্মন

MOHAN LAL CHOUDHURY LIBRARY :
Library:

## জি. এল. চি. মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ



***বাওঁফালৰ পৰা (বহি) ঃ***
সঞ্জীৱ কুমাৰ দাস, ৰমজান আলী, পূৰ্ণ বাহাদুৰ ছেত্ৰী, জয়া বিশ্বাস কুণ্ড, জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ), ৰূপামণি কাকতি, মুকুট খান, চেলিমউদ্দিন

***বাওঁফালৰ পৰা (থিয় হৈ) প্ৰথম শাৰী ঃ***
লৱ কুমাৰ কলিতা, মদন মোহন ব্ৰহ্মা, গিয়াছউদ্দিন আহমেদ, যুথিকা তালুকদাৰ, পিয়ালী ঘোষ, দীপামণি মেধি, নিজৰা ঠাকুৰীয়া, মাইকণ বসুমতাৰী, অঞ্জলি নাৰ্জাৰী, ভটিমা বড়ো, হিমাশ্ৰী চৌধুৰী।

***বাওঁফালৰ পৰা (থিয় হৈ) দ্বিতীয় শাৰী ঃ***
ৰূপনজিৎ দাস, সোণমণি দাস, খনীন্দ্ৰ কুমাৰ নাথ, কল্যাণ চন্দ্ৰ তালুকদাৰ, বাবুল সৰকাৰ, মিৰাণ হুছেইন চৌধুৰী, হেমন্ত কুমাৰ দাস, নৃপেন দাস, আনন্দ ঘোষ, শ্বহিদুল ইছলাম জাদিদ, মুছলেমউদ্দিন আহমেদ।

---

## আলোচনী সম্পাদনা সমিতি



**বাওঁফালৰ পৰা (বহি) ঃ**
কল্যাণ চন্দ্ৰ তালুকদাৰ, সঞ্জীৱ কুমাৰ দাস, মুকুট খান, পূৰ্ণ বাহাদুৰ ছেত্ৰী, জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ), জয়া বিশ্বাস কুণ্ড, ৰূপামণি কাকতি (তত্ত্বাৱধায়িকা), আনন্দ ঘোষ।

**বাওঁফালৰ পৰা (থিয় হৈ) ঃ**
অৰ্ণৱ শৰ্মা, শিপ্ৰা কৰ, মৃণালকান্তি বৰ্মন (সম্পাদক), মাইকণ বসুমতাৰী, হেমন্ত কুমাৰ দাস, ৰূপনজিৎ দাস, যুথিকা তালুকদাৰ, শ্বহিদুল ইছলাম জাদিদ, মুনীন্দ্ৰ কুমাৰ দাস।

MOHAN LAL CHOUDHURY LIBRARY :
Library:

# জিএলচিয়ান

পঞ্চম সংখ্যা

২০১২ - ১৩ ইং বৰ্ষ

G. L. C. COLLEGE : BARPETA ROAD
ESTD : 1990

আগ্ৰহ আৰু অমল আন্তৰিকতাৰে.......

প্ৰতি

.......................................................

.......................................................

তত্ত্বাৱধায়িকা
ৰূপামণি কাকতি

সম্পাদক
মৃণাল কান্তি বৰ্মন

MOHAN LAL CHOUDHURY LIBRARY :
Library :

# জিএলচিয়ান

পঞ্চম সংখ্যা

২০১২ - ১৩ ইং বৰ্ষ


ঃ সম্পাদনা সমিতি ঃ

সভাপতি ঃ

শ্ৰীযুত জগন্নাথ বৰ্মন, ভাৰপ্ৰাপ্ত অধ্যক্ষ

উপদেষ্টা ঃ

শ্ৰীযুত জয়া বিশ্বাস কুণ্ড

শ্ৰীযুত সঞ্জীৱ কুমাৰ দাস

শ্ৰীযুত পূৰ্ণ বাহাদুৰ ছেত্ৰী

তত্ত্বাৱধায়িকা ঃ

শ্ৰীযুতা ৰূপামণি কাকতি

সম্পাদক ঃ

শ্ৰী মৃণাল কান্তি বৰ্মন

সদস্য/সদস্যা ঃ

শ্ৰীযুত মুকুট খান

শ্ৰীযুত কল্যাণ চন্দ্ৰ তালুকদাৰ

শ্ৰীযুতা যুথিকা তালুকদাৰ

শ্ৰীযুত ছহিদুল ইছলাম জাদিদ

শ্ৰীযুত আনন্দ ঘোষ

শ্ৰীযুতা মাইকণ বসুমতাৰী

শ্ৰীযুত হেমন্ত কুমাৰ দাস

শ্ৰীযুত আবু সামা

শ্ৰীযুত ৰূপন্‌জিৎ দাস

শ্ৰীযুত মুনীন্দ্ৰ কুমাৰ দাস, (মুখ্য কাৰ্যালয় সহায়ক)

উপ-সভাপতি, ছাত্ৰ একতা সভা

সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

নেপথ্যত—

সামগ্ৰিক পৰিকল্পনা ঃ

ৰূপামণি কাকতি

বেটুপাত ঃ

ধ্ৰুৱ কুমাৰ তালুকদাৰ

অঙ্গসজ্জা ঃ

ৰূপামণি কাকতি

অলংকৰণ ঃ

ৰূপামণি কাকতি

আলোকচিত্ৰ ঃ

ষ্টুডিঅ' চিত্ৰাঙ্গণ, বৰপেটাৰোড়

মুদ্ৰক ঃ

শিৱম অফচেট প্ৰিন্টাৰ্চ, বাসন্তী কম্‌প্লেক্স, বৰপেটাৰোড়

কৃতজ্ঞতাৰ শৰাই ঃ

- জি. এল. চি. মহাবিদ্যালয়ৰ প্ৰবক্তাগণ আৰু ছাত্ৰ-ছাত্ৰীবৃন্দ।
- 'অতিথি লেখা'ৰ লেখকবৃন্দ।
- এই সংখ্যাৰ সমূহ লেখক-লেখিকা।
- সন্‌জিৎ কুমাৰ শৰ্মা।
- বিপুল চন্দ্ৰ দে।
- শিৱম অফচেট প্ৰিন্টাৰ্চ, বৰপেটাৰোড়।


**বিশেষ টোকা ঃ** আলোচনীত প্ৰকাশিত লিখনিসমূহ প্ৰয়োজন আৰু অভিনৱত্বৰ তাগিদাত সম্পাদনা সমিতিয়ে সাল-সলনি কৰিছে। কোনো লেখক-লেখিকাই যদি আনৰ লিখনি নকল কৰিছে, ব্যৱহাৰ কৰিছে, তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

**ক্ষমা প্ৰাৰ্থনা ঃ** অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে সম্পাদনা সমিতি ক্ষমাপ্ৰাৰ্থী।


MOHAN LAL CHOUDHURY LIBRARY :

Library :

# ॥ উৎসৰ্গ ॥



....... শব্দ যাৰ শুভঙ্কৰ সংগীত, শব্দৰ স'তে যাৰ অভিন্ন সংসাৰ,
শব্দশীল যাত্ৰাৰ ছন্দেৰে এই ভঙ্গুৰ জীৱনক ঐশ্বৰ্যময় কৰি তোলা
প্ৰেম আৰু ৰ'দালিৰ কবি হীৰেন ভট্টাচাৰ্যৰ
সজল সোঁৱৰণত.....

MOHAN LAL CHOUDHURY LIBRARY :
Library :

# ॥ ভক্তি অৰ্ঘ ॥



ঁ গণেশলাল চৌধুৰী

জন্ম ঃ ১৮৯৬ চন

মৃত্যু ঃ ১৯৩১ চন

যিগৰাকী মহান ব্যক্তিৰ

নিৰ্মল স্মৃতিত সমন্বয় নগৰী বৰপেটাৰোডৰ

নাভিমূলত স্থাপিত হৈছিল উচ্চশিক্ষাৰ অন্য এক

স্তম্ভ— এই মহাবিদ্যালয়খনি; সেই পৱিত্ৰ

আত্মাক সুঁৱৰি যাচিছোঁ আমাৰ

অশ্ৰুসিক্ত ভক্তি অৰ্ঘ।

— সম্পাদনা সমিতি

MOHAN LAL CHOUDHURY LIBRARY :

Library :

# ॥ ভক্তি অৰ্ঘ ॥



মোহনলাল চৌধুৰী

জন্ম ঃ ১৯০৩ চন

মৃত্যু ঃ ১৯৯০ চন

যিগৰাকী নমস্য ব্যক্তিৰ ত্যাগ আৰু

গাঁঠিৰ ধনৰ বিনিময়ত সমন্বয় নগৰীৰ বুকুত গঢ়

লৈ উঠিল এই বৌদ্ধিক তীৰ্থক্ষেত্ৰ, সেইগৰাকী

বৰেণ্য শিক্ষাপ্ৰেমী, সমাজহিতৈষীৰ অমল

স্মৃতিত নিবেদিছোঁ—

বিকশিত শতপুষ্পৰ ভক্তি অৰ্ঘ।

— সম্পাদনা সমিতি

MOHAN LAL CHOUDHURY LIBRARY :

Library:

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ☐ ☎ (০৩৭৬) ২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী - ৭৮১০০১ ☐ ☎ (০৩৬১) ২৫২৫৮৩০
ফেক্স ঃ ২৭৩১৬৯৫
ডিফু কাৰ্যালয় ঃ ৰাংচিনা ভৱন, ডিফু - ৭৮২৪৬০ ☐ ☎ (০৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ☐ ☎ (০৩৬৬২) ২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩
☐ ☎ (০৩৬৬২) ২৩২৫২৮

ইমৰান শ্বাহ
সভাপতি



## শুভেচ্ছা বাণী

গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'জিএলচিয়ান'লৈ আন্তৰিক শুভকামনা জ্ঞাপন কৰিলো। এনে আলোচনীয়ে ছাত্ৰ ছাত্ৰী প্ৰমুখ্যে সদৌটিৰ বাবে মহৎ প্ৰেৰণা দান কৰে। আলোচনীখনৰ বুকুত এই অঞ্চলৰ ঐতিহ্য, পৰম্পৰা আৰু বৌদ্ধিক দীপ্তি কলাত্মক ৰূপত প্ৰতিফলিত হওঁক। আলোচনীখনৰ লেখক-লেখিকা সকললৈ মোৰ শুভেচ্ছা জনালো।

জিএলচিয়ান হৈ উঠক মহাবিদ্যালয়খনৰ এক বৌদ্ধিক পদক্ষেপ।

পুনৰ শুভেচ্ছাৰে—

ইমৰান শ্বাহ
৫/৩/১৩

(ইমৰান শ্বাহ)
সভাপতি
অসম সাহিত্য সভা

MOHAN LAL CHOUDHURY LIBRARY :
Library :

## সম্পাদকীয়

বৃহত্তৰ বৰপেটাৰোডৰ বুকুত শৈক্ষিক, বৌদ্ধিক আৰু নৈতিক বিকাশৰ স্বপ্ন সন্মুখত ৰাখি ভূমিষ্ঠ হোৱা গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় দাতা ঁগণেশ লাল চৌধুৰী আৰু ঁমোহন লাল চৌধুৰীৰ মহান আত্মালৈ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিছো। সেই ত্যাগ আৰু উদাৰতাৰ বাবেই আমাৰ মহাবিদ্যালয়খনে আজিৰ এই অৱস্থা পাইছেহি।



সাহিত্যই এটা জাতিৰ প্ৰকৃত সত্তা। সাহিত্যৰ বিকাশৰ জৰিয়তেহে এটা জাতিৰ প্ৰকৃত বিকাশ আৰু প্ৰগতি নিৰ্ণয় কৰিব পাৰি। এজন প্ৰকৃত সাহিত্যিক এটা জাতি বা এখন দেশৰ বাবে ভৱিষ্যদ্ৰষ্টা স্বৰূপ। তদুপৰি ঐক্য আৰু শান্তিৰ বাণীৰে জাতিগঠন প্ৰক্ৰিয়া আৰু মানৱতাৰ মহৎ বাণী জনগণৰ হৃদয়ে হৃদয়ে বিয়পাই দিয়াৰ ক্ষেত্ৰত এজন প্ৰকৃত সাহিত্যিকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। এইখিনিতে অসমীয়া কাব্য সাহিত্যৰ উজ্বল নক্ষত্ৰ কবি হীৰেন ভট্টাচাৰ্য আৰু বঙ্গ সাহিত্যৰ প্ৰথিতযশা কবি, ঔপন্যাসিক সুনীল গঙ্গোপাধ্যায়ৰ মৃত্যুহীন আত্মালৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো। উক্ত দুই মহান পথিকৃতৰ শূন্যতা হয়তো কোনোদিনেই পূৰণ নহ'ব!

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য সাধনাৰ ক্ষেত্ৰ হ'ল এই 'জিএলচিয়ান'। ইয়াৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য প্ৰতিভা আৰু বৌদ্ধিক বিকাশ প্ৰতিফলিত কৰাৰ উপৰিও মহাবিদ্যালয়খনিৰ সাফল্যৰ এখন স্পষ্ট ছবি সুন্দৰকৈ প্ৰকাশিত হয়। ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়ন আৰু সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ এই 'জিএলচিয়ান' এটা গুৰুত্বপূৰ্ণ আহিলা স্বৰূপ। তদুপৰি আমাৰ মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'ৰেঙণি' আৰু 'বিবিধা'ৰ জৰিয়তে তেওঁলোকে সাহিত্য চৰ্চাৰ সোণালী সুযোগ লাভ কৰিছে। সম্প্ৰতি নৱ প্ৰজন্মৰ মাজত অধ্যয়নৰ প্ৰতি বাঢ়ি অহা অনীহা দূৰ কৰি এক সুন্দৰ নিষ্ঠাশীল পৰিৱেশ গঢ়ি তুলিবলৈ আমি সকলোৱে চেষ্টা কৰা উচিত। কিয়নো সাহিত্য আৰু সংস্কৃতিৰ বিকাশ নহ'লে আমি ক্ৰমশ বাঢ়ি অহা অপশক্তিক ৰোধ কৰাটো সম্ভৱপৰ নহ'ব। এখন সুন্দৰ, প্ৰগতিশীল আৰু শান্তিপূৰ্ণ সমাজৰ বাবে সাহিত্য আৰু সংস্কৃতিৰ সাধনা অতীৱ গুৰুত্বপূৰ্ণ।

মহৎ সাহিত্যিক সকলৰ আদৰ্শ সমুখত ৰাখি আমি নতুন পুৰুষে কঠিন সাধনা

MOHAN LAL CHOUDHURY LIBRARY :
Library :

আৰু পৰিশ্ৰমেৰে আগবাঢ়ি যোৱা উচিত। কবি হীৰুদা আৰু সুনীল গঙ্গোপাধ্যায় কালৰ বুকুত হেৰাই গ'লেও তেওঁলোকে নতুন পুৰুষক দি থৈ গ'ল তেওঁলোকৰ অমৰ সৃষ্টিৰাজি— অমল চানেকি

“মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত
অভিনয় শেষ হ'লে
আয়ু বেলি মাৰ গ'লে
থৈ যাব পাৰো খোজ সময় বালিত.....”

পৰিশেষত আটাইলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো, বিশেষকৈ তত্বাৱধায়িকা ৰূপামণি কাকতি বাইদেৱে মোক গঠনমূলক দিহা-পৰামৰ্শ দি ঋণী কৰি তুলিছে। মোৰ যিসকল বন্ধু-বান্ধৱীয়ে মোক বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়াইছে তেওঁলোকৰ ওচৰত মই কৃতজ্ঞ হৈ ৰ'ম।

মোৰ এবছৰীয়া কালছোৱাত জ্ঞাত অজ্ঞাত ভুলৰ বাবে আটাইৰে ওচৰত মাৰ্জনা বিচাৰিছো।

জয়তু জিএলচিয়ান
জয়তু গণেশ লাল চৌধুৰী মহাবিদ্যালয়

ধন্যবাদেৰে—
মৃণাল কান্তি বৰ্মন
সম্পাদক, জিএলচিয়ান

MOHAN LAL CHOUDHURY LIBRARY :
Library :

## জীৱনৰ বাটত সংগ্ৰামী সুশোভন
## ত্যাগ আৰু সৰলতাই যাৰ ভূষণ



মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ
**শ্ৰীযুত জগন্নাথ বৰ্মন**

MOHAN LAL CHOUDHURY LIBRARY :

# মহাবিদ্যালয়ৰ শৈক্ষিক ঐতিহ্যক আলোকিত কৰি
# লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা সফল শিক্ষাৰ্থীবৃন্দ (২০১২ ইং বৰ্ষ)



ৰাজু দাস



প্ৰিয়াংকা বৰ্মন



মঃ আব্দুল মতিন



লিপিকা ঠাকুৰ



আঞ্জুৱাৰা খাতুন



সঞ্জয় চন্দ্ৰ দাস



মিঠু সাহা



তামলিকা পণ্ডিত



মেঘালী নাথ



কবিতা দেৱনাথ



ৰণদীপ ৰায়



নীলকান্ত সাহা

MOHAN LAL CHOUDHURY LIBRARY :

# সূচীপত্ৰ

## স্মৃতিৰেখা


পৃথিৱী মোৰ কবিতা ❒ হীৰেন ভট্টাচাৰ্য ৩
প্ৰতিমূৰ্তি ❒ সুনীল গংগোপাধ্যায় ৪


## অতিথি লেখা


ভাৰতীয় শিক্ষাৰ আদৰ্শ কেইগৰাকীমান ভাৰতীয় মনীষী ❒ অক্ষয় কুমাৰ মিশ্ৰ ৭
নিৰ্দিষ্ট বক্তাৰ আসন-ভাষণ ❒ ড° মুকুল চক্ৰৱৰ্তী ১১
ছাত্ৰ সমাজৰ কৰ্তব্যৰ বিষয়ে ❒ চন্দ্ৰ কান্ত দাস ১৫
শস্যমালাৰ গান ❒ মনহৰি বায়ন ১৯


## প্ৰবন্ধ শৰাই


অসমীয়া সাহিত্যৰ গৌৰৱ ঃ লক্ষ্মীনাথ বেজবৰুৱা ❒ যুথিকা তালুকদাৰ ২১
অসমীয়া সাহিত্যৰ অবিস্মৰণীয় প্ৰতিভা পদ্মনাথ গোহাঞিবৰুৱা ❒ অজন্তা নাথ ২৩
শিক্ষক দিৱস আৰু ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ ❒ ৰকিবুল ইছলাম ২৫
বিবাহ আৰু যৌতুক প্ৰথা ❒ ডালিমী নাথ ২৬
শিক্ষা কি আৰু কিয় ? ❒ মিনুমণি ডেকা ২৮
বৰপেটাৰোডৰ উত্থান ❒ সীমান্ত দাস ৩০
নাৰীৰ শ্ৰমৰ মৰ্যাদা আৰু সামাজিক প্ৰগতি ❒ পিংকী নাথ ৩১


## কবিতা কানন


এটি গীত ❒ সুমন মিত্ৰ ৩৭
গণেশ লাল চৌধুৰী ❒ কিশোৰ চৌধুৰী ৩৭
গণেশ লাল চৌধুৰী মহাবিদ্যালয় তোমাক স্বাগতম ❒ নাজমিনাৰা চুলতানা হক ৩৮
পৃথিৱী ❒ ইছমাইল খান ৩৮
এপলকতে ❒ ঝুমা নাথ ৩৯
জীৱন ❒ দিপা সাহা ৩৯
ভূপেন দা লৈ শ্ৰদ্ধাঞ্জলি ❒ টংকেশ্বৰ ঘোষ ৪০
ভূপেন দা ❒ সত্যজিৎ দাস ৪০
প্ৰেমৰ কবিতা ❒ চোভা চৌধুৰী ৪১
মৰম ❒ মঙ্গল বৰ্মন ৪১
মা ❒ মাম্পী বসাক ৪২
মা ❒ প্ৰিয়াংকা বৰ্মন ৪২
তৰালৈ প্ৰীতি ❒ অনন্ত বৰ্মন ৪২
শৰতৰ সপোন ❒ উছমিতা পাটগিৰি ৪৩
প্ৰেমৰ অনুভৱ ❒ মহাদ্যুতি নায়ক ৪৩
চকুলো ❒ মিনৰা খাতুন ৪৪
৩০ অক্টোবৰ ❒ ডালিমী নাথ ৪৪
নদী ❒ ৰকিবুল ইছলাম ৪৫
বৰষুণ তুমি নাহিবা ঘনে ঘনে ❒ আকিবুল আহমেদ ৪৫
হিংসা ভৰা পৃথিৱী ❒ উৎকল সাহা ৪৬
নিলাম ❒ মৰজিনা আহমেদ ৪৬



MOHAN LAL CHOUDHURY LIBRARY :
Library:

| | | |
|---|---|---|
| মৃত্যু যদি জীৱনৰ পৰিসীমা হয় | ❒ ছালমা পাৰবিন | ৪৭ |
| জীৱন | ❒ মনজুমা আহমেদ | ৪৭ |
| চকু থাকোতেও অন্ধ তুমি | ❒ সাহিনুৰি চুলতানা | ৪৮ |
| অচিনাকি মন | ❒ মন্টি কৰ | ৪৮ |
| জীৱনৰ আশা | ❒ ফৰিদা খাতুন | ৪৯ |
| আঁতৰি গ'লা কিয়? | ❒ জেছমিনা খাতুন | ৪৯ |
| কোন বাৰু তুমি? | ❒ নূপুৰ বসাক | ৫০ |
| মই কবিতা নিলিখো | ❒ অমজু নাজমিনা আখতাৰ | ৫০ |

**গল্পগুচ্ছ**

| | | |
|---|---|---|
| বন্ধু সময় পালে আমাৰ ফালে | ❒ মনালিছা আহমেদ | ৫৩ |
| সোণোৱালী গাঁও | ❒ পাপৰি দাস | ৫৫ |
| বন্ধুত্ব | ❒ আব্দুল্লা আহমেদ | ৫৮ |
| হিচাপ | ❒ আফ্রুজা খাতুন | ৫৯ |
| আনন্দৰ চকুলো | ❒ জেচমিনা খাতুন | ৬০ |

**শিল্পীৰ পৃথিৱী**

| | | |
|---|---|---|
| বাঁহ সম্ৰাট দধি পাঠকৰ এভুমুকি | | ৬১-৬২ |

**প্ৰতিবিম্ব**

| | | |
|---|---|---|
| মহাবিদ্যালয় চৌহদ | | ৬৩-৭৩ |

**English Section**

| | | |
|---|---|---|
| Human Rights and State Violence in India | ❒ Md Ramjan Ali | ৭৫ |
| ENVIRONMENTAL DEGRADATION AND THREATS TO BIO DIVERSITY WITH SPECIAL REFERENCE TO INDIA | ❒ Khanindra Kumar Nath<br>❒ Hemanta Kumar Das | ৮০ |
| Quality Teaching in Higher Education | ❒ Kalyan Chandra Talukdar | ৮৭ |
| India After Independence | ❒ Himashri Choudhury | ৯২ |
| Mother | ❒ Khargeswar Biswas | ৯৬ |
| I saw her in the mirror | ❒ Rajat Debnath | ৯৬ |
| The Last Day of My College | ❒ Dipti Das | ৯৬ |
| Very Interesting unknown facts | Ajoy Mandal | ৯৭ |
| Do you know? | Mamoni Ahmed | ৯৭ |

| | |
|---|---|
| **প্ৰতিবেদনপঞ্জী** | ৯৮-১০৬ |
| **List of Teaching & Nonteaching Staff** | ১০৭-১০৯ |
| **কৌতুক আৰু প্ৰজ্ঞাৰ সাধনা** | ১১০-১১১ |
| **শেষ পৃষ্ঠাৰ অনুভৱ** | ১১২ |


MOHAN LAL CHOUDHURY LIBRARY :
Library:



# স্মৃতিৰেখা

MOHAN LAL CHOUDHURY LIBRARY :
Library :





MOHAN LAL CHOUDHURY LIBRARY :
Library:

# পৃথিৱী মোৰ কবিতা

□ হীৰেন ভট্টাচাৰ্য

কলম মোৰ কমাৰৰ হাতুৰী, ভাঙি-পিটি গঢ়ি লওঁ শব্দ,
খেতিয়কৰ ফাল যেন চোকা; সীৰলুত সোণৰ সীতা,
মিস্ত্ৰিৰ কৰত যেন ৰূঢ়,
কঠিন কাঠৰ আঁহ ফালি টানি আনো
অভিজ্ঞতাৰ তেজ লগা শব্দ, চাওঁতাল মৰদৰ ধনুৰ কাঁড় যেন
লক্ষ্যভেদী একো-একোটা শব্দ মোৰ
ৰক্ত-মাংস-ইচ্ছাত তীব্ৰ হৈ উঠে,
সিহঁতৰ কোনোটো পৰ্বতৰ দৰে উদ্ধত,
কোনোটো নদীৰ দৰে নত, আৰু কোনোটো বা হ্ৰদৰ দৰে গম্ভীৰ,
কাৰো কথাত উঠা-বহা নকৰে।

নদ-নদী-পৰ্বত চিত্ৰিত বিপুল মহাদেশৰ মই কবি,
পৃথিৱী মোৰ কবিতা।❁



MOHAN LAL CHOUDHURY LIBRARY :

# প্ৰতিমূৰ্তি

মূল - সুনীল গংগোপাধ্যায়

❑ অনুবাদ - শৈলেন কাকতি

কণ্ডাক্টৰে টিকট বিচাৰোতেই ল'ৰাটোৱে ক'লে দিছো, অলপ পাছত দি আছো। কণ্ডাক্টৰে এইবাৰ সামান্য ধমক দি ক'লে, কিমানবাৰ বিচাৰিব লাগিব? মই কিমানবাৰ আহিম?'

ল'ৰাটোৱে এইবাৰ ম্লান মুখেৰে কণ্ডাক্টৰৰ ফালে চালে। বাছখন তেতিয়া ৰৈ আছে। বাহিৰত সেই সময়ত এক আকৰ্ষণীয় দৃশ্য আছিল। এজনী ছোৱালীয়ে আন এজনী ছোৱালীৰ হাতত ধৰি টানিছে। বোধহয় দুয়োজনীৰ দুফালে যোৱাৰ কথা, তথাপি এজনীয়ে আনজনীক নিজৰ সম্ভাব্য স্থানলৈ লৈ যাব বিচাৰিছে। বেছ জকমকীয়া চেহেৰাৰ ছোৱালী দুজনী। এই দৃশ্য নাচাই তেতিয়াই টিকট কাটিবলৈ কোনেও ইচ্ছা নকৰিলে। তথাপি কণ্ডাক্টৰে ল'ৰাটোক বকিলে। আমি সকলোৱে খুব অসহিষ্ণু।

ল'ৰাটোৱে কোনো প্ৰতিবাদ নকৰিলে। বকনিখিনি হজম কৰি গ'ল। ল'ৰাটো শীৰ্ণকায়, গাৰ চোলাটো মলিয়ন, সম্ভৱতঃ খুব লাজুক, সেয়ে কণ্ডাক্টৰে তাক এনেদৰে বকিব পাৰিলে। ল'ৰাটোৰ ওচৰতেই মই বহি আছো, মোৰ পোছাক বেছ পৰিচ্ছন্ন আৰু সুদৃশ্য। চেহেৰাতো এটা গাম্ভীৰ্যতা আছে— মোৰ সৈতে সেই বাছ কণ্ডাক্টৰে তেনে ধৰণৰ কৰ্কশ সুৰত কথা কোৱাৰ সাহস মুঠেই নাপালেহেঁতেন। ল'ৰাটোৱে চোলাৰ জেপৰ পৰা এজাপ কাগজ উলিয়ালে। বিভিন্ন চিঠি, বাতৰি কাকতৰ টুকুৰা আৰু কেইখনমান কাগজত হাতে লিখা কিবা কিবি। এইবোৰ কাগজৰ মাজত লুকাই আছে এখন এটকীয়া নোট।

ল'ৰাটোৱে চোলা আৰু পেণ্টৰ অন্য পকেটবোৰ খেপিয়াই চালে আৰু কোনো পইচা আছে নে নাই। নাই। সেই এটকাই।

ল'ৰাটোৱে সেই টকাটো এনেদৰে আগবঢ়াই দিলে যেন সি নিজৰ পৰম সম্পদ অনিচ্ছাসত্বেও তুলি দিছে আনৰ হাতত। কণ্ডাক্টৰে টিকট আৰু খুচুৰা ওভতাই দি আঁতৰি গ'ল।

মই ল'ৰাটোক ভালদৰে লক্ষ্য কৰিব ধৰিলো। তাৰ গালত দুদিনমান নকটা দাড়ি। কোলাৰ ওপৰত বাতৰি কাকতেৰে খলপ লগোৱা এখন শকত কিতাপ। ভৰিত চেণ্ডেল, তাৰ সোঁভৰিৰ এপাট ফিটা ছিগা।

মই তাৰ ফালে একথৰে চাই থকা গম পাই ল'ৰাটোৱে সামান্য অস্বস্তিবোধ কৰিলে। সি ৰাস্তাৰ ফালে মুখ ঘূৰালে।

মই কিন্তু সেই ল'ৰাটোক চোৱা নাই, চাইছো নিজকে। ল'ৰাটোৰ বয়স কিমান হ'ব, তেইশ বা চৌব্বিশ। সেই বয়সত মোৰ চেহেৰা ঠিক তেনে ধৰণেই আছিল, তেনে ধৰণেই পোছাক, পুৰণি চেণ্ডেলৰ ফিটা যেতিয়াই তেতিয়াই ছিগি যায়। মোৰ জেপতো এটকাৰ বেছি কেতিয়াও নাথাকিছিল। বহুসময়ত তাতকৈয়ো কম। মই বাছৰ দৰ্জাৰ ওচৰত থিয় হৈ মাজে মাজে টিকট ফাকি দিবলৈ চেষ্টা কৰিছিলো। তেতিয়া মই পাছ কৰা বেকাৰ।

ল'ৰাটোৱে যেন হুবহু মোৰেই চৌবিশ বছৰ বয়সৰ প্ৰতিমূৰ্তি হৈ মোৰেই ওচৰত বহি আছে।

তাৰ জেপত সেই হাতে লিখা ভাজ কৰা কাগজবোৰ কি? কবিতা? হ'ব পাৰে। এই ল'ৰাটো নিশ্চয়কৈ বেকাৰ আৰু কবিতা লিখে। বাতৰি কাকতৰ টুকুৰাবোৰ নিশ্চয় চাকৰিৰ বিজ্ঞাপন। মোৰ জেপতো সেইদৰে আছিল। কবিতা জেপত লৈ ঘূৰি ফুৰিছিলো, লাজত কাকো পঢ়াই শুনাব নোৱাৰিছিলো। মোৰ কবিতাৰ একমাত্ৰ পাঠিকা আছিল স্বপ্না। দেখা হ'লেই কৈছিল, কালি ৰাতি কি লিখিছা? চাও? স্বপ্নাই মোৰ জেপত হাত ভৰাই দিছিল। বহু সময়ত কবিতাৰ সলনি আছিল চিঠি। স্বপ্নাৰ সৈতে



MOHAN LAL CHOUDHURY LIBRARY :
Library:

প্ৰায়েই দেখা হ'লেও তাইক চিঠি লিখিছিলো। বহু কথাই মুখেৰে ক'ব নোৱাৰি। একো একোদিন দুয়োজনকেই চিঠি দিছিলো। অৱশ্যে স্বপ্নাৰ সৈতে নিৰিবিলি পৰিৱেশত দেখা কৰাৰ সুযোগ আছিল যথেষ্ট কম। এনে কোনো ঠাই নাছিল....

ল'ৰাটোৱে এসময়ত মুখ ঘূৰাই প্ৰশ্ন কৰিলে, 'কেইটা বাজিছে ক'ব পাৰিবনে? চাৰে পাঁচটা বাজি গৈছে নেকি?'

মই ক'লো, 'মোৰ ওচৰততো ঘড়ী নাই ভাই।'

বচ্, তাৰ লগত সেইখিনিয়েই কথা হ'ল। আৰু একো নাই। ল'ৰাটো ব্যস্ত হৈ ইফালে সিফালে চাব ধৰিলে। যেন চাৰে পাঁচটা বাজি গ'লে তাৰ খুব বিপদ ঘটি যাব।

সেই চৌৱিশ বছৰ বয়সত পইচা বচোৱাৰ কাৰণে মই বহু সময়ত খোজকাঢ়ি যাতায়াত কৰিছিলো। গোটেই চহৰখন অলৌ তলৌকৈ ঘূৰি ফুৰিছিলো। এবাৰ এটা ইণ্টাৰভিউলৈ যোৱাৰ সময়ত বাছৰ দৰ্জাৰ ওচৰত বৈ আছিলো, জেপত চল্লিশ পইচা, মনে মনে ভাবিছিলো বাছৰ কুৰি পইচা বচাব পাৰিলে আবেলি কফি হাউছত একাপ কফি অন্ততঃ খাব পাৰিম। হঠাৎ দুতলাৰ চিৰিৰ পৰা কণ্ডাক্টৰ নামি আহিল। মই তাক দেখি চলন্ত বাছৰ পৰাই জপিয়াই পৰিব ওলাইছিলো, কণ্ডাক্টৰে মোৰ হাতত থাপ মাৰি ধৰিলে। তাৰ পাছত সকলোৰে সন্মুখত কি অপমানেই যে নকৰিলে। তেতিয়াই বুজিলো সেই ইণ্টাৰভিউতো মোৰ চাকৰি নহ'ল।

মোৰ আস্থানলৈ আহি গৈছো, এতিয়া মই নামিব লাগিব। আচৰিত, সেই ল'ৰাটোও উঠি থিয় হ'ল। সি আৰু মই একে স্থানতেই নামিম। ঠিক যেন এতিয়াৰ মই আৰু চৌৱিশ বছৰ আগৰ মই ওচৰা উচৰিকৈ বাছৰ পৰা নামিছো। মই ল'ৰাটোৰ নাম নাজানো। হ'ব পাৰে, তাৰো নাম সুনীল। সুনীলতো বহু মানুহৰেই নাম হয়।

বাছ আস্থানত এজনী ছোৱালী বৈ আছে। ল'ৰাটো ব্যস্তভাৱে সেই ছোৱালীজনীৰ ফালে আগবাঢ়ি গ'ল। ঠিক যিদৰে মই স্বপ্নাৰ ওচৰলৈ গৈছিলো।

মই ৰাস্তা পাৰ হৈ সামান্য দূৰলৈ গৈ ৰ'লো। সিহঁতে মোক দেখা পোৱা নাই। মই সিহঁতক দেখিছো। ঠিক যেন পুলিচৰ চোৰাংচোৱা। যদিও মোৰ খুব জৰুৰী কাম আছে, এতিয়াই যোৱা দৰকাৰ, তথাপি যেন সিহঁতে চুম্বকৰ দৰে মোক আকৰ্ষণ কৰিছে। সেই ছোৱালীজনীৰ নাম জানো স্বপ্না? হ'বও পাৰে। স্বপ্নাতো বহু ছোৱালীৰ নাম হয়।

সিহঁতে কেইমুহূৰ্তমান থিয় হৈ কথা পাতিলে। ছোৱালীজনীয়ে চঞ্চলভাবে ইফালে-সিফালে চাইছে। বোধহয় ঘৰৰ মানুহে দেখি পেলোৱাৰ ভয়। তাৰ পাছত সিহঁত ওচৰৰেই এখন চাহৰ দোকানত সোমাই পৰিল।

হে ঈশ্বৰ, ল'ৰাটোৰ জেপতো মাত্ৰ বাৰ অনা পইচা। তাৰ বেছি যে নাই সেয়াতো মই জানো। এইকেইটা পইচাৰে সিহঁতৰ কেনেকৈ চলিব? মাত্ৰ দুকাপ চাহ হ'ব পাৰে। এই আবেলি পৰত আৰু একো নাখাবনে? তদুপৰি মাত্ৰ দুকাপ চাহ ল'লেতো সিহঁতক বেছি সময় বহিব নিদিব, অলপ পাছতেই ঘেনঘেননি কৰিব। মোৰ লগত টকা আছে, সিহঁতক দি আহো নেকি? নাই, সেয়া নহ'ব। সিহঁতে কিয় ল'ব? সিহঁতে জানো বুজিব যে মই মোৰ চৌৱিশ বছৰ বয়সটোক আদৰ কৰিব বিচাৰিছো। নাই, সেয়া বুজাব পৰা নাযাব, বৰং সিহঁতে আপমানিত বোধ কৰিব পাৰে।

হয়তো ছোৱালীজনীৰ লগত টকা আছে। তাই খুৱাব। আমাৰ সময়ত এনে হৈছিল। মোৰ জেপত পইচা নাথাকিছিল, স্বপ্নাই মোক মাজে মাজে খুৱাইছিল। স্বপ্নাই তেতিয়া এখন ৰাতিপুৱাৰ স্কুলত কাম পাইছিল, তাইৰ লগত মাহৰ প্ৰথম ভাগত অন্ততঃ টকা আছিল। মই অৱশ্যে খুব গ্লানি বোধ কৰিছিলো। আমি পুৰুষ মানুহ, আমিয়েই আমাৰ বান্ধৱীক খুওৱা উচিত। হোটেল ৰেষ্টুৰাঁত ছোৱালীবোৰে টকা দিয়া মই একেবাৰে পছন্দ নকৰো। কিন্তু তেতিয়াতো কোনো উপায় নাছিল। তেতিয়া মই আছিলো নিতান্তই বেকাৰ এজন সামান্য কবি।

মই ভবিছিলো দিনকাল সলনি হৈ যাব। আমাৰ সৰু ভাইহঁতে আৰু এনেধৰণৰ অপমান আৰু গ্লানি সহ্য কৰিব লগা নহ'ব। কিন্তু একোৰেই সলনি নহ'ল।

ৰাস্তা পাৰ হৈ মই সেই চাহৰ দোকানখনৰ সন্মুখেৰে লাহে লাহে খোজকাঢ়ি গ'লো। এটা চুকৰ ফালে টেবুলত সিহঁত মুখামুখিকৈ নীৰৱে বহি আছে। পৰস্পৰৰ ফালে স্থিৰ নিবদ্ধ দৃষ্টি। মোৰ ভাব হ'ল, ঠিক যেন চৌৱিশ বছৰ বয়সৰ ময়েই তাত বহি আছো স্বপ্নাৰ সন্মুখত। ❃



MOHAN LAL CHOUDHURY LIBRARY :
Library:



# অতিথি লেখা



MOHAN LAL CHOUDHURY LIBRARY :



## ভাৰতীয় শিক্ষাৰ আদৰ্শ

# কেইগৰাকীমান ভাৰতীয় মনীষী

❐ অক্ষয় কুমাৰ মিশ্ৰ



ৰবীন্দ্ৰ নাথ ঠাকুৰ, মহাত্মা গান্ধী, স্বামী বিবেকানন্দ, ঋষি অৰবিন্দ আৰু ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ-এই আটাইকেইজনেই ইংৰাজী শিক্ষাত শিক্ষিত আছিল, পাশ্চাত্যৰ ভাব -ভাষা-সংস্কৃতিৰ লগত ঘনিষ্ঠ পৰিচয় থকা ব্যক্তি আছিল। কিন্তু এই আটাইকেইজনে ভাৰতীয় চিন্তা, ভাৰতীয় সভ্যতা-সংস্কৃতিৰ দ্বাৰা উদ্বুদ্ধ হৈছিল। আটাই কেই জনেই ভাৰতীয় সাংস্কৃতিক তথা আধ্যাত্মিক পুনৰুজ্জীৱনৰ হকে কম বেছি পৰিমাণে চিন্তা-চৰ্চা আৰু কাম-কাজ কৰিছিল। ভাৰতীয় শিক্ষা আদৰ্শৰ মূৰ্ত্তিমন্ত প্ৰতিভূ আছিল এই সকল বৰেণ্য সন্তান। এই সকল মনীষীৰ জীৱন-বাণীৰ মাজেদি ভাৰত-আত্মাৰ বাণীয়েই উচ্চাৰিত হৈছিল অৱশ্যে তেওঁলোক আজি আৰু ভাৰতৰে চিন্তানায়ক হৈ থকা নাই, তেওঁলোক হৈছে সমগ্ৰ বিশ্বৰে নমস্য নাগৰিক, মানৱ জাতিৰে চিন্তানায়ক, পথ-প্ৰদৰ্শক।

আধুনিক ভাৰত নিৰ্মাতাসকলৰ অগ্ৰগণ্য পুৰুষ ঋষি-কবি



MOHAN LAL CHOUDHURY LIBRARY :

ৰবীন্দ্ৰ নাথ ঠাকুৰ (১৮৬১-১৯৪১)ৰ জীৱনধাৰা আৰু কৃতি-কৰ্মৰ মাজেদি ভাৰত আত্মাৰ বাণী মূৰ্ত্ত হৈ উঠিছে। ভাৰতৰ আধ্যাত্মিক-সাংস্কৃতিক ঐতিহ্যক প্ৰতিনিধিত্ব কৰা ৰবীন্দ্ৰ নাথৰ বহুমুখী প্ৰতিভা আৰু সাধনাই সাহিত্য-কলা-কৃষ্টি-শিক্ষা-সমাজ উন্নয়ন ইত্যাদি বিবিধ দিশকেই সামৰি লৈছিল।

ভাৰতীয় সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি ৰবীন্দ্ৰনাথৰ শ্ৰদ্ধা আছিল অসীম। তেওঁ বিশ্বাস কৰিছিল যে কিছুমান সুস্পষ্ট সাংস্কৃতিক ভেটি কৰি লৈ বিভিন্ন স্তৰৰ মাজেৰে ভাৰতীয় শিক্ষাই গঢ় লৈ উঠিছে। এই সংস্কৃতিবোৰেই হৈছে বেদ, উপনিষদ, পুৰাণ, বৌদ্ধ, জৈন, ইছলাম, শিখ আৰু জাৰোথোৰেষ্ট্ৰান সংস্কৃতি।

ৰবীন্দ্ৰ নাথে জীৱন-ৰস আহৰণ কৰিছিল উপনিষদৰ পৰা। 'সৰ্বং প্ৰাণ এজাতি'- উপনিষদৰ এই দৰ্শনত বিশ্বাসী ৰবীন্দ্ৰনাথে সকলো জীৱনৰ ঐক্যতানৰ সন্ধান কৰিছিল। এই ভাৱনা-উপলব্ধিৰ দ্বাৰা উদ্বুদ্ধ হৈয়েই তেওঁ প্ৰতিষ্ঠা কৰিছিল বিশ্বভাৰতী। অৰ্থাৎ ভাৰতৰ আধ্যাত্মিক চৰিত্ৰ প্ৰকাশৰ উদ্দেশ্যেই স্থাপিত হৈছিল বিশ্বভাৰতী। ভাৰতৰ সৈতে গোটেই বিশ্বৰ মিলনৰ সেতু ৰচনা কৰা, শিক্ষা আৰু সংস্কৃতিৰ মাজেদি গোটেই বিশ্বৰ ঐক্য স্থাপন কৰা- এয়েই আছিল বিশ্বভাৰতীৰ মহান আদৰ্শ। এই নামটোৰে সৈতে "যাত্ৰা বিশ্বম্ ভৱত্যেক নিদম্" বোলা বেদৰ যোজনাটো সাঙুৰি লৈছিল, যাৰ অৰ্থ হ'ল- 'গোটেইখন বিশ্ব একত্ৰিত হোৱা এইখনেই হ'ল ঠাই।' বিশ্ব-ভাৰতী-য'ত দূৰ -দূৰণিৰ জ্ঞানাৰ্থী আহি, পূব-পশ্চিমৰ লেখকসকল আহি মানৱৰ সংগমস্থলত পৰিণত কৰিব। পৃথিৱীৰ সকলো মানৱৰ সহায় সহযোগিতাৰ তেওঁ পোষকতা কৰিছিল। মানুহে যদি মানুহ হিচাপে বসবাস কৰি থাকিব লগা হয়, তেন্তে মানুহে জ্ঞান,মানৱতা, আত্মিক প্ৰয়াস-প্ৰযত্নৰ ক্ষেত্ৰত সন্মিলিতভাবে কাম কৰিব লাগিব।

ৰবীন্দ্ৰ নাথে শান্তি নিকেতন-বিশ্বভাৰতীৰ যোগেদি ভাৰতীয় সংস্কৃতিৰ আধাৰত পৰিচালিত শিক্ষা-পদ্ধতিৰে শিক্ষাদানৰ ব্যৱস্থা কৰিছিল। তেওঁৰ এই শিক্ষা -কেন্দ্ৰ আছিল প্ৰাচীন গুৰুকুলৰ আৰ্হিত আধুনিক জগতৰ লগত খাপ খোৱাকৈ স্থাপন কৰা শিক্ষা প্ৰণালী। সৌন্দৰ্য্য সাধনাৰ মাজেদি সত্য-শিৱৰ উপলব্ধিত তেওঁ গুৰুত্ব আৰোপ কৰিছিল। সৌন্দৰ্যানুভূতি আৰু সৃজনশীলতাৰ সাধনাৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ মনৰ সুকোমল আৰু সৎ বৃত্তিসমূহৰ বিকাশ-প্ৰকাশ কৰা— এয়ে তেওঁৰ শিক্ষা প্ৰণালীৰ বিশেষত্ব।

ৰবীন্দ্ৰ নাথৰ মতে-শিক্ষাৰ উদ্দেশ্য হ'ল মানুহক সত্যৰ ঐক্যবোধ সম্বন্ধে শিক্ষিত কৰি তোলা। ইয়াৰ উদ্দেশ্য হ'ল মানুহৰ মাজত থকা উৎকৃষ্টতা-শ্ৰেষ্ঠতাখিনি বাহিৰ কৰি অনা আৰু ব্যক্তিত্বৰ পৰিপূৰ্ণ বিকাশ কৰা। জীৱন-যাত্ৰাত অন্তৰ্নিহিত ইতৰ তথা খহটা দিশটো পৰিমাৰ্জিত কৰি সত্য-শিৱ -সুন্দৰক জাগ্ৰত কৰি মানুহজনক সংস্কাৰিত-পৰিবৰ্তিত কৰা এয়েই শিক্ষাৰ লক্ষ্য। তেওঁৰ মতে বিদ্যালয়ৰ উদ্দেশ্য হ'ল প্ৰাকৃতিক পৰিমণ্ডলৰ আনন্দময়তাৰ মাজেদি মানুহক মুক্ত মানুহৰূপে গঢ়ি তোলা। ভাৰতীয় আদৰ্শ মতে-'সা বিদ্যা যা বিমুক্তয়ে' অৰ্থাৎ যিয়ে কাম ক্ৰোধাদি ৰিপু আৰু অন্যান্য বন্ধনৰ পৰা মুক্ত কৰিব পাৰে সেয়েই বিদ্যা। ৰবীন্দ্ৰনাথো বিদ্যাৰ এই আদৰ্শত বিশ্বাসী আছিল।

শিক্ষাৰ ক্ষেত্ৰত এক নতুন ভাৱধাৰাৰ প্ৰৱৰ্ত্তন কৰা এই গৰাকী মহান শিক্ষাবিদে শিক্ষাৰ ওপৰত পৰম বিশ্বাস স্থাপন কৰিছিল। তেওঁ এই মত পোষণ কৰিছিল যে শিক্ষাৰ জৰিয়তেহে মানৱ জাতিৰ মাজত একতা সহজে আনিব পৰা যায়। হাইড্ৰোজেন আৰু এট'ম বোমাতকৈও জ্ঞান অধিক শক্তিশালী বুলি তেওঁ বিশ্বাস কৰিছিল। কেৱল মাত্ৰ জ্ঞানৰ দ্বাৰাইহে মানুহে নিজকে চৰম স্তৰলৈ লৈ যাব পাৰে। কোনোৱে যদি এবাৰ সেই অৱস্থাপ্ৰাপ্ত হয়, তেতিয়া ঈৰ্ষা, হিংসা-দ্বেষ-অসূয়া, লালসা ইত্যাদি শান্তিৰ সকলোবোৰ শত্ৰু অদৃশ্য হয়। তেতিয়াহে পৃথিৱীত সমতান-সমলয় (Harmony) বিৰাজ কৰিব।

ভাৰতীয় আধ্যাত্মিক সংস্কৃতিৰ অদ্ভুত-আশ্চৰ্য্য সৃষ্টি মোহন দাস কৰমচাঁদ গান্ধী (১৮৬৯-১৯৪৮) এগৰাকী বিশ্ববৰেণ্য নেতা, যাক 'মহাত্মা' উপাধিৰে ভূষিত কৰা হৈছে। বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে অহিংসাৰ মন্ত্ৰেৰে ,সত্যক সাৰথি কৰি যুঁজা গান্ধীয়ে ধৰ্মক আশ্ৰয় কৰি ৰাজনীতিত নামিছিল, শোষিত-বঞ্চিত-দলিত-দৰিদ্ৰ পীড়িতসকলৰ মুক্তিৰ হকে সংগ্ৰাম কৰিছিল, সমাজ-সংস্কাৰমূলক বিবিধ কামত ব্ৰতী হৈছিল। শিক্ষা সম্বন্ধেও তেওঁ পৰীক্ষা-নিৰীক্ষা চলাই প্ৰাচীন ভাৰতৰ শিক্ষা পদ্ধতিৰ আধাৰত নবীন ভাৰতীয়



MOHAN LAL CHOUDHURY LIBRARY :
Library :

সমাজ- জীৱনৰ লগত খাপ খোৱাকৈ 'বুনিয়াদী শিক্ষা' প্ৰৱৰ্ত্তন কৰিছিল। পশ্চিমীয়া সভ্যতাৰ প্ৰতি মুক্তভাৱে কৃতজ্ঞতা স্বীকাৰ কৰিও গান্ধীজীয়ে কৈছিল যে জাতিৰ প্ৰতি যি সেৱা তেওঁ আগবঢ়াবলৈ সমৰ্থ হৈছিল, তাৰ মূলতে আছিল প্ৰাচ্য সভ্যতা-সংস্কৃতিৰ পৰা তেওঁ গ্ৰহণ কৰা আদৰ্শখিনি। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক জাতি গঢ়োতা ৰূপে আদৰণি জনাই পশ্চিমৰ অন্ধ অনুকৰণ নকৰিবলৈ সঁকীয়াই দিছিল। তেওঁ প্ৰশ্ন কৰিছিল- অতিশয় দক্ষতাৰে পৰিচালিত ইংৰাজী মাধ্যমৰ বিদ্যালয়ত সৰুৰে পৰা শিক্ষা-দীক্ষা লাভ কৰা হ'লে চৈতন্যদেৱ, গুৰুনানক, কবীৰ, তুলসীদাস আৰু আন আন সংস্কাৰক সকলে অধিক ভাল কাম কৰিব পাৰিলেহেঁতেন জানো? দয়ানন্দ সৰস্বতীয়ে ভাৰতীয় এখন বিশ্ববিদ্যালয়ৰ পৰা এম.এ. উপাধিধাৰী হোৱা হ'লেবেছি ভাল কাম কৰিব পাৰিলেহেঁতেননে?

গান্ধীজীয়ে কৈছিল-'শিক্ষাৰ দ্বাৰা মই শিশুৰ দেহ, মন, আত্মাৰ সৰ্বতোমুখী বিকাশকে বুজো।' তেওঁ আকৌ কৈছিল যে প্ৰত্যেক শিশু বা মানৱৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক ক্ষেত্ৰত যিমানখিনি উৎকৰ্ষ সাধনৰ সম্ভাৱনা অন্তৰ্নিহিত হৈ আছে, সেই সকলোখিনিকে তেওঁৰ জীৱনত প্ৰকাশিত কৰোৱাই প্ৰকৃত শিক্ষা। তেওঁৰ মতে সাক্ষৰতা শিক্ষাৰ সামৰণি নহয়- আৰম্ভণিহে। তেওঁ কৈছিল- 'শিক্ষা মানে কেৱল সাক্ষৰতাক নুবুজায়। সেয়ে মই শিশুৰ শিক্ষা এটি আৱশ্যকীয় হস্তশিল্পৰ দ্বাৰাইহে আৰম্ভ কৰিব বিচাৰো, তেনে কৰিলে প্ৰশিক্ষণৰ আৰম্ভণিতে শিক্ষাৰ্থীয়ে উৎপাদন কৰিব পৰাও হ'ব।'

গান্ধীজীৰ আদৰ্শ আছিল অহিংসাৰ সাধনাৰ দ্বাৰা বিশ্ব ভ্ৰাতৃত্ববোধ অনা। ইয়াৰ অৰ্থ হ'ল- সকলোৰে প্ৰতি প্ৰেমভাব ৰখা আৰু কাৰো প্ৰতি বিদ্বেষ পোষণ নকৰা। তেওঁৰ শিক্ষাৰ দৰ্শন সত্য আৰু অহিংসাৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত আছিল। চক্ৰেটিছে কৈছিল- 'ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল লক্ষ্য।' গান্ধীজীৰো শিক্ষানীতি আছিল এয়েই।

শ্ৰীমদ্ভাগৱত গীতাত কৈছে- 'নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে'-জ্ঞানৰ নিচিনা পবিত্ৰকাৰী একোৱে নাই। গীতাত আকৌ কোৱা হৈছে যে যিজন শ্ৰদ্ধাবান গুৰু শুশ্ৰূষাত একনিষ্ঠ, তৎপৰ আৰু জিতেন্দ্ৰিয়, তেঁৱেই জ্ঞান লাভ কৰি অতি শীঘ্ৰে পৰম শান্তি লাভ কৰে। গীতাধ্যায়ী আৰু গীতা-জীৱন যাপন কৰা গান্ধীজীয়েও কৈছিল— 'অন্তৰ পৱিত্ৰ নহ'লে, ইন্দ্ৰিয় সংযম কৰিব নোৱাৰিলে শিক্ষিত, বিদ্বান ব্যক্তি হ'ব নোৱাৰা।' যি শিক্ষাই আত্মসংযম আৰু অন্তঃকৰণৰ পৱিত্ৰতা আনিব নোৱাৰে সেই শিক্ষাৰ কোনো মূল্য নাই বুলি তেওঁ বিবেচনা কৰিছিল। তেওঁৰ মতে সকলো জ্ঞানৰ উদ্দেশ্য চৰিত্ৰ গঠন- "চৰিত্ৰ অবিহনে শিক্ষাৰ মূল্যই বা ক'ত? চৰিত্ৰ হৈছে মাত্ৰ প্ৰাথমিক ব্যক্তিগত পৱিত্ৰতা।" তেওঁ এই মত পোষণ কৰিছিল যে মন, বাক্য আৰু কৰ্মৰ পৱিত্ৰতা সাধনেই প্ৰকৃত শিক্ষা।

গান্ধীজীয়ে যাৰ পৰা চিন্তা-চৰ্চাৰ প্ৰেৰণা আৰু কৰ্মৰ আদৰ্শ গ্ৰহণ কৰিছিল, সেইজন ধ্যান-জ্ঞান-কৰ্মযোগী স্বামী বিবেকানন্দৰ (১৮৬৩-১৯০২) জীৱন- দৰ্শনে পৰিপুষ্টি লাভ কৰিছিল বেদান্ত দৰ্শনৰ পৰা। ৰামকৃষ্ণ পৰমহংসৰ মন্ত্ৰ-শিষ্য নৰেন দত্ত ৰূপান্তৰিত হৈছিল স্বামী বিবেকানন্দলৈ। প্ৰাচ্য-পাশ্চাত্যৰ অমৃতময় জ্ঞান-ভাণ্ডাৰত বুৰ মাৰি বিবিধ বহুমূলীয়া মণি-মুক্তা আহৰণ কৰি, প্ৰজ্ঞা আৰু জীৱন অভিজ্ঞতাৰে মন্থন কৰি তাৰে নিৰ্যাসখিনি তেওঁ জগতবাসীক দি গৈছে।

বিবেকানন্দই কৈছিল যে মানুহৰ ভিতৰত যি পূৰ্ণতা সুপ্তভাৱে আছে তাৰ বিকাশেই শিক্ষাৰ লক্ষ্য। গান্ধীজীৰ দৰে পূৰ্বসুৰী বিবেকানন্দইও কৈছিল-'আমাক এনে শিক্ষা লাগে যাৰ দ্বাৰা আমাৰ সৎ চৰিত্ৰ গঠন হয়, যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হয় আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত থিয় দি আত্মনিৰ্ভৰশীল হ'ব পাৰো।' শিক্ষা সম্পৰ্কে এইজনা মনীষীয়ে আকৌ এনেদৰে অভিব্যক্তি প্ৰকাশ কৰিছিলঃ 'যি শিক্ষাই সৰ্বসাধাৰণ লোকক জীৱন সংগ্ৰামত আত্মনিয়োগ কৰিবলৈ প্ৰস্তুত কৰি নোতোলে, যিয়ে আমাৰ চৰিত্ৰ শক্তি গঢ়ি নোতোলে, মানৱ সেৱাৰ ভাৱ আৰু সিংহৰ দৰে সাহস জাগ্ৰত কৰি নোতোলে, সি শিক্ষা নামৰ যোগ্যনে? প্ৰকৃত শিক্ষা সেয়ে, যিয়ে নিজৰ ভৰিত থিয় দিবলৈ সমৰ্থ কৰি তোলে।"

ভাৰতীয় নৱন্যাস আন্দোলনৰ অন্যতম প্ৰবক্তা ঋষি অৰবিন্দৰ (১৮৭২-১৯৫০) আধ্যাত্মিক লক্ষ্যৰ মূলতে ভাৰতীয়



MOHAN LAL CHOUDHURY LIBRARY :

ঐতিহ্য পৰম্পৰাই প্ৰাধান্য লাভ কৰিছিল। তেওঁ পাশ্চাত্যৰ মানৱতাবাদ আৰু ভাৰতৰ আধ্যাত্মিক মুক্তিৰ সাধনাৰ মাজত সমন্বয় সাধনৰ চেষ্টা কৰিছিল। অৰবিন্দৰ মতে ভাৰতীয় সংস্কৃতি-ভাৰত-আত্মাৰ বাণী। ভাৰতৰ কলা, সংস্কৃতি, ভাস্কৰ্য্য, স্থাপত্য শিক্ষা, ধৰ্ম আৰু ৰাজনীতি সকলোবোৰৰ মূলতে আছে ভাৰতৰ আধ্যাত্মিক শক্তি।

অৰবিন্দৰ জাতীয়তাবাদৰ আধাৰ আছিল আধ্যাত্মিক দৰ্শন। তেওঁ এই মত পোষণ কৰিছিল যে ভাৰতে বিশ্বত এই আধ্যাত্মিক লক্ষ্য প্ৰতিষ্ঠাৰ বাবেই কাম হাতত ল'ব লাগিব। সমগ্ৰ জাতিটোক আধ্যাত্মিক ভাবে উদ্বুদ্ধ কৰাই তেওঁৰ প্ৰধান কৰ্ত্তব্য বুলি ভাবিছিল। তেওঁ এই মত ব্যক্ত কৰিছিল যে শিক্ষাৰ উদ্দেশ্য হ'ল এই আধ্যাত্মিক মহত্ব জগাই দি মুক্তিৰ বাট পোন কৰা।

তেওঁৰ দৰ্শন আছিল বেদান্তৰ অনুৱৰ্ত্তী। আনকি ভাৰতৰ মুক্তিৰ প্ৰসংগতো তেওঁ কৈছিল যে ভাৰতীয় জাতিৰ মুক্তিৰ মাজেদি ৰাজনীতিত বেদান্তৰ আদৰ্শ প্ৰতিষ্ঠা কৰাই তেওঁৰ প্ৰধান লক্ষ্য। ভাৰতৰ প্ৰকৃত স্বৰাজো হ'ব এয়ে বুলিও তেওঁ ভাবিছিল।

আধুনিক ভাৰতৰ এইগৰাকী বিশিষ্ট আদৰ্শবাদী দাৰ্শনিকৰ 'দিব্য জীৱন' গ্ৰন্থত প্ৰতিফলিত দাৰ্শনিক মতবাদৰ মূল সুৰ হ'লঃ 'সাধনাৰ সহায়েৰে মানৱ মনক উন্নততৰ মনলৈ ৰূপান্তৰিত কৰি ঐশী ব্যক্তিৰ সৃষ্টি কৰা।'

ভাৰতীয় চিন্তাক, ভাৰতীয় সভ্যতা-সংস্কৃতিৰ আপুৰুগীয়া ঐতিহ্যক, ভাৰতীয় নৱন্যাসৰ বাৰ্ত্তাক, বিশ্বৰ দৰবাৰত তুলি ধৰাত যাৰ কৃতিত্ব সুমহান, সেইজন 'ভাৰত-ৰত্ন', সুখ্যাত দাৰ্শনিক-চিন্তানায়ক-ৰাষ্ট্ৰনায়ক ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ (১৮৮৮-১৯৭৫) মূলতঃ আছিল এজন শিক্ষক। ৰাধাকৃষ্ণণে নিজকে শিক্ষক বুলি ভবাটো আৰু সেইৰূপে গৌৰৱবোধ কৰাটো তাৎপৰ্য্যপূৰ্ণ কথা। 'মোৰ বিশেষ বিষয় হৈছে শিক্ষা- এই বুলি তেওঁ নিজেই লিখিছিল। শিক্ষক হিচাপে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আধ্যাত্মিক আৰু নৈতিক বিশ্বত বিশ্বাস কৰিবলৈ শিকাইছিল। তেওঁ এই কথাকেই শিকাব খুজি ছিল যে আমি বাস কৰা পৃথিৱীখন নৈতিক পৃথিৱী , য'ত কৃতকাৰ্য্যতা লাভ কৰাতকৈ সৎ হ'বৰ যত্ন কৰাটো বেছি ভাল। সৎ-শুদ্ধ জীৱন-যাপনৰ দ্বাৰা চৰিত্ৰ গঠনৰ শিক্ষা দিছিল তেওঁ। নীতি-ধৰ্মৰ ভিত্তিত মানৱ জীৱন গঢ়ি তোলা-এয়ে আছিল তেওঁৰ শিক্ষাৰ আদৰ্শ। নৈতিক জীৱন যাপন কৰি সৎ-সুন্দৰ, আদৰ্শ পৰায়ণ ব্যক্তি হিচাপে পূৰ্ণতাৰ পথেদি অগ্ৰসৰ হোৱাই আছিল তেওঁৰ শিক্ষক জীৱনৰ আদৰ্শ।

প্ৰাচ্য আৰু পাশ্চাত্য চিন্তাৰ সমন্বয় সাধনকাৰীৰূপে সুকীৰ্ত্তিত হোৱা ৰাধাকৃষ্ণণে পূব-পশ্চিম উভয়কে উভয়ে বুজা ভাষা ক'ব পাৰিছিল। ভাৰতীয় চিন্তা আৰু দৰ্শন বিশ্ব-মনীষাৰ সন্মুখত অতি কৃতিত্বৰে তুলি ধৰিব পৰাটো লেখক হিচাপে তেওঁৰ বিশেষ সাৰ্থকতা। তদুপৰি আধুনিক সভ্যতাৰ সন্মুখত প্ৰত্যাহ্বান ৰূপে থিয় হোৱা সমস্যা সমূহ ৰাধাকৃষ্ণণে অতি দক্ষতাৰে ফঁহিয়াই দেখুৱাইছে তেওঁৰ বিভিন্ন লেখনিত। অৱক্ষয়ী জনমানসৰ চৈতন্যোপলব্ধি ঘূৰাই অনা, মানৱৰ আধ্যাত্মিক পুনৰুজ্জীৱন ঘটোৱা, এক মানবতাবাদী ধৰ্মনীতিৰ ভেটিত বিশ্বভাতৃত্ব স্থাপন কৰা- এয়ে তেওঁৰ বিভিন্ন বিষয়ৰ লেখনী আৰু ভাষণৰ মূল সুৰ । ধৰ্ম, দৰ্শন, শিক্ষা, ৰাজনীতি, সমাজনীতি, সাহিত্য-সংস্কৃতি এনে এটা বিষয় নাই, যি বিষয়ে তেওঁ স্বকীয় ব্যাখ্যা আৰু বিশ্লেষণ দাঙি ধৰা নাই।

ৰাধাকৃষ্ণণৰ দৰ্শনক আধ্যাত্মিক মানৱতাবাদ অথবা আদৰ্শবাদী দৰ্শন বুলি অভিহিত কৰিব পাৰি। তেওঁৰ দৰ্শন সমন্বয়ৰ দৰ্শন। তেওঁ গুৰুত্ব দিছে ধৰ্ম আৰু বিজ্ঞানৰ সমন্বয় সাধনত, ঈশ- শক্তিৰ সৈতে ঐশীকণা মানৱ সত্তাৰ সমন্বয় স্থাপনত। মানুহ এটা যান্ত্ৰিক স্থিতি নহয়; গতিকে উকা মানৱিকতাও শেষ বিচাৰত অৰ্থহীন হ'বলৈ বাধ্য। সেয়েহে মানৱতাবাদৰ সৈতে পৰম আদৰ্শবাদৰ সমন্বয় সাধনৰ প্ৰয়োজন। আধ্যাত্মকেন্দ্ৰী আৰু ধৰ্মাশ্ৰয়ী শিক্ষাদান-তেওঁৰ শিক্ষাৰ মূল আবেদন।

প্ৰণিধানযোগ্য যে ভাৰতবৰ্ষৰ বিৱেকৰ প্ৰতিনিধি আছিল গান্ধীজী, ভাৰতীয় সংস্কৃতিৰ মুখপাত্ৰ আছিল ৰবীন্দ্ৰনাথ আৰু ৰাধাকৃষ্ণণে প্ৰতিনিধিত্ব কৰিছিল ভাৰতীয় চিন্তাৰ উৎকৃষ্টাংশক।



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# নিৰ্দিষ্ট বক্তাৰ আসন-ভাষণ



❐ ড° মুকুল চক্ৰৱৰ্ত্তী

ফটামুখখনৰ বাবে নে, নিৰ্দিষ্ট চেনেলত ফিটিং থকাৰ বাবে আজি কালি দুই এখন সভাই সমিতিয়ে দু আষাৰ ক'বৰ বাবে মাজে-সময়ে অমন্ত্ৰিত হওঁ। এইবাৰ আমাৰ ঘাই ঘৰৰ পৰা কিছু নিলগত তেনে এখন সভাৰ বাবে আমন্ত্ৰিত হলো। সভা মানে তেওঁলোকৰ গাঁৱৰ সংঘটোই পঁচিশ বছৰ অতিক্ৰম কৰিছে হেনো; ৰূপালীজয়ন্তী উৎসৱ; তিনিদিনীয়াকৈ পাতিছে। তৃতীয়দিনা দিনৰ তিনি বজাত মুকলি অধিবেশন। উদ্যোক্তাসকল এদিন ৰাতি নমান বজাত ওলাল। এদিন তেওঁলোকৰ লোকেল এম, এল, এক লগ ধৰিছে; গুৱাহাটীত দান-বৰঙণি সংগ্ৰহ কৰি কৰি আমাৰ ঘৰতো চপ্পল ধূলি পেলালে। তেওঁলোকৰ কেইজনমানক মই আগৰে পৰাই চিনি পাওঁ, দুই এজন নতুন মুখৰ। কোনোবাই 'দাদা', কোনোবাই 'খুৰা', কোনোবাই 'ছাৰ', কাৰো 'আংকল', যেনিবা নহলো, কোনোমতে চলিল। এওঁলোকে গাঁৱৰ পৰা এখন টাটা চুম'ৰে দিনত অভিযানত নামিছে, ৰাতি গাঁৱৰ ল'ৰা পুনৰ গাঁৱলৈ উভতি যাব. তেনে এটি সময়ত আপ্যায়ন কৰোনো কি দৰে? ওচৰতে অৱশ্যে দোকান পাতি ধেৰ আছে। শ্ৰীমতীক অকণমান চাহৰ ব্যৱস্থা কৰিবলৈ দিলো, লগুৱা-লিক্‌চৌ নাই সেয়ে আমাৰ বাবুকে দোকানলৈ সাউতকৈ পঠায় গৰম গৰম শিঙৰা, ৰসগোল্লা অনাই কোনোমতে চাহ পৰ্ব সামৰিলোঁ। তেওঁলোকৰ অৱশ্যে কোনোৱে আমাৰ পৰা দান বৰঙণি লোৱাৰ কথা উলিওৱা নাছিল। আমি অধমেই উপযাচি বিষয়টো উলিয়ালো। তেওঁলোকে মনত আনন্দই পালে। অন্ততঃ অইন নহলেও ওভতনি যাত্ৰাত গাড়ীৰ খৰছটো ওলাল। এনে কৰ্মৰ শেষত সংঘৰ ৰূপালী জয়ন্তী উৎসৱৰ মুকলি অধিৱেশনৰ নিৰ্দিষ্ট বক্তা কৰি, মোক আমন্ত্ৰণ কৰা বিষয়টোত, উদ্যোক্তাসকলে নাচোৰবান্দা হৈ পৰিল। তেওঁলোকৰ মাজৰে দুই এজনে ক'লে 'দাদা সপৰিয়ালে যাবো', কোনোৱে ক'লে—'খুৰা, ৰাতি ফাংচন আছে, জুবিন গাৰ্গ আহিব', কোনোৱে ক'লে 'ছাৰ একেলগে ঘাইঘৰক যোৱা হ'ব।' ধৈৰ্য হেৰুৱালো। একেবাৰে শেষৰ পৰামৰ্শটোত। ফটা মুখ ফেপেৰি পাতি ধৰিলো— হেৰ, বোপাই মই শিপা ভালদৰে চিনি পাওঁ। নাজানো, সি কি বুজিলে। দলপতিয়ে মোখনি মাৰিলে— 'দাদা, আপুনি নিৰ্দিষ্ট বক্তাৰ আসন আলংকৃত কৰিব লাগিব; আপোনাৰ সন্মতি পোৱা বুলি ধৰিলো। চিঠিত নাম চপাই আগতীয়াকৈ আপোনালৈ পঠাম। আজি উঠোহে। শুভৰাত্ৰি।' আমিও শুভৰাত্ৰি জনাই সিদিনালৈ কাপ-মৈলাম সামৰি, এমুঠি খাই শুই থাকিলো।

সময় বাগৰিল। মুকলি অধিৱেশনৰ দিনো চমু চাপি আহিল। নিৰ্দিষ্ট বক্তাৰ আসনৰ ব্যক্তি; নিৰ্দিষ্ট কি কথা ক'ম সেই লৈ মনত পাগুলা আৰম্ভ হ'ল। মাজে মাজে অন্য মনস্ক হৈ পৰো, শ্ৰীমতীয়ে টেবুলত চাহ-কাপ খাবলৈ দিলেও পানী হোৱা আৰম্ভ হ'ল। নিৰ্দিষ্ট বক্তাৰ ভূতে লগ ললে। কৰ্মক্ষেত্ৰৰ পৰা নিতৌ উভতি আহি কোনোবাই মোক বিচাৰি ফোন কৰিছিল নেকি, সোধো। ফোন কৰাৰ কথা সোধো মানে মোৰ মোবাইল ফোন চোন নাই, পি, এন, টি, ৰ ফো.নটোই একমাত্ৰ ভৰসা। নাই কেনেও ফোন কৰা নাই। কিবা চিঠি-পত্ৰ দিবলৈ মানুহ আহিছিল নেকি— তাকো সোধো, নাই চিঠি-পত্ৰ কোনেও দিবলৈ অহা নাই। তেন্তে কি হ'ল? ৰূপালী জয়ন্তী পিচুৱালে নেকি? পিচুওৱাত অৱশ্যে আপত্তি কৰিব লগা নাথাকে, এনে অনুষ্ঠানৰ সাধাৰণতে দহ-বাৰ দিন নিৰ্ধাৰণ কৰিব লগা হয়। উদ্যোক্তা সকলে কৈ যোৱা মতে মাজত সময় এসপ্তাহ। কি কৰা যায়, নে ঘাইঘৰত থকা ভাইটোৰ জৰিয়তে উৎসৱ হয়নে নহয়, খবৰ এটাকে কৰো! দোধোৰ-মোধোৰ অৱস্থা। শ্ৰীমতীয়ে বোলে— মিটিঙৰ নিচা এৰি ল'ৰা-ছোৱালী দুটাৰ কাষতে আলপ বহাহে। শ্ৰীমতীৰ কথাখিনি শেষ হ'ল নে নহ'ল, ফোনটো কিৰিঙ কিৰিঙ কৰি বাজি উঠিলেই নহয়। হেল্লো! 'মই দাদা ৰূপালী জয়ন্তীৰ মানুহে কৈছো'। কোৱা, কোৱা, বেগতে কোৱা। 'চিঠি দিব যাব নোৱাৰিলো, সময়ৰ বৰ নাটনি, ৰবিবাৰে আবেলি তিনিবজাত মুকলি অধিবেশন, যেনে তেনে আহিব, চিঠিত



MOHAN LAL CHOUDHURY LIBRARY :
Library :

নাম ছপা হৈ গৈছে, আপোনালোকৰ ঘাই ঘৰতো চিঠি এখন দি থৈছো....' হেৰা তুমি কোনে.... ফোনটো কটা গ'ল মানে সংযোগ বিচ্ছিন্ন হ'ল। হওঁক কথা নাই, মূল কথাখিনি শুনা হৈ গৈছে। চিঠি নপঠালেও এতিয়া আৰু মনত কোনো অসন্তোষ নাই। মনটোত কিবা এটা ভাল লাগিল। শ্ৰীমতীক কলো, এৰা, শুনিছানে? মিটিং নিৰ্দিষ্ট দিনতে হ'ব, চিঠি ছপা হৈছে, চিঠিত মোৰ নাম দিছে। মোৰ উৎসাহৰ মাত্ৰা দেখি শ্ৰীমতীয়ে বোলে— 'আজি ভালকৈ টোপনি আহিব দিয়া, সোনকালে খাই-বৈ শুই থাকা।' এৰা, কি কলা? তোমালোকে বৰ নিৰুৎসাহ কৰাহে। ঘৈণীয়েকবোৰে গিৰিয়েকক ডাঙৰ বনাবলৈ চোৰটোকে ডকাইত বুলি কয় তেনেস্থলত তুমি মোক ....., এৰা সেইবোৰ বাদ দিলো। পিছে মিটিঙলৈ কি পিন্ধি যামহে? 'কাপোৰ পিন্ধি যাবা আকৌ।' কাপোৰটো সদায়ে পিন্ধি আছো ৰবা, পিছে ধূতি পিন্ধিমনে, লংপেন্ট পিন্ধিম? 'সংঘৰহে মিটিং শংকৰ সংঘৰটো নহয়, সেয়ে ধূতি-চোলা-গামোচা লৈ ভকত সাজিব নালাগে, পেন্ট চাৰ্ট পিন্ধিলেই হ'ব। যিটোই নহওঁক, পৰিধান সম্পৰ্কীয় সমস্যাটোৰ সমাধান হ'ল। পিছে যাম কেনেকৈ? নামী-দামীবোৰক উদ্যোক্তাসকলে নিজে আহি বিলাসী গাড়ীৰে লৈ যায়। বহুতে আকৌ উদ্যোক্তাসকলৰ পৰা আগতীয়াকৈ নগদ ধন আদায় কৰি লৈ নিজে গাড়ী বন্দোবস্ত কৰি যায়। মোৰ ক্ষেত্ৰত সেইবোৰ নচলে। সেয়েই পাব্লিক বাছতে ৰাতিপুৱাই গৈ, ঘাইঘৰত খোৱা-লোৱা কৰি ভাগৰ মাৰি আবেলিলৈ, ওচৰৰে কোনোবা ফুকলীয়া ল'ৰাৰ বাইকত উঠি সভাস্থলী পামগৈ। মুঠ কথা ফোনটো পোৱাৰ লগে লগে ভালে কেইটা সিদ্ধান্ত একেকোবতে হৈ গ'ল। কিন্তু চিঠিখন নোপোৱাগুণে মুকলি সভাৰ সভাপতি, আন আন আলহীৰ বিষয়ে একো গম নাপালো। গম পালে ভাল আছিল; কাৰণ তেৰাসৱৰ লগত মোৰ ভাষণটোৰ এটা নিৰ্দিষ্ট সম্পৰ্ক আছে। অন্ততঃ তেওঁলোকৰ বিষয়ে জনা হ'লে ভাষণটোৰ বাবে মানসিকভাবে প্ৰস্তুত হব পাৰিলোহেঁতেন। নিৰ্দিষ্ট বক্তাৰ ভাষণ— এলা পেচা কথা নহয়। দেখা যাব।

দেওবাৰ। মুকলি সভাৰ দিন। শেষ ৰাতিতেই উঠি প্ৰাতঃ কৃত্যাদি সমাপন কৰি, ছয়মান বজাত শ্ৰীমতীক মাতিলো, এৰা মই যাবলৈ সাজু হলো। শ্ৰীমতীয়ে টোপনিৰ পৰা খপোজপোকৈ উঠি, কোনোমতে চাহ একাপ কৰি দিলে। চাহকাপ খাই বাবু-মাইনাক বিচনাতে মাত লগাই, পূৰ্ব পৰিকল্পিত আঁচনি অনুসৰি দিনৰ বাৰ বজামানত ঘাইঘৰ পালো। মই তেনেকৈ গৈ পোৱাত ঘৰৰ সকলো আচৰিত হ'ল। অলপ ভাগৰ মাৰি সকলো কথা বেকত কৰাত সকলোটিয়ে মনত বৰ ৰং পালে। মই ঘৰত মিটিঙৰ কিবা চিঠি দিছিল নেকি—সোধাত- কোনেও একো চিঠি দিয়া নাই বুলি জনালে। মনটো অলপ সেমেকিল। চিঠিখন আগতীয়াকৈ দেখা পালে নিশ্চয় ভাল আছিল। উদ্যোক্তাসকলে হয়তো কোনোবা ফুকলীয়া ল'ৰাৰ হাতত চিঠি এখন দিছিল চাগে; সি হয়তো লংপেণ্টৰ মোনাত সোমাই থৈ পাহৰিলে। হয়তো দুদিন পিছতে সেই লংপেণ্টটো চাৰ্ফ মিহলোৱা পানীত তিয়াই থৈ ধুই দিলে, খচি খচি ধোওঁতে পকেটখন উখহি থকা দেখি হাত ভৰাই কাগজৰ লাডুটো দেখা পাই তাৰ পূৰ্বস্মৃতি জাগৃত হ'ল চাগৈ। যদি আমি ভবাৰ দৰেই সঁচা হয় তেন্তে সি বেচেৰা নিৰুপায়। যা হওঁক আহিছো যেতিয়া চিঠিখন গুৰুত্বপূৰ্ণ কথা নহয়। মুঠ কথা দিনৰ আঢ়ৈ বজাত সভাস্থলী পালো।

তিনিবজাত মুকলি অধিবেশন; আঢ়ৈ বজালৈ জনশূন্য। মাইক্ৰফোন চাউণ্ডচিচটেমৰ দুজনমানুহে টুক-টাক কিবা কৰি আছে। কাৰ্যালয়টোৰ সন্মুখত কিবা খোৱা বস্তুৰ সন্ধানত দুটামান ঢেকুৰা কুকুৰে ইফাল-সিফাল কৰি আছে। মই বৰ অকলশৰীয়া অনুভৱ কৰিলো। অৱশ্যে বেছি সময় নহয়। দহ মিনিটমান পিছত দুই-এজন কৰ্ম-কৰ্তা আহিল। আহিলেও কি হ'ব মোক চিনি নাপায়; অৰ্থাৎ সিদিনা ৰাতি যোৱা কেইটিৰ মাজৰ এওলোক নহয়। ময়ো ইফাল-সিফাল কৰি থাকিলো। পুৱাপুৰি তিনিবজাত সিদিনা ৰাতি যোৱা উদ্যোক্তাৰ লগত দেখা-দেখি হ'ল। তেওঁলোকে অৱশ্যে মোৰ পিছৰ পৰিচৰ্যাখিনি ঠিকেই কৰিলে। কেৱল মিটিঙখনহে তিনিবজাৰ সলনি পাঁচবজামানতহে আৰম্ভ হ'ব বুলি জনালে। কাৰণ স্থানীয় বিধায়কে আৰু দুখন মিটিং কৰিহে এইখন মিটিঙলৈ আহিব। দুঘন্টা সময়। এনেয়ে কটাব লগা হোৱা বাবে মনতে বেজাৰ পালো। আগেয়ে জনা হ'লে ওচৰতে থকা দুই-এটি চিনাকি পৰিয়ালত মাত লগায়ে আহিব পাৰিলোহেঁতেন। এনেতে উদ্যোক্তা এজনে আগদিনাখন উন্মোচিত হোৱা স্মৃতিগ্ৰন্থৰ কপি হাতত তুলি দিলে। ভালেই পালো। পালে কি হ'ব? বত্ৰিশ পৃষ্ঠাৰ



MOHAN LAL CHOUDHURY LIBRARY :
Library :

স্মৃতিগ্ৰন্থৰ বিশ পৃষ্ঠাই হৈছে দাতা, দানৰ পৰিমাণ আৰু ঠিকনাৰ তালিকা, মোৰ নামটোও আছে। আৰম্ভণিৰ আঠ পৃষ্ঠা শুভেচ্ছাবাণী; এনে শুভেচ্ছাবাণী প্ৰদান কৰিছে স্থানীয় বিধায়কৰ পৰা আৰম্ভ কৰি সমবায় সমিতিৰ সচিবলৈকে। বাকী থাকিল আঠ পৃষ্ঠা; চকু ফুৰালো। উপায় নাপাই দাতাসকলৰ তালিকাখন উধাই-মুধাই পঢ়িলো। চাৰি বাজিল। সভাস্থলীত দুই এককৈ মানুহ গোট খাব ধৰিলে। হঠাৎ মিটিঙৰ চিঠিখনলৈ এবাৰ মনত পৰিছিল; কিন্তু পিছমুহূৰ্ত্ততে কিবা ভাবি সেইখনৰ কথা পাহৰিলো। কিবা মানে? তাতে বা আকৌ কি ওলায়, সেই বুলিয়েই পাহৰিলো। ভাবোতে-গুণোতে পাঁচ বাজো বাজো। কোনোবা এজনে আহি ক'লে— 'মিটিং আৰম্ভ কৰ যদি কৰ, জুবিনক কিন্তু সাতবজাত মঞ্চ এৰি দিব লাগিব।' এনে সাৱধান বাণী শুনি, দুই এজনে— দৌৰা ঢপৰা লগালে। মোৰ মনটো অকণমান ফৰকাল লাগিল। সেই মুহূৰ্তত কাৰ্যালয়ৰ ভিতৰত মই বহুত মানুহকে লগ পালো। কিছুমান চিনাকি কিছুমান অচিনাকি। কথা বতৰা পতাৰ চেষ্টা কৰো কিন্তু সহাঁৰি আশাব্যঞ্জক নহয়। 'আহিল', 'আহিল', 'এম-এল-এ আহিল' ল'ৰা ঢপৰা লাগিল। অবলোকন কৰি দেখো। এম.এল.এ গাড়ীৰ পৰা নামিল। নমাৰ লগে লগে আগৰে পৰা, সভাস্থলীত বহি থকা লোকৰ সৰহভাগে এম.এল.এ ক আগুৰি ধৰিলে। উদ্যোক্তাসকলে কাৰ্যালয়লৈ আনিবলৈ আপ্ৰাণ চেষ্টা কৰিও পৰা নাই। এনেতে এজন উদ্যোক্তাই আমাক সকলোকে কাৰ্যালয়ৰ পৰা সভাস্থলীলৈ আহি অস্থায়ীভাৱে বহাৰ ব্যৱস্থা কৰি দিলে। লগতে বিধায়ক মহোদয়কো একপ্ৰকাৰ আজুৰি আনি তাতেই বহাৰ ব্যৱস্থা কৰি দিলে। উদ্যোক্তাজনে ইয়াতে ক্ষান্ত নহৈ সভা আৰম্ভ কৰিবলৈ, উদ্যোক্তাসকলক কড়া নিৰ্দেশ দিলে। সেইসময়খিনিতে দেখিলো স্থানীয় বিধায়কে, চকীখন ঘূৰাই লৈ চক্ৰসাজিলেই। চাৰে পাঁচবজাত সঁচাকৈয়ে সভা আৰম্ভ হ'ল। এজন এজনকৈ আলহীসকলক মঞ্চত অৱস্থান কৰালে। প্ৰথমে সভাপতি, তাৰ পিছত স্থানীয় বিধায়ক মুখ্য অতিথি, স্থানীয় বি. ডি. অ' বিশিষ্ট অতিথি, আঞ্চলিক পঞ্চায়তৰ সভাপতি সন্মানিত অতিথি, বহুমুখী সমাবায় সমিতিৰ সচিব, আঞ্চলিক ছাত্ৰসন্থাৰ সভাপতি, সম্পাদককে ধৰি তিনিজন আমন্ত্ৰিত অতিথি, মই বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক হলো নিৰ্দিষ্ট বক্তা। সম্বাৰ্ধনা অৱশ্যে উদ্যোক্তাসকলে মঞ্চত বহাৰ লগে লগে দি বৰ ভাল কামকে কৰিছে। পিছত দিয়া হলে নিঃসন্দেহে পয়মাল ঘটিলেহেতেন। মঞ্চত নিৰ্দিষ্ট পদবীৰ মানুহ মুঠ আঠজন। গুণীৰ গুণৰ মোল বুজা উদ্যোক্তাসকলে চাহৰ খৰচ দিয়া, তোৰণৰ দাতা, সাংস্কৃতিক শোভাযাত্ৰাত বুট-মুগৰ খৰছ দিয়া দাতা বুলি আৰু আঠজন মানুহক মঞ্চত বহুৱালে। মঞ্চ পূৰ্ণ। গাদীত বহিবলৈ ঠাই নাই। শেষত অহা কেইজনমানে উপায় নাপায় ত্ৰিপালত বহি গাদীখনত ভৰি দুখন উঠাই থৈয়ে বহিছে। সভাৰ কাৰ্য্যসূচী আৰম্ভ হ'ল। ইতিমধ্যে বিধায়কৰ চেলাচামুণ্ডা বোৰে দুই এটিকৈ মঞ্চত প্ৰৱেশ কৰিলে। বিধায়কৰ লগত দৰ্কাৰী কথা থকা বুলি উদ্যোক্তাসকলক ফাঁকি দি, যি মঞ্চত উঠিল তাৰ পৰা আৰু তেওঁলোক নানামিল। বহাৰ ঠাই নাই, তথাপি তেওঁলোক বিধায়কৰ কাষত আঠু কাঢ়ি বহি ললে। সভাৰ নিত্য নৈমিত্তিক কাৰ্যসূচীবোৰ এক্সপ্ৰেছ চলাদি চলিল। প্ৰট'কল অনুযায়ী মুখ্য অতিথি স্থানীয় বিধায়কৰ ভাষণ আৰম্ভ হ'ল। কথা নোলাওঁতে দৰ্শকৰ হাততালি। সংঘৰ ৰূপালী জয়ন্তীৰ অধিবেশন নে নিৰ্বাচনী প্ৰচাৰ ধৰিব নোৱাৰা অৱস্থা। এনেকৈ বেছি সময় নহয় আধাঘন্টামান বকনি দিলে। শেষত সংঘ-প্ৰাঙ্গণত এখন স্থায়ী ৰংগমঞ্চ সাজিবলৈ পাঁচ লাখ টকা দিয়াৰ প্ৰতিশ্ৰুতিৰে তেওঁৰে সু-ভাষণ (!) শেষ কৰিলে। সুখৰ কথা বিধায়কে ভাষণ দি ক্ষন্তেক সময়ো বিলম্ব নকৰি মঞ্চ ত্যাগ কৰিলে। মঞ্চ ত্যাগ কৰিবলৈ ওলোৱাৰ লগে লগে পুনৰ হাই-উৰুমি আৰম্ভ হ'ল। মঞ্চত আঠুকাঢ়ি থকা সবো হুৰমুৰকৈ মঞ্চৰপৰা নামি গ'ল। দুখন কথা যাওঁতে হেতা ওপৰা লগাই তাৰে কোনোবাজনে মোৰ ভৰিখন বেয়াকৈ গচকি গ'ল। কষ্টতে হেৰি কি কৰে বুলি একপ্ৰকাৰ চিঞৰিয়েই দিলো। কাষৰ অতিথিসকলৰ এজনে মোৰ ফালে এবাৰ ঘূৰি চাই 'কাণ্ড-জ্ঞান নোহোৱা মানুহ এই চব' বুলি ভোৰ ভোৰালে মাত্ৰ। বিধায়কে সভাস্থলী ত্যাগ কৰাৰ লগে লগে সভাস্থলীত ঘেচেৰা ল'ৰা ছোৱালীমখা বাদ দিলে খুউব বেছি ত্ৰিশটাহে মানুহ হ'ব। মই হিচাপ কৰিলো— চাৰে ছয় বাজিল, প্ৰট'কল অনুসৰি মোৰ আগত ভাষণ দিব আছে ছয়জন মানুহে। জুবিনক আকৌ সাতবজাত মঞ্চ খালী কৰি দিব লাগিব। ইতিমধ্যে বিশিষ্ট অতিথি স্থানীয় বি ডি অ' দেৱে তেওঁৰ লিখিত ভাষণ পঢ়ি আছে। তাকে দেখি



MOHAN LAL CHOUDHURY LIBRARY :

আমন্ত্রিত অতিথি মণ্ডলীয়ে উচপিচাই আছে। এজনে সভাপতিৰ কাণে কাণে ভাষণ চমু কৰিবলৈ শ্লিপ লিখি দিবলৈ পৰামৰ্শ দিলে। সভাপতিজনো একা-চেকা। তেওঁ কোনো হেটকুটে নকৰিলে। যিয়েই নহওঁক বিশিষ্ট অতিথি গৰাকীয়ে মঞ্চৰ প্ৰতিক্ৰিয়া লক্ষ্য কৰি লিখিত ভাষণৰ সমাপ্তি ঘটালে। এইবাৰ সভাপতিয়ে কাৰ্যসূচী অনুসৰি এটি কামৰূপী লোকগীত শুনাই সন্মানিত অতিথিক চমু ভাষণ দিবলৈ অনুৰোধ জনালে। সন্মানিত অতিথি আঞ্চলিক পঞ্চায়তৰ সভাপতি গৰাকীয়ে তেওঁৰ এলেকাত জবকাৰ্ড কোনে কোনে পালে, আবাস গৃহ কিমান বান্ধিলে তাৰ এটি বিৱৰণ দিব ধৰিলে। এই সুযোগতে সভাপতিয়ে আমন্ত্ৰিত অতিথিবৃন্দক ওচৰলৈ মাতি নি যিহেতু চাৰে সাত বাজো বাজো সেয়ে তিনিজন আমন্ত্ৰিত অতিথিৰ ভিতৰত যিকোনো এজনক চমুকৈ ক'বলৈ অনুৰোধ কৰিব বুলি জনালে। তিনিজনৰ ভিতৰত কোনে ক'ব তাক নিৰূপণ কৰিবলৈ দিলে। তিনিওজনে বোলে— 'মই কম', 'মই কম', 'মই কম',। সভাপতিয়ে সময়ৰ কথাটো বিবেচনা কৰিবলৈ পুনৰ অনুৰোধ জনালে। তেনেতে বহুমুখী সমবায় সমিতিৰ সচিবে বাকী দুজনৰ ওচৰত তেওঁকে এযাৰ ক'ব দিবলৈ অনুৰোধ জনালে। ছাত্ৰ সন্থাৰ সম্পাদকে বোলে—'আপুনি চাউল চোৰ মানুহে মিটিঙত কি ভাষণ দিয়াৰ কথা কয়হে? সভাপতি মহোদয়, ছাত্ৰসন্থাৰ সভাপতিয়ে আমাৰ হৈ এযাৰ ক'ব। মিটিঙৰ সভাপতি কোনোমতে ৰক্ষা পৰিল। সন্মানিত অতিথিৰ ভাষণ শেষ, আমন্ত্ৰিত অতিথিৰ ভাষণো শেষ। শেষ মানে একেবাৰে ত্যাগ। কিযে অদ্ভুত পৰিৱৰ্তন। নিয়ম অনুসৰি এই বাৰ নিৰ্দিষ্ট বক্তা অৰ্থাৎ মোৰ পাল। এনেতে উদ্যোক্তাসকলৰ দুজনমান উঠি আহি সভাপতিৰ কাণে কাণে কিবা ফুচফুচালে। কি ইংগিত দিলে নাজানো, সভাপতিয়ে উঠি গৈ বক্তৃতা দিয়া স্থান পালে, আৰু ক'ব ধৰিলে ..... এইবাৰ সভাৰ কাৰ্যসূচী অনুসৰি নিৰ্দিষ্ট বক্তাৰ ভাষণ আছিল যদিও তাৰ সলনি মই সভাপতিৰ ভাষণে আৰম্ভ কৰিলো। কাৰণ তেখেতৰ ভাষণ নিৰ্দিষ্ট কাৰ্যসূচী অনুসৰি দিলে, তেখেতে ভাষণ প্ৰদান কৰি মঞ্চ ত্যাগ কৰি গুচি গ'লে মই প্ৰকাণ্ড মঞ্চখনত অকলশৰীয়া হৈ পৰিম। সেয়েময়ে ভাষণ আৰম্ভ কৰিলো। মই জানো সভাস্থলীত এতিয়া বহুত মানুহ, এইসকল মানুহ মোৰ বক্তৃতা শুনা মানুহ নহয়, তেওঁলোকে সাংস্কৃতিক কাৰ্যসূচী, জুবিনক চাব অহা মানুহ; ভয় নাখাব মই ভাষণ দীঘলীয়া নকৰো; ইতিমধ্যে জুবিন গাৰ্গ অহা বুলি উদ্যোক্তাসকলে মোক জনাইছে। কিন্তু মোৰ বেয়া লাগিছে নিৰ্দিষ্ট বক্তা গৰাকীলৈ .........। মই বিবৰ্ণ হৈ পৰিলো। তাৰ মানে মিটিং শেষ হ'ব। সভাত নিৰ্দিষ্ট বক্তাৰ আসন আছে ভাষণ নাই। হৰি হৰি। এই মুখখন ঘৰত কেনেকৈ দেখাম, মিটিঙত একেবাৰে ফালি দিছো বুলিওতো মিছা ক'ব নোৱাৰি। তেন্তে কি গতি হ'ব? সভাপতিয়ে পুনৰ আৰম্ভ কৰিলে— 'তেখেত আমাৰ ওচৰৰে মানুহ; চাকৰিসূত্ৰে গুৱাহাটীত থাকে। বিশ্ববিদ্যালয়ৰ অধ্যাপক। মোৰ দুখ তেখেতৰ দুই-চাৰিটা কথা আমি শুনিব নোৱাৰিলো। খাটাং হ'লো যে মোৰ কথা কোৱাৰ সুযোগ নাই; নিজকে ধিক্কাৰ দিলো— মইনো কি কুক্ষণত ইয়ালৈ আহিছিলো। সভাপতিয়ে পুনৰ আৰম্ভ কৰিলে কাৰ্যসূচীত সমজুৱাৰ ভাষণ আছিল, শলাগৰ শৰাই ইত্যাদি আছিল— এই সকলোবোৰ বাদ দিলো। আলহী-অভ্যাগত সকলে নিজ গুণে দায়-দোষ মৰিষণ কৰিব, এতিয়া সভা ভংগ হ'ল। কিন্তু ৰাইজ, সকলোৰে যথাস্থানত থাকক এতিয়া আমাৰ সাংস্কৃতিক কাৰ্যসূচীৰ মুকলি হ'ব; এই কাৰ্যসূচী মুকলি কৰিব মুকলি সভাৰ নিৰ্দিষ্ট বক্তাদেৰে। মই শ্ৰদ্ধেয় ..... সাংস্কৃতিক কাৰ্যসূচীৰ উদ্বোধনী ভাষণ দিবলৈ অনুৰোধ জনালো।' ❁❁





MOHAN LAL CHOUDHURY LIBRARY :

# ছাত্ৰ সমাজৰ কৰ্তব্যৰ বিষয়ে

❑ চন্দ্ৰ কান্ত দাস

আমাৰ সমাজত অধিকাংশ মানুহৰে জীৱনৰ প্ৰধান উদ্দেশ্য সুস্থিৰ ভাৱে শান্তিৰে বা সন্মানেৰে আৰু স্বাচ্ছন্দৰে জীয়াই থাকিব খোজা বুলি কলে বোধকৰো বেছি ভুল কোৱা নহ'ব। এটা সময়ত জনসংখ্যা অনুযায়ী যথেষ্ট মাটি, বনাঞ্চল আৰু চৰণীয়া পথাৰ বোৰ থকা কাৰণে সাধাৰণতে একোটা পৰিয়ালে কষ্ট কৰিলে দিনবোৰ সুখত কটাব পাৰিছিল। কিন্তু বৰ্ত্তমান সময়ত আমাৰ সমাজত জনসংখ্যাৰ অত্যধিক বৃদ্ধি, মাটি আৰু বনাঞ্চলৰ অভাৱ আৰু তাৰ ফলত সৃষ্টি হোৱা দৰিদ্ৰতা, অপৰাধ, দুৰ্নীতি, সহিষ্ণুতাৰ অভাৱ আৰু নৈতিক স্খলনৰ কাৰণে সমাজত এতিয়া সুস্থিৰতা, শান্তি আৰু কিছু আৰামেৰে জীয়াই থকাৰ সমস্যাটো বহুতৰে বাবে এক প্ৰৱল প্ৰত্যাহবান হিচাপে দেখা দিছে। এনে পৰিস্থিতিত সমাজৰ প্ৰতিজন নেতা, অভিভাৱক, শিক্ষক আৰু প্ৰতিটো অকৃত্ৰিম স্বেচ্ছাসেৱী অনুষ্ঠানৰ লক্ষ্য হোৱা উচিত কেনেকৈ প্ৰতিজন ডাঙৰ হৈ লৰা ছোৱালীক সমাজত ভৱিষ্যতে হব লগা পৰিস্থিতি সম্বন্ধে অহৰহ সজাগ কৰি ৰাখি সেই পৰিস্থিতিৰ মুখামুখি হ'ব পৰাকৈ সাহস, ধৈৰ্য্য আৰু বিক্ৰমেৰে তেওঁলোকক তৈয়াৰ কৰি তোলা। আমাৰ প্ৰত্যেকে নিজকে প্ৰশ্ন কৰিব পাৰে যে আমাৰ নিজ নিজ ঠাই বোৰত এই সম্বন্ধে সজাগতা আৰু সংশ্লিষ্ট যাৱতীয় কৰ্মবোৰ কেনে ধৰণৰ। ডাঙৰ সকল সজাগ হলেহে সৰু বোৰেও সজাগ হ'ব পাৰিব।

অসমত আজি প্ৰয়োজনীয় কৰ্ম সংস্থানৰ অভাৱ হোৱা কাৰণে হাজাৰ হাজাৰ ল'ৰা ছোৱালী অসমৰ পৰা সৰু-সুৰা কাম কৰি জীৱিকা উপাৰ্জন কৰিবলৈ ভাৰতৰ অইন ৰাজ্যবোৰলৈ যাব লগা হৈছে। সৌ সিদিনালৈ অসমৰ খিলঞ্জীয়া লোক সকলে অত্যন্ত দৰ্কাৰ নহলে অসমৰ বাহিৰলৈ জীৱিকা উপাৰ্জনৰ বাবে নগৈছিল কিন্তু এতিয়া পৰিস্থিতিৰ যথেষ্ঠ সলনি হল। অসমত লো, এলুমিনিয়াম, তাম আদি ধাতুৰ আঁকৰৰ অভাৱ, বিদ্যুৎ শক্তিৰ পৰ্য্যাপ্ততাৰ অভাৱ আৰু আন বিভিন্ন কাৰণত অসমত অতি সোনকালে হাজাৰ হাজাৰ যুৱক-যুৱতীয়ে কৰ্মসংস্থান পাব পৰা বহুত উদ্যোগ গঢ়ি উঠিব বুলি আশা কৰিব নোৱাৰি। চৰকাৰী চাকৰি সৃষ্টিৰো এটা সীমা আছে। এনে অৱস্থাত আমাৰ উঠি অহা চামক যদি ভাল কৰ্ম সংস্থান য'তে ত'তে পাব পৰাকৈ আমি গঢ় দিব নোৱাৰো তেনেহলে আমি তেওঁলোক সকলোৰে বাবে ওপৰত কোৱা দৰে এটা সুন্দৰ, উজ্বল আৰু শান্তিপূৰ্ণ জীৱন আশা কৰিব পাৰোনে? এনে পৰিস্থিতিত আমাৰ সকলোৰে কৰ্ত্তব্য কি?

আজি কালি কলেজৰ ছিট আৰু চাকৰিৰ বাবে প্ৰতিযোগিতা ইমান প্ৰৱল আৰু কঠিন হৈছে যে অষ্টম শ্ৰেণীৰ পৰাই ছাত্ৰ এজন অত্যন্ত পৰিশ্ৰমী আৰু নিষ্ঠাপূৰ্ণ নহলে প্ৰতিযোগিতাৰ দৌৰত পাছ পৰাৰ সম্ভাৱনাই বেছি; আৰু তাৰ ফলত সমাজত প্ৰচলিত গ্ৰহণযোগ্য পদ্ধতিৰে জীৱনত কৃতকাৰ্য্যতা লাভ কৰাৰ আশাও কম হব। চুৰি, ডকাইতি, দালালি, দুষ্ট নেতাগিৰি আৰু দুৰ্নীতি পৰায়ণ ব্যৱসায় বা আমোলাগিৰিৰ বাবে ওপৰৰ বাক্যবোৰ প্ৰযোজ্য নহয়। অষ্টম শ্ৰেণীৰ পৰা এম, এ পাছ বা এম.এছ.ছি পাছ কৰা বা উকীল, ডাক্তৰ, ইঞ্জিনিয়াৰ আদি হোৱাৰ বাবে ব্যক্তি আৰু প্ৰাপ্ত সুবিধা অনুযায়ী নৰ পৰা তেৰ বছৰ মানৰ প্ৰয়োজন। অৱশ্যে ডাক্তৰীৰ চুপাৰ স্পেচিয়েলিষ্ট বা বিজ্ঞান আৰু কলাত পি এইচ্. ডি কৰিলে আৰু তিনি চাৰি বছৰৰ প্ৰয়োজন। এইখিনি এই কাৰণে কোৱা হৈছে যে অষ্টম শ্ৰেণীৰ পৰা কোনোবাই যথেষ্ঠ পৰিশ্ৰম আৰু নিষ্ঠাৰে দহ, বাৰ বছৰ মান ভালদৰে পঢ়াশুনা কৰিলে সাধাৰণ অৱস্থাত জীৱনৰ পাছৰ ষাঠি সত্তৰ বছৰ সুখ আৰু শান্তিৰে কটাব পাৰি বুলি আশা কৰাটো নিশ্চয় অস্বাভাৱিক নহয়। এই কথাযাৰ সম্বন্ধে আমি আৰু আমাৰ ছাত্ৰ সমাজ কিমান সজাগ?

লাই বা মূলাৰ গুটি এনেই এবাৰ ছটিয়াই দি গৃহস্থই তাৰ ফালে নাচালেও এসাজ বা দুসাজৰ বাবে অলপ লাই পাত বা মূলাৰ পাত পোৱা যায়। কিন্তু ফুল কবি, গাজৰ আদি খাব খুজিলে



MOHAN LAL CHOUDHURY LIBRARY :
Library :

পুলিবোৰ ৰোৱা দিনৰ পৰা সেইবোৰত সাৰ পানী আদি দি যথেষ্ঠ যত্ন লব লাগে। আমি সেইকাৰণে নিজকে সুধিব লাগে যে আমি নেতা, বিষয়া, অভিভাৱক, শিক্ষক, বুদ্ধিজীৱি, চিন্তাবিদ, সচেতন ব্যক্তি বা সেচ্ছাসেৱী অনুষ্ঠানৰ মুৰব্বী হিচাপে আমি মূলাৰ খেতি কৰি আছো। ফুলকবিৰ খেতি কৰি আছো।

প্ৰতিজন ছাত্ৰ এডাল বৃহৎ গছৰ এটা সৰু গুটিৰ দৰে। এটা সৰু গুটিত এডাল বৃহৎ গছ সৃষ্টি কৰিব পৰা সম্ভাৱনীয়তা বা সুপ্ত শক্তি থাকে। তেনে গুটি এটা ৰাস্তাত দলিয়াই দিলেও ৰাস্তাৰ কাষত বয়স অনুযায়ী কম দীঘল লেৰেলা পৰা গছ এডাল হব পাৰে। কিন্তু সেই একে গুটিটোক এখন বাগিছাত ভালদৰে পুতি তাৰ আলপৈচান ধৰিলে সময়ত এডাল প্ৰকাণ্ড গছৰ সৃষ্টি হ'ব পাৰে। প্ৰতিটো ছাত্ৰ-ছাত্ৰীকে ফুলকবি বা গোলাপ ফুলৰ পুলিৰ দৰে ব্যৱহাৰ কৰাটো চৰকাৰ, অভিভাৱক, শিক্ষক আৰু সংশ্লিষ্ট আন সকলোৰে কৰ্ত্তব্য।

ছাত্ৰ সকলৰ নিজৰ সুন্দৰ ভৱিষ্যতৰ কাৰণে সংশ্লিষ্ট অইন ব্যক্তি আৰু সংগঠনে একো নকৰিলেও ছাত্ৰ সকলে নিজেই তেওঁলোকৰ ভালৰ কাৰণে তলত লিখা কথা বোৰৰ ওপৰত কিছু চিন্তা কৰা উচিত।

জীৱনত কৃতকাৰ্য্যতা লভিবলৈ এটা সুন্দৰ স্বাস্থ্যৰ আৱশ্যকীয়তা কোনেও উলাই কৰিব নোৱাৰে। অসমত স্কুল, কলেজ, অফিছ আদিৰ কাম আৰম্ভ হোৱাৰ কেবা ঘণ্টা আগতেই সূৰ্য্যোদয় হয়। মোৰ বোধেৰে চাৰে চাৰি আৰু চাৰে পাঁচ বজাৰ ভিতৰত অষ্টম মানৰ আৰু উৰ্দ্ধত পঢ়া সকলো ছাত্ৰই শয্যাত্যাগ কৰি উঠি কিছু শাৰীৰিক ব্যায়াম, দৌৰা, কাঠ ফলা, যোগাভ্যাস আদি কৰিলে ছাত্ৰ সকলৰ দেহ আৰু মন দুয়োটাই অধিক শক্তিশালী হৈ উঠিব। ছোৱালী বোৰেও লাজ বা ভয় নকৰি এক গোট হৈ ৰাতিপুৱা দৌৰা বা যোগাভ্যাস কৰাটো তেওঁলোকৰ বাবে মই ভাল বুলি ভাবো। শাৰীৰিক পৰিশ্ৰমে ছাত্ৰ সকলৰ দেহ সুস্থ ৰখাৰ উপৰিও মনতো প্ৰফুল্লতাৰ ভাৱ আনি দিয়ে। ইয়াৰ ফলত মনত কোনো দুশ্চিন্তা বা হতাশাৰ ভাৱ আদি আহিব নোৱাৰে; আৰু জীৱনত কৃতকাৰ্য্যতা লাভৰ বাবে অধিক কাম কৰিবলৈ মনত উৎসাহ পাব। বিশ্ব বিখ্যাত জাতি গ্ৰীক আৰু ৰোমানবোৰৰ শিক্ষা ব্যৱস্থাত শাৰীৰিক কুছ-কাৱাজ এক অতি গুৰুত্বপূৰ্ণ অঙ্গ আছিল। ঠিক তেনেদৰে আছিল কবিতা, সঙ্গীত, দৰ্শন, জ্যামিতি আৰু যুদ্ধ বিদ্ধা। ৰাতিপুৱা দৌৰিবলৈ কেৱল প্ৰয়োজন ইচ্ছা, এজোৰ কাপোৰৰ জোতা, এজোৰ মোজা আৰু প্ৰয়োজনীয় সুবিধাজনক কাপোৰ-কানি।

দিনটো সকলোৰে বাবে চৌবিশ ঘন্টাৰ। বছৰটো সকলোৰে বাবে ৩৬৫ দিনৰ। অবাবত নষ্ট কৰি দিয়া এটা ঘন্টা বা এটা দিন এজন ছাত্ৰই জীৱনত কেতিয়াও ওভতাই নাপায়। সেই কাৰণে প্ৰতিজন ছাত্ৰই এইটো চোৱা উচিত যাতে তেওঁলোকৰ নিজৰ কামত নহা কোনো কাৰ্য্যতে তেওঁলোকৰ বহুমূলীয়া সময় নষ্ট নহয়। ছাত্ৰ জীৱনত নিজৰ স্বাস্থ্য, চৰিত্ৰ আদি ঠিক ৰাখি কঠোৰ শ্ৰমেৰে পঢ়াশুনা কৰা আৰু পৰিয়ালৰ প্ৰয়োজন অনুসৰি ঘৰুৱা কামত সহায় কৰি দিয়াটোৱে ছাত্ৰ সকলৰ প্ৰধান কৰ্ত্তব্য হোৱা উচিত। তাকে নকৰি বিভিন্ন ধৰণৰ অনুষ্ঠান পাতি, অনুষ্ঠান বা ৰাজনৈতিক দলৰ বাবে পইচা তুলি আন্দোলন বা বন্ধ দিয়া আদি কামবোৰ কৰি ফুৰিলে পঢ়াশুনাৰ ভীষণ ক্ষতি হয়, আৰু কিছুমান ক্ষেত্ৰত খুব মেধাৱী ছাত্ৰও পঢ়াশুনাত আশানুৰূপ ভাৱে সফল হব নোৱাৰি পাছৰ জীৱনত বহুত কষ্টৰ সন্মুখীন হ'ব পাৰে। এনে অৱস্থাৰ সন্মুখীন হোৱা কেইজন ছাত্ৰক বাৰু সংশ্লিষ্ট অনুষ্ঠান বা ৰাজনৈতিক দলবোৰে উপযুক্ত কৰ্ম সংস্থান পোৱাত সহায় কৰা ৰাইজে দেখিছে? সেই কাৰণে ছাত্ৰ সকলে ভৱিষ্যতৰ কাৰণে অইন কাৰো ওপৰত আশা নকৰি নিজে নিজৰ ভৰিৰ ওপৰত থিয় হবৰ কাৰণে সকলো ধৰণে চেষ্টা কৰিব লাগে। তাৰ কাৰণে প্ৰয়োজন সদায় কঠোৰ শ্ৰম আৰু নিষ্ঠাৰে বিদ্যা আয়ত্ব কৰা।

কেৱল স্বাস্থ্য, বিদ্যা, ধন আৰু পদবীয়ে এজন আদৰ্শ ব্যক্তি তৈয়াৰ নকৰে। তাৰ বাবে আৰু প্ৰয়োজন সকলোৰে সৈতে ভালদৰে ব্যৱহাৰ কৰা। সকলোৰে প্ৰতি সহিষ্ণুতা আৰু সহায় কৰিব খোজা মনোভাৱ আদি গুণ বোৰ। এইবোৰ গুণৰ গৰাকী একেদিনে হব নোৱাৰি। এইবোৰ গুণৰ অধিকাৰী ছাত্ৰাৱস্থাৰ পৰাই এজন ব্যক্তিয়ে নিজৰ পিতৃ-মাতৃ শিক্ষাগুৰু আৰু জ্যেষ্ঠজনৰ কথাবোৰ মনদি শুনা উচিত। সকলো পিতৃ-মাতৃ, শিক্ষাগুৰু জ্যেষ্ঠজনে ছাত্ৰ সকলৰ সদায় মঙ্গল কামনা কৰে। সেই কাৰণে ছাত্ৰ সকলে ঈশ্বৰক মনাৰ নিচিনাকৈ নিজৰ পিতৃ-মাতৃ অভিভাৱক, শিক্ষাগুৰু আৰু দেশৰ আইনক সদায় মানি চলিব লাগে। ছাত্ৰ



MOHAN LAL CHOUDHURY LIBRARY :
Library :

সমাজৰ মঙ্গল হোৱাত এইবোৰ কাৰ্য্য প্ৰধান সহায়ক। কব নাপায় যদিও এইটো নিশ্চয় পাঠক সকলে দেখিছে যে পিতৃ-মাতৃ, শিক্ষাগুৰুৰ অবাধ্য আৰু তেওঁলোকক উপলুঙা কৰা বহুতৰ অৱস্থা পাহৃত কেনে হয়। কিছুমান বস্তু কোনোবাই প্ৰমাণ কৰি দেখুৱাব নোৱাৰিলেও বিশ্বাস কৰা উচিত। পিতৃ-মাতৃ আৰু শিক্ষাগুৰুক সদায় ভক্তি কৰি চলিলে যে ভাল সেইটোও এনে এটা কথা।

ছাত্ৰ সকলে চাব লাগে যাতে তেওঁলোকে কেতিয়াও ক্লাছ ক্ষতি নকৰে। অৱশ্যে অসুখ আদি বা কিবা ঘৰুৱা অসুবিধা হলে সেইটো সুকীয়া কথা। পাঠকসকলে ভাৰতৰ আটাইতকৈ উন্নত বুলি ভবা পাঁচখন প্ৰদেশৰ কলেজ আৰু স্কুল বোৰত বছৰি নো কিমান দিনকৈ ক্লাছ হয় সেই বিষয়ে খবৰ লৈ নিজৰ স্কুল বা কলেজৰ লগত তাৰ তুলনা কৰিব পাৰে। তাদুপৰি সেই বোৰ ৰাজ্যত প্ৰতি বছৰে ছাত্ৰ একতা সভা, সাংস্কৃতিক অনুষ্ঠান, ৰাজনৈতিক বিষয়ক বন্ধ পালন, পিকনিকত যোৱা আৰু অন্যান্য উৎসৱ অনুষ্ঠান আদিৰ কাৰণে কিমান দিন মানৰ ক্লাছ ক্ষতি হয় সেই বিষয়ে খবৰ লৈ অসমৰ পৰিস্থিতিৰ লগত তুলনা কৰিব পাৰে। এনে ধৰণৰ মেধা সম্পন্ন ছাত্ৰ দুজনৰ এজনে যদি বেছি ক্লাছ কৰে তেওঁ ইজনতকৈ বেছি জানিব বুলি আশা কৰিব পাৰি। আজি অসমৰ নিবনুৱা সমস্যা আৰু কৰ্ম সংস্থানৰ অভাৱৰ ভয়াবহতা দেখি ছাত্ৰ সকলে ভাবি চোৱা উচিত যাতে তেওঁলোকে ক্লাছ ক্ষতি নকৰে আৰু কিবা নুবুজিলে শিক্ষকক যাতে লাজ নকৰি সোধে আকৌ বুজাই দিবলৈ, বিদ্যা শিকাত লাজ কৰিলে নিজৰে লোকচান।

বেছি নম্বৰ পাবলৈ হ'লে পাঠ্য পুথিৰ উপৰিও একোটা বিষয়ৰ ওপৰত থকা কিছুমান বিশ্ববিখ্যাত পাঠ্যপুথিও পঢ়া উচিত। তেনে কিতাপৰ নাম কলেজ বা স্কুলৰ শিক্ষক সকলে দিব পাৰিব। সকলোৰে কাৰণে তেনে সকলো বোৰ কিনা সম্ভৱ নহয় কাৰণে কলেজ আৰু স্কুল কৰ্তৃপক্ষই তেনে কিতাপ বোৰ নিজৰ লাইব্ৰেৰীৰ বাবে কিনিব পাৰে। এনে কামৰ বাবে বিচাৰিলে স্থানীয় সদাশয় লোক সকলে আৰ্থিক সাহায্য নিশ্চয় আগবঢ়াব। বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, ইংৰাজী, অৰ্থনীতি, ৰসায়ন বিদ্যা, পদাৰ্থ বিদ্যা আদি বিষয়ৰ ভাল ভাল কিতাপেৰে লাইব্ৰেৰীবোৰ শুৱনি কৰিলেহে ছাত্ৰ সকলে অধিক জানিবলৈ সুবিধা পাব আৰু আগ্ৰহান্বিত হ'ব।

ভাল নাগৰিক গঢ়াৰ বাবে এনেবোৰ ব্যৱস্থা অতি প্ৰয়োজন। কিন্তু এনেবোৰ বিষয় সম্বন্ধে আমি সকলোৱে কিমান সজাগ। ছাত্ৰ সকলে ভাল কিতাপ পঢ়িবলৈ নাপালে চিনেমা বা সাংস্কৃতিক অনুষ্ঠান আদি নিশ্চয় চাবলৈ বিচাৰিব। নিৰ্দ্ধাৰিত পাঠ্য পুথি আৰু বিভিন্ন বিষয়ৰ ভাল পাঠ্য পুথি বোৰ পঢ়াৰ উপৰিও ছাত্ৰসকলে তলত উল্লেখ কৰা বিষয় কেইটাৰ ওপৰতো যথেষ্ঠ গুৰুত্ব দিয়া উচিত।

ক) এখন ভাল ইংৰাজী সৰ্বভাৰতীয় দৈনিক বাতৰি কাকত আৰু এখন স্থানীয় দৈনিক বাতৰি কাকত পঢ়া।

খ) সদায় দূৰদৰ্শন আৰু বি. বি. চি. বা চি. এন. এন.ৰ বাতৰি শুনা।

গ) এখন বিখ্যাত সৰ্বভাৰতীয় সাপ্তাহিক আৰু নোৱাৰিলে মাসিক আলোচনী পঢ়া। এনেবোৰ আলোচনী, বাতৰি কাকত বা ভাল কিতাপ কিনিবলৈ বহুত পইচা নালাগে।

ঘ) টেলিভিশ্যনত নাচ, গান, চিনেমা বা অদৰ্কাৰী বাতৰিবোৰ নাচাই সেইখিনি সময় ছাত্ৰ সকলে নিজৰ পাঠ্যপুথি বা অইন ভাল কিতাপ পঢ়িব লাগে। আগতেই কোৱা হৈছে যে আজিৰ এঘন্টা সময়ো নষ্ট কৰিলে সেই ঘন্টা সময় আৰু কেতিয়াও পোৱা নাযাব।

ঙ) আমাৰ দেশত চাকৰি আদি পোৱাত আৰু নিজৰ আত্মবিশ্বাস বঢ়োৱাত মোৰ বোধেৰে ইংৰাজী ভাষাৰ জ্ঞানে যি কোনো লোককে বহুত সহায় কৰে। সেই কাৰণে ছাত্ৰ ছাত্ৰী সকলে কোনো লাজ নকৰাকৈ নিজৰ মাজত স্কুল কলেজত ইংৰাজীতে কথা পতাৰ অভ্যাস কৰা উচিত। এই ক্ষেত্ৰত বোধকৰো অভিভাৱক আৰু শিক্ষক সকলেও উৎসাহ দিলে ভাল হব।

চ) আজিৰ যুগত যিহেতু কম্পিউটাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে সকলোৱে জ্ঞাত সেই কাৰণে পঢ়াশুনাত সহায়ক হোৱাকৈ কম্পিউটাৰ ব্যৱহাৰ কৰাটো সকলো ছাত্ৰৰ বাবে একান্ত দৰ্কাৰী। ইয়াৰ যোগেদি নিজৰ পাঠ কৰিব লগীয়া বিষয় সমূহৰ বাবেও বহুত কথা জানিব পাৰি।

ছ) নিজৰ ঘৰ, সমাজ, প্ৰদেশ, দেশ আৰু বিশ্বৰ বিভিন্ন ক্ষেত্ৰত আজি কি কি হৈ আছে সেই বিষয়ে সকলো ছাত্ৰই কিছু পৰিমাণে সজাগ হৈ থকা উচিত। এনেবোৰ কথাই এজন ছাত্ৰক



MOHAN LAL CHOUDHURY LIBRARY :

সময়ত এজন আদর্শ নাগৰিক হোৱাত বহুত সহায় কৰে।

জ) নিজৰ শ্ৰেণীত পঢ়িব লগীয়া বিষয় নহলেও সকলো ছাত্ৰই বুৰঞ্জী, ৰাজনৈতিক বিজ্ঞান, ভাৰতৰ সংবিধান, অৰ্থশাস্ত্ৰ, ব্যাকৰণ আৰু কিছু ধৰ্ম গ্ৰন্থ পঢ়া উচিত। এইবোৰ জ্ঞানে পৃথিৱী, সংসাৰ, মানৱ জাতি, জীৱনৰ উদ্দেশ্য, সুখ শান্তিৰে জীয়াই থকাৰ উপায় আদিৰ বিষয়ে যথেষ্ট জ্ঞান দিব পাৰে।

ঝ) প্ৰত্যেক ছাত্ৰই নিজৰ পঢ়া টেবুলত এখন ইংৰাজী আৰু এখন অসমীয়া, বঙালী, বা হিন্দী ভাষাৰ অভিধান ৰখা উচিত যাতে যেতিয়াই প্ৰয়োজন হয় যিকোনো শব্দৰ অৰ্থ লগে লগে ভালদৰে বুজি পাব পাৰে।

ঞ) নিজৰ সামৰ্থ, ইচ্ছা আৰু সুবিধা অনুযায়ী এজন ছাত্ৰই ভৱিষ্যতে কি হবলৈ বা কি কৰিব বিচাৰে সেই বিষয়ে এটা সিদ্ধান্ত কৰি লৈ সেই লক্ষ্যত উপনীত হবলৈ অন্য সকলো অদৰকাৰী কথা আৰু বস্তু আওকাণ কৰি কঠোৰ পৰিশ্ৰম কৰি আগবাঢ়ি যাব লাগে। এনেবোৰ কাৰ্য্যৰ বিকল্প নাই লক্ষ্যত উপনীত হোৱাৰ বাবে।

আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, ফিনলেণ্ড, জাৰ্মানী, ফ্ৰান্স, দক্ষিণ কোৰিয়া আৰু জাপান আদি দেশৰ শিক্ষা ব্যৱস্থা সাধাৰণতে পৃথিৱীত সৰ্বোত্তম বুলি জনা যায়। ইয়াৰে জাপান আৰু দক্ষিণ কোৰিয়াত কিছুমান ছাত্ৰই দিনে বিদ্যালয়ত পঢ়াৰ উপৰিও বহুত ঘন্টাকৈ নিজে পঢ়ে। আমেৰিকা যুক্তৰাষ্ট্ৰত ছাত্ৰবোৰৰ সঘনাই পৰীক্ষা লোৱা হয় যাতে ছাত্ৰ সকলে নিয়মিত ভাৱে পঢ়ে। ইংলেণ্ডত বিদ্যালয় সমূহৰ পৰিকাঠামো আৰু বিদ্যালয় পৰিদৰ্শনত বহুত গুৰুত্ব দিয়া হয়। ফিনলেণ্ডত শিক্ষক সকলক খুব ভাল দৰমহা দিয়া হয় যাতে ভাল ছাত্ৰবোৰে পঢ়া শেষ কৰি শিক্ষক হবলৈ আহে। আমাৰ ছাত্ৰ সকল আৰু দেশৰ ভৱিষ্যতৰ কাৰণে আমি সকলোৱে এইবোৰ কথা বিচাৰ কৰি যাৱতীয় ব্যৱস্থা লবলৈ একগোট হৈ চৰকাৰক দাবী জনাব লাগে। ❋❋

## প্ৰজ্ঞা

- সেই মানুহজনতকৈ দুৰ্ভগীয়া মানুহ এই পৃথিৱীত নাই যিজনে সকলো কৰাৰ হাবিয়াস কৰে কিন্তু কাৰ্য্য ক্ষেত্ৰত একোকে কৰিব নোৱাৰে বা নকৰে। — ক্লডিয়াছ
- শুদাহাতে আহিছিলো— শুদাহাতে যামগৈ। ভগবানে যি দিছিল সকলোখিনিয়েই কাঢ়ি লৈ যাব, আশীৰ্বাদৰ নামেই ভগবান। — বাইবেল
- (কণ্ঠস্বৰ আৰু মৌনতা) সদায়ে মৌন হৈ থকাজনৰ ওচৰত আমি যিমান নিৰাপদ অনুভৱ কৰো তাতকৈ নিৰাপদ অনুভৱ কৰো মুখৰা জনৰ ওচৰত। — ই এম চিয়ৰণ
- কিতাপ পঢ়াৰ প্ৰতি অনুৰাগ হলেই যে প্ৰকৃত শিক্ষাৰ বাট মুকলি হয় এনে নহয়, বৰং ই জ্ঞান অৰ্জনৰ বাটত সময়ে সময়ে প্ৰতিবন্ধকতাৰ সৃষ্টিহে কৰে। — লৰ্ড এভাৰ বেৰী
- নিজৰ বিষয়ে ভবাটো স্বাৰ্থপৰতা নহয়। নিজৰ বিষয়ে নভবা জনে প্ৰকৃততে একোকেই নাভাবে। — অস্কাৰ ওৱাইল্ড
- জীৱনত ভাল-বেয়া দুয়োটাই আছে। বেয়াটো ত্যাগ কৰি ভালটো গ্ৰহণ কৰিলেই শিক্ষাৰ পথ সুগম হয়। — ভল্টেয়াৰ
- যুদ্ধ এনে ধ্বংসাত্মক কাৰ্য্য যে যিয়ে যুদ্ধ কৰে সি বিবেকক বিসৰ্জন দিয়ে। — লিও টলষ্টয়



MOHAN LAL CHOUDHURY LIBRARY :

Library :

# শস্যমালাৰ গান

❒ মনহৰি বায়ন

মই তোৰ বাবে হ'ব খুজিছিলো
এডৰা ধাননি
সেউজীয়াৰ পাৰ হালধীয়া হৈ
ঐশ্বৰ্যত মাৰ যোৱা

বসন্তৰ বা লৈ
তোৰ চোতালৰ পৰাই জুৰিব খুজিছিলো
এফাঁকি বিহুগীত
চঞ্চল হওঁক বুলি শস্যভূমি

কলিজাটো পথাৰতে এৰি
পিতাৰাই হেনো জ্বলাইছিল চাকি
জপনা মুখত
সেই পোহৰতে তোক চিনিছিলো
আৰু শিপাইছিলো আঙুলিৰ ঠাৰে ঠাৰে

তোৰ পৰশেৰে ৰঙীন হ'ব খুজিছো
শিমলু ফুলৰ দৰে

কোনে ক'ব
অনাগত বৰষুণত
কঢ়িয়াব পাৰিমনে
তোৰ সেই সোণালী ভৱিষ্যত।❁



MOHAN LAL CHOUDHURY LIBRARY :



# প্ৰবন্ধ শৰাই



MOHAN LAL CHOUDHURY LIBRARY :

Library :

# অসমীয়া সাহিত্যৰ গৌৰৱ ঃ লক্ষ্মীনাথ বেজবৰুৱা



❒ যুথিকা তালুকদাৰ
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ



অসমীয়া সাহিত্যক আধুনিকতাৰ ভেটিৰে সমৃদ্ধ কৰা সাহিত্যিক সকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা অন্যতম। তেওঁ অসমীয়া সাহিত্যৰ ক্ষেত্ৰত প্ৰতিটো দিশতে বিচৰণ কৰি গৈছে অৱলীলাক্ৰমে। প্ৰাচীন আৰু আধুনিক অসমীয়া সাহিত্যৰ সকলো দিশৰ ওপৰত সমান অধিকাৰ প্ৰতিষ্ঠা কৰি বেজবৰুৱা অসমীয়া ভাষা সাহিত্যৰ মুকুটবিহীন সম্ৰাট স্বৰূপ হৈ পৰিছিল। তেওঁৰ ৰচনাৰাজিৰ উদ্দেশ্যই আছিল অসমৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে অসমীয়া লোকক গভীৰ স্বদেশ প্ৰেমেৰে উদ্বুদ্ধ কৰা। সেয়েহে প্ৰবাসী জীৱনতো তেওঁ আছিল এজন প্ৰকৃত অসমীয়া।

লক্ষ্মীনাথ বেজবৰুৱাই শৈশৱৰ পৰাই এক বৈষ্ণৱীয় পৰিবেশত ডাঙৰ দীঘল হৈছিল। এইকথা 'মোৰ জীৱন সোঁৱৰণ'ত তেওঁ উল্লেখ কৰিছে। শঙ্কৰী বা ধ্ৰুপদী সাহিত্যৰ গভীৰ প্ৰভাৱ তেওঁৰ জীৱনত পৰিছিল। তদুপৰি অসমৰ জনসাধাৰণৰ লগত তেওঁৰ নিবিড় সম্পৰ্ক ঘটিছিল। দেউতাকৰ চাকৰিৰ বদলিৰ কাৰণে তেওঁলোকে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যাব লগা হৈছিল। এইদৰে অসমৰ প্ৰকৃতি আৰু জনজীৱনৰ লগত তেওঁৰ সম্পৰ্ক গভীৰ হৈছিল। বিশাল ব্ৰহ্মপুত্ৰৰ দুইপাৰৰ সহজ সৰল গাঁৱলীয়া লোকৰ জীৱন সংগ্ৰাম, নাম কীৰ্ত্তন, বিহুনাম, বিয়ানাম, আইনাম গাঁৱৰ তিৰোতাৰ কষ্টকৰ জীৱন, অল্পবিদ্যাৰে জ্ঞানী হ'ব খোজা লোকৰ কথাই তেওঁৰ মন ভৰাই তুলিছিল আৰু পিছৰ কালত এই বোৰেই তেওঁৰ সাহিত্যৰ বিষয়বস্তু হৈছিল।

আমাৰ লোকসাহিত্যৰ প্ৰতিও বেজবৰুৱা আকৰ্ষিত হৈছিল। সাধুকথা লোকসাহিত্যৰ এক অন্যতম অংগ। সাধুকথা মানে সজকথা বা উপদেশৰ বাক্য বুলি অসমীয়া সমাজত প্ৰচলিত। প্ৰাক বেজবৰুৱা কালত ভাৰতৰ প্ৰান্তীয় ভাষাত ভালেমান সাধুকথাৰ সংকলন প্ৰকাশ পাইছিল। তাৰ ভিতৰত বাংলাভাষাৰ সাধুকথা পুথিৰ লগত বেজবৰুৱাৰ পৰিচয় আছিল। ইয়াৰে দক্ষিণাৰঞ্জন মিত্ৰ মজুমদাৰৰ 'ঠাকুৰ মাৰ ঝুলি' আৰু উপেন্দ্ৰ কিশোৰ ৰায়চৌধুৰীৰ 'টুনটুনিৰ বই' বিশেষভাবে উল্লেখযোগ্য।

লক্ষ্মীনাথ বেজবৰুৱাই ১৮৮৩ শকৰ কাতি মাহ বা ১৯১১ খ্ৰীষ্টাব্দ 'বুঢ়ী আইৰ সাধু'ৰ প্ৰথম প্ৰকাশ কৰা বুলি ইয়াৰ পাতনিত উল্লেখ কৰিছে। তেওঁ বুঢ়ী আইৰ সাধুৰ সাধুকথাবোৰ একাধিক ব্যক্তিৰ পৰা সংগ্ৰহ কৰা বুলি উল্লেখ কৰিছে। সেইব্যক্তিসকল হ'ল শ্ৰীভ্ৰমৰচন্দ্ৰ শইকীয়া, শ্ৰীমহীচন্দ্ৰ বৰা, শ্ৰীসীতানাথ শৰ্মা, শ্ৰীসৰ্বেশ্বৰ শৰ্মা কটকী, শ্ৰীৰোমেশ্বৰ শৰ্মা, শ্ৰীপদ্মধৰ চলিহা, শ্ৰীৰত্নকান্ত শৰ্মা, শ্ৰী হলধৰ ভূএগ, শ্ৰীগোলোক চন্দ্ৰ শৰ্মা, শ্ৰীমেঘনাথ ডেকা, শ্ৰীৰূপচন্দ্ৰ বৰুৱা, শ্ৰীদীননাথ মেধি, শ্ৰীলোকনাথ দাস, শ্ৰীগোবিন্দ চন্দ্ৰ চৌধুৰী, শ্ৰীদীনেশ্বৰ দত্ত।

বেজবৰুৱাই বঙলা সাহিত্য সংস্কৃতি অধ্যয়ন কৰাৰ পিছত প্ৰভাৱশালী বঙলা সাহিত্যৰ লগত অসমীয়া সাহিত্যক তুলনা কৰি তেওঁ অসমীয়া সাহিত্যৰ নিঃকিন ৰূপটো মনৰ চকুৰে দেখা পাইছিল। তেতিয়াই তেওঁৰ মনত জাতীয়তাভাৱৰ উদয় হ'ল



MOHAN LAL CHOUDHURY LIBRARY :

আৰু নিজৰ মাতৃভূমিৰ হকে কিবা কৰিবলৈ তেওঁৰ মনত তীব্ৰ তাড়না অনুভৱ কৰিলে। তেওঁৰ এই আন্তৰিক একাগ্ৰতাৰ সহযাত্ৰী হ'ল চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী। এই ত্ৰিমূৰ্তিৰ একান্ত সহযোগত ১৮৮৮ চনত জন্ম হ'ল 'অসমীয়া ভাষাৰ উন্নতি সাধনী সভা'ৰ আৰু ১৮৮৯ চনত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত 'জোনাকী'। এই জোনাকী কাকতৰ মাজেৰেই অসমীয়া সাহিত্যত ৰোমান্টিকতাৰ উন্মেষ ঘটিছিল। ইংৰাজী ৰোমান্টিক কবিতাৰ আবেদন বেজবৰুৱাৰ ওপৰত পৰিছিল আৰু ইয়াৰ প্ৰভাৱতে তেওঁ অসমীয়া ভাষাত ৰোমান্টিক কবিতা ৰচনা কৰিছিল। ইংৰাজী কবিতাৰ সৰল গ্ৰাম্যজীৱন আৰু অতীত প্ৰীতিয়ে বেজবৰুৱাক অসমৰ অতীতৰ কথা মনত পেলাই দিছিল আৰু অসমীয়া কবিতা লিখিবলৈ অনুপ্ৰাণিত কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যৰ এক বিপুল অংশ হাস্যৰসাত্মক। এফালে ৰোমান্টিক কবি আনফালে তত্বকথাৰ সৃষ্টিকাৰী বেজবৰুৱা আৰু হাস্যৰসাত্মক সৃষ্টি কাৰী বেজবৰুৱাক এজন মানুহ যেন নালাগে। অৱশ্যে এই হাস্যৰসৰ মাজেৰেই তেওঁ অসমীয়া সমাজৰ দোষগুণবোৰ আঙুলিয়াইছিল। প্ৰকৃততে গভীৰ চিন্তাশীল লিখকেহে সাৰ্থক হাস্যৰস সৃষ্টি কৰিব পাৰে। এই হাস্যৰসৰ উদ্দেশ্য সমাজক শুদ্ধ কৰা। লক্ষ্মীনাথ বেজবৰুৱাৰ তত্বকথাৰ উদ্দেশ্য হ'ল অসমীয়া সমাজৰ মূলভিত্তি বৈষ্ণৱ সাহিত্য আৰু চিন্তাৰ দ্বাৰা অসমীয়া সমাজক উদ্বুদ্ধ কৰা।

কলিকতাৰ কলেজত পঢ়ি থকা কালত তেওঁৰ মনত যি বাসনা জাগিছিল তাৰ পৰিণতিত তেওঁ নোমল, জয়মতী কুঁৱৰী আদি কেবাখনো নাটক লিখিছিল। বেজবৰুৱাই পুৰণি মালিতাৰ আৰ্হিত অসমীয়া ভাষাত ধনবৰ ৰতনী, ৰতনীৰ বেজাৰ আদি মালিতা ৰচনা কৰে। তদুপৰি বাংলাসাহিত্যৰ চুটিগল্পত ৰবীন্দ্ৰ নাথৰ যিস্থান বেজবৰুৱাই তেনেস্থান অধিকাৰ কৰিলে অসমীয়া চুটিগল্পৰ ক্ষেত্ৰত। 'কন্যা' চুটিগল্পৰে তেওঁ অসমীয়া চুটিগল্পৰ আৰম্ভণি কৰিছিল। সৰ্বোপৰি সমকালীন অসমীয়া সমাজৰ সংস্কাৰ সাধন কৰিবলৈ তেওঁ আমাক দিছে কৃপাবৰী ৰচনা। এইবোৰৰ উপৰিও তেওঁ উপন্যাসো ৰচনা কৰিছিল।

এই বিৰল প্ৰতিভাধৰ ব্যক্তিগৰাকীৰ ৰচনাৰ শ্ৰেষ্ঠত্ব 'মোৰ জীৱন সোঁৱৰণ' নামৰ নিজৰ জীৱনীখনহে। এই গ্ৰন্থখন অসমীয়া সাহিত্যৰ ইতিহাসৰ এখন উল্লেখযোগ্য গ্ৰন্থ। পণ্ডিত সুনীতিকুমাৰ চট্টোপাধ্যায়ে বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' ক ভাৰতীয় সাহিত্যৰ মনোৰম গ্ৰন্থবোৰৰ মাজৰ এখন বুলি কৈছে।

সাংবাদিক হিচাপেও লক্ষ্মীনাথ বেজবৰুৱা অতুলনীয়। স্বদেশৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে তেওঁ সাংবাদিকতা কৰিছিল। পদ্মনাথ গোহাঞি বৰুৱাৰ 'উষা' আলোচনীত বেজবৰুৱাই 'এংলো ইণ্ডিয়ান' নামৰ প্ৰবন্ধ এটা লিখিছিল। ইয়াৰ কাৰণে শাসক ইংৰাজবিলাকে 'উষা' আলোচনীৰ প্ৰকাশ বন্ধ কৰি দিছিল। 'উষা' বন্ধ হৈ থকা কালতে ১৯০৯ চনত বেজবৰুৱাই কলিকতাৰ পৰা বাঁহী আলোচনী প্ৰকাশ কৰে। বাঁহী আছিল অসমৰ বিবেকস্বৰূপ।

প্ৰকৃতাৰ্থত কবলৈ হলে মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱৰ পিছতেই লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা সাহিত্যক এক গতিশীল ৰূপ দিছিল। যাৰফলত অসমীয়া সাহিত্যৰ সৌৰভ বিয়পি পৰিছিল। তেওঁ ৰোমান্টিকতাৰ উন্মেষ ঘটাই অসমীয়া সাহিত্যত এক নবযুগৰ সূচনা কৰিছিল। ❋❋

প্ৰসঙ্গপুথিঃ

লক্ষ্মীনাথ বেজবৰুৱা ৰচনাৱলী

বুঢ়ী আইৰ সাধু

গৰীয়সী, ষষ্ঠ বছৰ, দ্বিতীয় সংখ্যা, নৱেম্বৰ—১৯৯৮

গৰীয়সী, সপ্তম বছৰ, চতুৰ্থ সংখ্যা, জানুৱাৰী— ২০০০

গৰীয়সী, অষ্টম বছৰ, অষ্টম সংখ্যা, মে—২০০১

গৰীয়সী, নৱম বছৰ, ষষ্ঠ সংখ্যা, মাৰ্চ—২০০২

গৰীয়সী, ডিচেম্বৰ—২০১১



MOHAN LAL CHOUDHURY LIBRARY :

Library :

আৰু তেওঁৰ ৰচিত একমাত্র পৌৰাণিক নাটক বাণৰজা (১৯৩২), সৰ্বশেষত প্ৰকাশ হয়। তেওঁৰ ৰচিত অসমীয়া গদ্য ৰচনাৰ মাইলস্তম্ভ স্বৰূপ তেওঁৰ প্ৰসিদ্ধ গ্ৰন্থ 'শ্ৰীকৃষ্ণ' তিনিটা খণ্ডত বিভক্ত হৈ ভাটি বয়সত প্ৰকাশ পায়। ইয়াৰ পিছতেই শ্ৰীকৃষ্ণস্বৰূপ 'গীতাসাৰ' (১৯৩৫) ৰচনা কৰি প্ৰকাশ কৰে। তেওঁৰ ৰচিত জীৱন-সোঁৱৰণ জন্ম শতবাৰ্ষিকী উৎসৱ উপলক্ষে ১৯১৭ চনত প্ৰকাশ কৰে। ১৯৩৩ চনত তেওঁ 'ৰায় বাহাদুৰ' উপাধি লয়।

সাধাৰণতে পদ্মনাথ গোহাঞি বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ পৰাই বিংশ শতাব্দীৰ নাট্য সাহিত্যৰ আৰম্ভণি হৈছে বুলিব পাৰি। তেওঁলোকে ৰচনা কৰা সৰহভাগ নাটকেই বিংশ শতাব্দীৰ। পদ্মনাথ গোহাঞি বৰুৱা ৰচিত 'গাঁওবুঢ়া' আৰু 'টেটোন তামুলী' প্ৰহসন হিচাপে এক সাৰ্থক ৰচনা বুলি ক'ব পাৰি। নিভাঁজ হাস্যৰস, টাইপ চৰিত্ৰৰ সৃষ্টি, গাঁৱলীয়া জীৱনৰ নিখুঁত পৰিৱেশ ৰচনাত গোহাঞি বৰুৱাই এক স্বকীয় দক্ষতা প্ৰদৰ্শন কৰিছে। সংস্কাৰধৰ্মী মনোভাৱে 'ভূত নে ভ্ৰম' নাটকৰ স্বাভাৱিকতা নষ্ট কৰিছে। তেওঁৰ ৰচিত বুৰঞ্জীমূলক নাটক কেইখনত বিষয়বস্তুৰ বিকাশত মৌলিকতা লক্ষ্য কৰা নাযায়, ঐতিহাসিক ঘটনাৰেই নাটকীয় ৰূপান্তৰ বুলিব পাৰি। 'সাধনী' আৰু 'জয়মতী' ট্ৰেজিক নাটক। তেওঁৰ ৰচিত বিভিন্ন নাটসমূহৰ ভিতৰত 'জয়মতী'য়েই শ্ৰেষ্ঠ নাট। নাট্যকাৰৰ কাল্পনিক উপবস্তুৰ সংস্থাপনে নাট কেইখনৰ বিষয়বস্তুত বৈচিত্ৰ্য দান কৰিছে। দীঘলীয়া বৰ্ণনা বা কবিত্বপূৰ্ণ স্বগতোক্তি তেওঁৰ ৰচনাৱলীৰ উল্লেখযোগ্য বিশেষত্ব।

ছাত্ৰসকলৰ সুবিধাৰ্থে গোহঞি বৰুৱাদেৱে বিভিন্ন নীতি-শিক্ষামূলক পাঠ্যপুথিও ৰচনা কৰিছিল। গোহাঞিবৰুৱাদেৱে অসমীয়া ভাষাত এখন বৃহৎ 'অসমৰ বুৰঞ্জী' প্ৰণয়ন কৰি প্ৰকাশ কৰিছিল। অসমীয়া আলোচনীৰ ইতিহাসলৈও তেওঁৰ বৰঙণি আছিল অতুলনীয়। 'বিজুলী'ৰ পাছত তেওঁ সৰু বাতৰি কাকতো বহু বছৰ জুৰি ভিন্ন বাধা-বিঘিনিৰ মাজেৰে প্ৰকাশ কৰে। মুঠতে অসমীয়া সাহিত্যৰ সকলো বিভাগতে তেওঁ পৰিপুষ্টি প্ৰদান কৰিছে। গোহাঞিবৰুৱাৰ প্ৰধানকৈ দুখন কবিতা পুথি উল্লেখযোগ্য 'লীলাকাব্য' আৰু 'জুৰণি'।

ঐকান্তিক সাহিত্য নিষ্ঠা আৰু ভাষাজননীৰ প্ৰতি গভীৰ প্ৰীতিয়েই গোহাঞি বৰুৱাৰ ৰচনাৱলীৰ মূল প্ৰেৰণা। গতিকে দেখা যায় পদ্মনাথ গোহাঞিবৰুৱা সতীৰ্থ লক্ষ্মীনাথ বেজবৰুৱাৰ দৰেই অসমীয়া সাহিত্যৰ দৈন্যৰ দিনত একেটা বিষয়তে নিজৰ লেখনিবোৰ আবদ্ধ নাৰাখি সাহিত্যৰ সকলোবোৰ দিশতেই লেখনি প্ৰসাৰণ কৰিছিল। মাতৃভাষাৰ প্ৰতি ঐকান্তিক অনুৰাগ, নিৰ্মল প্ৰচেষ্টা আৰু সাহিত্যানুভূতিৰ যৌগিক সমন্বয়ত অসমীয়া সাহিত্যলৈ বিবিধ উপাচাৰেৰে নৈবেদ্য আগবঢ়াই অসমীয়া ভাষা-সাহিত্য টনকিয়াল কৰি গৈছে। সাহিত্য যুগমীয়া নহ'লে তাৰ আদৰ চিৰকাল সমানে নাথাকে। সময় আৰু ৰুচিৰ পৰিৱৰ্তনে সাময়িক সাহিত্যক অকামিলা কৰাটো একো আচৰিত নহয়। সেইবাবেই সাহিত্যত ঐতিহাসিক জীৱনধাৰাৰ ভূমিকা স্বীকৃত। গোহাঞি বৰুৱাৰ সাহিত্য প্ৰয়োজনীয় মুহূৰ্তত বিশিষ্ট ঐতিহাসিক ভূমিকা পালন কৰি অসমীয়া সাহিত্যক নিজৰ ভৰিত থিয় হ'বলৈ শক্তি দান কৰিছিল।

অসমীয়া সাহিত্যত প্ৰকৃত উপন্যাসৰ প্ৰথম প্ৰৱৰ্তক তথা ঐতিহাসিক নাট আৰু ঐতিহাসিক উপন্যাসৰ সূচনাকাৰী ৰূপে আৰু প্ৰসন্ন গম্ভীৰ গদ্য শৈলীৰ স্ৰষ্টাৰূপে পদ্মনাথ গোহাঞিবৰুৱাৰ স্থান সাহিত্যৰ বুৰঞ্জীত পাহৰণিয়ে মচিব নোৱাৰে।

অসমীয়া সাহিত্যত নতুন দিগন্তৰ সূচনাকাৰী ৰূপে পৰিচিত এই মহান ব্যক্তিজনাই ১৯৪৬ চনৰ ৭ এপ্ৰিলত এই পৃথিৱীৰ পৰা মেলানি মাগে। তেওঁ অসমীয়া সাহিত্যক যি গতিশীলতা প্ৰদান কৰিছিল সেয়াই অসমীয়া ভাষা সাহিত্যক উচ্চ আসনত প্ৰতিষ্ঠিত কৰাইছিল বুলি নিসন্দেহে ক'ব পাৰি। ❋❋





MOHAN LAL CHOUDHURY LIBRARY :
Library:

# শিক্ষক দিৱস আৰু ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ



❑ ৰকিবুল ইছলাম
স্নাতক ১ম বৰ্ষ

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম হৈছিল চেন্নাইৰ পৰা উত্তৰ-পশ্চিম পিনে ৪০ কিলোমিটাৰ দূৰত অৱস্থিত তিৰুতানি নামৰ সৰু চহৰ এখনত ১৮৮৮ চনৰ পাঁচ ছেপ্তেম্বৰত। তেওঁৰ পিতৃৰ নাম আছিল বীৰ স্বামী উৰ্জা আৰু মাতৃৰ নাম আছিল চিতাম্মা। তেওঁলোকৰ এইজন দ্বিতীয় সন্তানৰ নাম ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ। তেওঁলোকে বাস কৰা আগৰ গাঁওৰ নাম সৰ্বপল্লী আছিল আৰু সেই অনুসৰি তেওঁৰ নাম সৰ্বপল্লী ৰাখে।

এগৰাকী দাৰ্শনিক, পণ্ডিত আৰু বিশেষকৈ শিক্ষক হিচাপে তেওঁ জগতত যি কৃতিত্ব স্থাপন কৰি থৈ গ'ল আৰু তাৰেই স্বীকৃতি স্বৰূপে দেশ বাসীয়ে ডঃ ৰাধাকৃষ্ণণৰ জন্মদিন পাঁচ ছেপ্তেম্বৰ প্ৰতি বছৰে দেশ জুৰি 'শিক্ষক দিৱস' হিচাপে পালন কৰি আহিছে। জীৱনৰ ৪০ বছৰৰো ওপৰ কাল তেওঁ শিক্ষকতা কৰি গৈছে।

প্ৰাথমিক বিদ্যালয়ৰ পঢ়া শেষ কৰি ৰাধাকৃষ্ণণে পৰৱৰ্তী ১২ বছৰ কাল খ্ৰীষ্টান পাদুৰীৰ অধীনত মিছনত শিক্ষা লাভ কৰে। ১৯০৩ চনত তেওঁ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পাছত ১৯০৮ চনলৈ মাদ্ৰাছ খ্ৰীষ্টান কলেজত পঢ়ি ১৯০৯চনত বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ স্থান লাভ কৰি এম. এ পৰীক্ষাত উত্তীৰ্ণ হয়। বেদ-বেদান্তকলৈ গৱেষণা কৰি তেওঁ ডক্টৰেট উপাধি লাভ কৰে। ১৯০৯ চনত তেওঁ মাদ্ৰাছ প্ৰেচিডেন্সী কলেজত দৰ্শন বিভাগত সহকাৰী অধ্যাপক ৰূপে নিযুক্তি পায়। ১৯১৮ চনৰ পৰা ১৯২১ চনলৈ ডঃ ৰাধাকৃষ্ণণে মহীশূৰ বিশ্ববিদ্যালয়ত দৰ্শন বিভাগত অধ্যাপনা কৰে। ১৯২১ চনৰ পৰা ১৯৩১চনলৈ কলিকতা বিশ্ববিদ্যালয়ত জৰ্জ আসনৰ অধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯২৩ চনত তেওঁ মানচেষ্টাৰ কলেজতো অবৈতনিক অধ্যক্ষৰূপে যোগদান কৰে। ১৯৩১চনৰ পৰা ১৯৩৬ চনলৈ অন্ধ্ৰপ্ৰদেশ বিশ্ববিদ্যালয়ত উপাচাৰ্য পদত কাৰ্যনিৰ্বাহ কৰাৰ পাছত ১৯৩৬ চনৰ পৰা ১৯৩৯ চনলৈ তেওঁ অক্সফোৰ্ড বিশ্ববিদ্যালয়ত আৰু ১৯৩৯ চনৰ পৰা ১৯৪৮চনলৈ বেনাৰস হিন্দু বিশ্ববিদ্যালয়তো অধ্যাপনা কৰে।

১৯৪৯ চনত ভাৰত চৰকাৰে ড° ৰাধাকৃষ্ণণক ৰাছিয়াৰ ৰাজধানী মস্কোলৈ ৰাষ্ট্ৰদূত ৰূপে নিয়োগ কৰে। তেওঁ এই দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰে। ১৯৫২ চনৰ পৰা ১৯৬২ চনলৈ দুবাৰকৈ ভাৰতবৰ্ষৰ উপ-ৰাষ্ট্ৰপতি পদত কাৰ্যনিৰ্বাহ কৰাৰ পাছত ১৯৬২চনৰ ১৩ মে'ত ড° ৰাধাকৃষ্ণণে ৰাষ্ট্ৰপতিৰ আসন অলংকৃত কৰে। ইমান গধুৰ দায়িত্ব পালনৰ মাজতো এইজনা মনীষীয়ে বহুতো মূল্যৱান গ্ৰন্থ লিখি থৈ গৈছে।

১৯৬৭ চনত ৰাষ্ট্ৰপতি পদৰ পৰা অৱসৰ লোৱাৰ পাছত ১৯৭৫ চনলৈ মায়লাপুৰত থকা নিজা বাসভৱন গিৰিজাত এইজনা মনীষীয়ে ১৯৭৫ চনৰ ১৭ এপ্ৰিলত সমগ্ৰ দেশবাসীক কন্দুৱাই ইহলীলা সম্বৰণ কৰে।❋❋



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# বিবাহ আৰু যৌতুক প্ৰথা



❐ ডালিমী নাথ
স্নাতক ৩ য় বৰ্ষ



বিবাহ, বৈদিক যুগৰ পৰাই প্ৰচলিত হৈ অহা এটা সামাজিক প্ৰথা। শুভ বিবাহ শুভ পৰিণয় আদি সকলোৱে ভাল লগা চিনাকি শব্দ। বিবাহ শব্দটো উচ্চাৰণ কৰিলেই হৃদয়ৰ নিভৃত কোণত অনুভূত হয় মৃদু শিঁহৰণ। মাহ-হালধিৰে নোৰাই-ধোৱাই আয়তীৰ বিয়ানামৰ লগতে ধৰ্মীয় ৰীতি-নীতি, পুৰোহিতৰ মন্ত্ৰধ্বনি আৰু শুভাকাংক্ষীৰ আশীৰ্বাদৰ মাজেৰে এই মাংগলিক অনুষ্ঠানটো সম্পাদন কৰা হয়। বিবাহ অনুষ্ঠানৰ যোগেদিয়েই এজন পুৰুষে এগৰাকী নাৰীক নিজৰ ধৰ্ম-পত্নী ৰূপে লোৱাৰ ফলত গঢ় লৈ উঠে একোখন সংসাৰ আৰু সংসাৰৰ সমষ্টিয়ে হৈছে সমাজ। প্ৰেম-ভালপোৱা আৰু বিশ্বাসৰ এক মধুৰ সম্বন্ধ। জীৱনৰ আনন্দ আৰু সুখ-দুখৰ উপলব্ধি।

বিবাহৰ ক্ষেত্ৰত বয়স নিৰ্দ্ধাৰণৰ প্ৰয়োজনীয়তা আছে। বিবাহ মানুহৰ উচ্চতম অধ্যাত্মিক বিকাশৰ পন্থাহে। সেয়েহে এই মহান কৰ্ত্তব্যটো পালন কৰাৰ ক্ষেত্ৰত বিবাহযোগ্য ল'ৰা-ছোৱালীৰ বিবাহৰ বাবে প্ৰকৃত বয়স নিৰ্দ্ধাৰণ কৰাটো অতিকৈ প্ৰয়োজনীয়।

পুৰণি কালত ভাৰতবৰ্ষত বাল্য বিবাহৰ প্ৰচলন আছিল। যিটো সময়ত ল'ৰা-ছোৱালীৰ শাৰীৰিক তথা মানসিক বিকাশ সম্পূৰ্ণ হৈ নুঠে। ল'ৰা-ছোৱালীৰ শাৰীৰিক আৰু মানসিক পৰিপুষ্টিৰ প্ৰতি লক্ষ ৰাখি ১৯৭৮ চনত বিবাহৰ প্ৰকৃত বয়সৰ নিম্নসীমা ল'ৰাৰ বাবে ২১ বছৰ আৰু ছোৱালীৰ বাবে ১৮ বছৰ ধাৰ্য্য কৰা হৈছে। এজন ল'ৰাৰ শাৰীৰিক গঠন আৰু মানসিক পৰিপূৰ্ণতা ২১ বছৰৰ পাছতহে পৰিপূৰ্ণ হয়। আজিৰ এই জটিল সমাজত এজন ল'ৰাই নিজে উপযুক্ত হৈ বিয়া কৰাই পৰিয়ালৰ দায়িত্ব বহন কৰিবলৈ হ'লে বয়সৰ ফালৰ পৰাও পূৰ্ণ হোৱাটো প্ৰয়োজনীয়।

কম বয়সতে বিয়া কৰা ল'ৰাজন জীৱনৰ লক্ষ্যত উপনীত হৈ অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাতো বাধাৰ সৃষ্টি হয়।

আজিৰ ইণ্টাৰনেটৰ যুগতো ভাৰতবৰ্ষৰ গাঁও অঞ্চলত বিশেষকৈ বিহাৰ, ৰাজস্থান আদি ঠাইত ১০-১৬ বছৰ বয়সতেই বোজা বুলি ভবা মানসিকতা আমাৰ সমাজৰ পৰা দূৰ হোৱা নাই। বিবাহৰ নিম্নতম সময় সীমা উলংঘা কৰাটো আইন মতে দণ্ডনীয় যদিও বৰ্তমানো আমাৰ সমাজত ই সম্পূৰ্ণৰূপে প্ৰযোজ্য হোৱা নাই। ১৯৭৮ চনৰ শিশু বিবাহৰ প্ৰতিৰোধ আইনৰ অধীনত ২১ বছৰৰ ল'ৰা আৰু ১৮ বছৰৰ তলৰ কোনো ছোৱালী যদি বিবাহ



MOHAN LAL CHOUDHURY LIBRARY :
Library:

পাশত আবদ্ধ হয়, তেনে বিবাহ আদালতে প্ৰয়োজন অনুসৰি নাকচ কৰিব পাৰে।

বিবাহ আৰু যৌতুক প্ৰথা ঃ

প্ৰত্যেকজন পিতৃ-মাতৃয়ে নিজৰ বিবাহ যোগ্য ছোৱালীজনীক বিয়া দি উলিয়াই দিয়াৰ সময়ত স্বামীগৃহত ছোৱালীজনী সুখ-শান্তিৰে থকাটো কামনা কৰে আৰু নিজৰ সাধ্য অনুসৰি ছোৱালীজনীৰ প্ৰয়োজনীয় কিছু সা-সামগ্ৰী লগত দিয়ে। এই লগত দিয়া সামগ্ৰীখিনিয়ে হৈছে 'যৌতুক'। বৰ্তমান সমাজত যৌতুক প্ৰথা এক সামাজিক ব্যাধি স্বৰূপে পৰিগণিত হৈছে। এই ব্যাধিয়ে আমাৰ সমাজখনক চাৰিওফালৰ পৰা অজগৰৰ দৰে গ্ৰাস কৰি আহিছে। এই ব্যাধিৰ বলি হোৱাৰ ভয়তেই ভাৰতৰ বহু ঠাইত কন্যা সন্তানক জন্মতে হত্যা কৰা বা সৰুকালতে বিক্ৰী কৰি দিয়াৰ দৰে ঘৃণনীয় কামবোৰ চলি আছে। বিশেষকৈ উত্তৰ ভাৰতৰ গুজৰাট, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আনকি পশ্চিমবঙ্গতো বিবাহযোগ্য কন্যা থকা পিতৃ- মাতৃসকল এই কু-প্ৰথাৰ বলি হৈ আহিছে। কন্যা সন্তানে মহাকাশ অভিযান, পৰ্বতাৰোহণ বা আকাশীযান চলোৱাৰ সময়তো কন্যা সন্তানৰ পিতৃ-মাতৃসকলে নিজকে সমাজৰ আটাইতকৈ দুৰ্ভগীয়াজন বুলি ভাবিবলৈ এৰা নাই। যৌতুক নিব নোৱাৰাৰ বাবে বহু অত্যাচাৰত আত্মহত্যাৰ পথ বাচি লোৱাৰ ঘটনা বিৰল নহয়। এইবোৰ ৰোধ কৰাৰ বাবে ১৯৬১ চনত 'যৌতুক নিবাৰণী আইন' প্ৰণয়ন কৰা হৈছিল। এই আইন মতে যৌতুক দিয়া আৰু লোৱা দুয়োটাই দণ্ডনীয়। আনকি যৌতুক ল'বলৈ উচটনি দিয়া জনকো প্ৰমাণ সাপেক্ষে পাঁচবছৰ পৰ্য্যন্ত জেল আৰু পোন্ধৰ হাজাৰ জৰিমনা ভৰাব পাৰি। এই আইনৰ অধীনত স্বামী বা তেওঁৰ পৰিয়ালৰ কোনো সদস্যই যদি যৌতুকৰ বাবে বোৱাৰীক শাস্তি দিয়ে তেন্তে সেই সকলক জৰিমনাসহ তিনি বছৰ পৰ্য্যন্ত কাৰাবাস দিয়া হয়।

এই ব্যাধি সমাজৰ পৰা আঁতৰাবলৈ হ'লে নৰ প্ৰজন্মৰ যুৱক-যুৱতী তথা অভিভাৱক-অভিভাৱিকা সকলে সচেতন আৰু সৰৱ হৈ উঠিব লাগিব। ইয়াৰ বাবে নৱ প্ৰজন্মৰ যুৱতীসকলৰ আত্মবিশ্বাস থাকিব লাগিব যে তেওঁ যৌতুক নোহোৱাকৈ স্বামী গৃহত প্ৰৱেশ কৰিব আৰু প্ৰয়োজন হ'লে ইয়াৰ প্ৰতিবাদ কৰিব। যৌতুক বিহীন এখন নিকা সমাজ গঢ়িব লাগিব নতুন চামৰ যুৱক-যুৱতী সকলে। তাৰ বাবে তেওঁলোকৰ থাকিব লাগিব— সৎ সাহস আৰু নৈতিক দায়িত্ব। এইখিনি কৰাৰ বাবে প্ৰতিজন অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি গঢ়ি তুলিব লাগিব। তেতিয়াহে অনাগত দিনবোৰত সামাজিক ব্যাধিবোৰ আঁতৰ কৰি এখন সুস্থ সমাজ গঢ়াৰ লগতে এটা সুস্থ সামাজিক পৰিৱেশত আমাৰ ভৱিষ্যত প্ৰজন্মই বাস কৰিব পাৰিব।

এখন সুস্থ সমাজ গঢ়িবলৈ সকলোৰে একতাৰ প্ৰয়োজন। স্বামীগৃহত অত্যাচাৰত আত্মহত্যাৰ পথ বাছি নলৈ সাহসেৰে প্ৰতিবাদ কৰি দোষীক শাস্তি দিয়াৰহে পৰিকল্পনা কৰিব লাগে। তেতিয়াহে এখন নিকা সমাজ গঢ়ি উঠিব। আহক আমি সকলোৱে মিলি এই মহা ব্যাধি সমাজৰ পৰা আঁতৰ কৰোঁ।

এখন সুস্থ সমাজেহে আমাৰ চাৰিও ফালৰ পৰিৱেশ ভালে ৰাখিব পাৰিব। "পৃথিৱীৰ ইতিহাসত কোনো অন্ধকাৰ সমাজত যেতিয়া কোনো নাৰী পুৰুষতন্ত্ৰৰ বিৰুদ্ধে গৰ্জি উঠিছে, নিজৰ স্বাধীনতাৰ কথা কৈছে, ভাঙি পেলাইছে পৰাধীনতাৰ শিকলি, তেওঁকেই কোৱা হৈছে পতিতা।"❀❀

**প্ৰজ্ঞা**

- শিক্ষাৰ আটাইতকৈ ডাঙৰ সুফল হ'ল এইটোৱেই যে তুমি যিবোৰ কাম কৰি বেয়া পোৱা, অৰ্থাৎ যি কাম তুমি কৰা উচিত সেই কামবোৰ কৰিবলৈ শিক্ষাই তোমাক সহায় কৰে। —টমাচ হাক্সলী
- মই মোৰ মুখৰ বলিৰেখাবোৰক লৈ গৰ্বিত আৰু মই নিজৰ বয়স লুকুৱাবলৈ চেষ্টা কৰা নাই।

  — ইঙ্গমাৰ বাৰ্গমেন
- পঢ়াশালিবোৰ জীৱনৰ কাৰণে প্ৰস্তুতি হোৱা উচিত নহয়। পঢ়াশালিয়েই হ'ল জীৱন।

  — ৰবাৰ্ট ছবাৰ্ড



MOHAN LAL CHOUDHURY LIBRARY :

# শিক্ষা কি আৰু কিয় ?



□ মিনুমণি ডেকা
স্নাতক ১ম ষাণ্মাষিক

শিক্ষা সম্পৰ্কে আলোচনা কৰাৰ আগতে শিক্ষা কাক বোলে তাক ভালদৰে জনাটো আৱশ্যক। শিক্ষা সম্পৰ্কে সৰ্বসন্মত আৰু নিৰ্দিষ্ট সংজ্ঞা কোনেও আজিলৈকে দিব পৰা নাই যদিও এই ক্ষেত্ৰত টি ৰেমণ্টৰ সংজ্ঞাই অধিক গ্ৰহণযোগ্য। তেওঁৰ মতে 'শৈশৱ অৱস্থাৰ পৰা আজীৱন চলি থকা প্ৰক্ৰিয়া, যিয়ে মানুহক পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত খাপ খাবলৈ সমৰ্থবান কৰি তোলে।' অকল আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰাটোৱে প্ৰকৃত শিক্ষা নহয়। শিক্ষা হৈছে জীৱন ব্যাপী সাধনা। শিক্ষাৰ লক্ষ্য হৈছে দেহ, আত্মাৰ সৌন্দৰ্য্য আৰু পূৰ্ণতা লাভ কৰা।

এখন দেশৰ সভ্যতা, সংস্কৃতি নিৰ্ভৰ কৰে ঘাইকৈ শিক্ষাৰ ওপৰত। শিক্ষাহীন জীৱন হেডালি মৰা গৰুৰ দৰে। যিদৰে এডাল শিকলিৰে শক্তি তাৰ দুৰ্বলতম আঙুঠিটোৰ শক্তিৰে প্ৰকাশ কৰা হয়, তেনেদৰে এখন সমাজৰ, এটা জাতিৰ, সভ্যতা সংস্কৃতি নিৰূপিত হয় কেৱল শিক্ষাৰ দ্বাৰাহে।

পৰিতাপৰ কথা যিখন অসমত এদিন সমগ্ৰ ভাৰতৰ ভিতৰতে প্ৰাদেশিক ভাষা সমূহৰ ভিতৰত প্ৰথম অসমীয়া ভাষাত ৰামায়ণ অনুদিত হৈছিল, যিখন অসমত চৰ্যা পদৰ দৰে উন্নত সাহিত্যৰ সৃষ্টি হৈছিল সেই অসম এতিয়া শিক্ষাৰ ক্ষেত্ৰত ইমান পিছপৰি গৈছে তাক ভাবিলে আচৰিত লাগে । আমাৰ দেশে স্বাধীনতা পোৱাৰ ইমান বছৰ পাছতো শিক্ষা প্ৰণালীৰ কোনো পৰিৱৰ্তন সাধন কৰিব পৰা নাই।

১৮৩৫ চনত লৰ্ড মেকলেই তৈয়াৰ কৰি যোৱা শিক্ষা প্ৰণালীকে মানি আহিছে। ইংৰাজ সকলৰ উদ্দেশ্য আছিল তেওঁলোকে ভাৰতবৰ্ষ এৰি গ'লেও ভৱিষ্যতে ভাৰতত ইংৰাজী আচাৰ-ব্যৱহাৰ, নীতি, সংস্কৃতি আৰু ইংৰাজৰ প্ৰতি ভক্তি থাকি যায়। সময়ত ভাৰতীয় শিক্ষিত চামেও এদিন ক'লা চামৰাৰ ইংৰাজ হৈ উঠিব। প্ৰকৃততে সেইটোৱেই হৈছে। বৰ্তমান ভাৰতত বহু আয়োগ গঠন কৰা হ'ল। তথাপি শিক্ষাৰ কোনো সংস্কাৰ নহ'ল। শিক্ষাৰ বিকাশৰ নামত ভাৰতত আজি কেৱল টকাৰ শ্ৰাদ্ধ পতা হৈছে। প্ৰাপ্তবয়স্ক শিক্ষা, সাৰ্বজনীন শিক্ষা, অঙ্গনবাদী শিক্ষা শেহতীয়া ভাবে D.P.E.P. থকা সত্বেও শিক্ষাৰ তিল মানো উন্নতি হোৱা নাই— বিশেষকৈ গুণগত দিশত।

অসমত শিক্ষাৰ ক্ষেত্ৰত অৱনতি ঘটাৰ মূল কাৰণ হ'ল শাসকীয় ৰাজনৈতিক দলবোৰৰ অদূৰদৰ্শিতা। বৰ্তমান অসমত ৰাজনৈতিক দলবোৰৰ হস্তক্ষেপৰ ফলত অতি নিম্ন স্তৰৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়া চলি আছে। ইয়াৰ ফল হৈ পৰিছে বিষময়। অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানবোৰত শিক্ষাৰ মান নিম্নগামী হোৱাৰ ফলত অভিভাৱক সকলে বে-চৰকাৰী স্কুলবোৰৰ প্ৰতি বেছি আকৰ্ষিত হৈ পৰিছে। যাৰ প্ৰভাৱত নগৰে-চহৰে শিক্ষাৰ নামত এটা ব্যৱসায়ী শ্ৰেণীৰ সৃষ্টি হ'ল। এই দুৰ্বলতাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ধৰ্মৰ অজুহাত দেখুৱাই খৃষ্টান মিচনেৰী সকলে বিভিন্ন ঠাইত স্কুল স্থাপন কৰাৰ লগতে পাশ্চাত্য ধ্যান-ধাৰণাৰ প্ৰসাৰ ঘটাইছে। পৰিণতিত অসমীয়া তথা ভাৰতীয় সংস্কৃতি প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে। আমাৰ আজিৰ ছাত্ৰ-ছাত্ৰীসকলে, অভিভাৱক সকলে শিশু অৱস্থাৰ পৰাই পশ্চিমীয়া বাহ্যিকতাৰ প্ৰভাৱত পৰি স্বকীয়তা পাহৰি যায়। আমি এই কথা পাহৰিলে ভুল হ'ব যে ভাৰতীয় সকলৰ যি গৌৰৱোজ্জ্বল ইতিহাস আছিল পৃথিৱীৰ অইন সভ্যতাৰ নাই। প্ৰাচীন ভাৰতত যোগ, অৰ্থ, দৰ্শন, আয়ুৰ্বেদ আৰু জ্যোতিষ শাস্ত্ৰ আদিৰ চৰ্চা আছিল। ভাৰতত 'বেদৰ' দৰে সাহিত্যৰ সৃষ্টি হৈছিল। পৰিতাপৰ কথা যে জ্যোতিষ আৰু যোগ শাস্ত্ৰৰ গুৰুত্ব ভাৰতত দিনক দিনে বাঢ়িব লাগিছে। প্ৰাচীন ভাৰতীয় আয়ুৰ্বেদ শাস্ত্ৰ সেই দেশবোৰত প্ৰচলন হ'বলৈ ধৰিছে। গতিকে শিশু অৱস্থাৰ পৰাই এইবোৰৰ উচিত শিক্ষা দিয়াৰ ব্যৱস্থা হ'ব লাগে।

শিক্ষাৰ লক্ষ্য হ'ব লাগে ব্যক্তিৰ নিজৰ লগতে সমাজৰ,



MOHAN LAL CHOUDHURY LIBRARY :
Library :

দেশৰ উন্নতিৰ বাবে নিজক নিয়োজিত কৰাৰ বাবে মানসিক প্ৰস্তুতি আৰু বিজ্ঞানসম্মত উপায় উদ্ভাৱন কৰা। কিন্তু আমাৰ সমাজৰ বহু অভিভাৱকে ভাবে যে আজিকালি নম্বৰৰ দৌৰ প্ৰতিযোগিতাত প্ৰথম হ'ব পাৰিলেই সকলো শেষ। কেৱল নম্বৰৰ শতাংশ বাঢ়িলেই হ'ল, ছাত্ৰ-ছাত্ৰীৰ নৈতিক, আধ্যাত্মিক আৰু ব্যৱহাৰিক জ্ঞানৰ ঘৰত শূণ্য হ'লেও কোনো কথা নাই। আজিকালি সমাজত বহু অভিভাৱকে কম কষ্টতেই ঐশ্বৰ্য আহৰণ কৰি, সমৃদ্ধিশালী ব্যক্তিগত আৰু পাৰিবাৰিক জীৱনৰ অধিকাৰী হোৱাটোৱেই জীৱনৰ চৰম সাৰ্থকতা বুলি ভাৱিবলৈ লৈছে। দিনক দিনে সমাজত এচাম ভণ্ড মানুহৰ সৃষ্টি হৈছে। বহুক্ষেত্ৰত দেখা যায় ছাত্ৰ-ছাত্ৰীয়ে হওক বা অভিভাৱকেই হওক তেওঁলোকে নিজৰ কৰ্তব্যৰ প্ৰতি উদাসীন কিন্তু তাৰ বিপৰীতে নিজৰ অধিকাৰৰ প্ৰতি অধিক সচেতন। এইক্ষেত্ৰত জয় প্ৰকাশ নাৰায়ণে এষাৰ বৰ মূল্যবান কথা কৈছে— Today's people are very conscious about their rights, but not about their duties."

শেষত ইয়াকেই ক'ব পাৰি যে শিক্ষাৰ উদ্দেশ্য কেৱল ধন উপাৰ্জন কৰাৰ বাবে নহয়। সংগ্ৰহ কৰা ধন অইনৰ উপকাৰৰ বাবে খৰচ কৰিবলৈ শিকা উচিত। শিক্ষাৰ দ্বাৰা মানুহৰ বৌদ্ধিক, শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধন কৰিবলৈ শিকা উচিত। ত্যাগৰ দ্বাৰা আনন্দ লাভ কৰিবলৈ শিকি আমি নিজৰ উন্নতিৰ লগে লগে দেশৰ আৰু দহৰ উন্নতি সাধন কৰিবলৈ শিকিব লাগে। তেতিয়াহে ভাৰতীয় শিক্ষাৰ প্ৰকৃত উদ্দেশ্য সাধন হ'ব। ❋❋





MOHAN LAL CHOUDHURY LIBRARY :

Library :

# বৰপেটাৰোডৰ উত্থান



❑ সীমান্ত দাস
উ. মা. ১ম বৰ্ষ

বৰপেটাৰোড টাউনৰ সৃষ্টিকাল ১৯২১ ইং চনত। বৰপেটা মহকুমাৰ মহকুমাধিপতি দূৰদৰ্শী ব্যক্তি প্ৰয়াত দুৰ্গেশ্বৰ শৰ্মাদেৱৰ কৃতিত্বৰ ফলশ্ৰুতিস্বৰূপে জন্ম হৈছে এয়া দ্বিতীয় বৰপেটা। ১৯২৬ চনত বৰপেটাৰোড ৰেল ষ্টেচন স্থাপিত হয়। লগে লগে শিল্প-বাণিজ্য, শিক্ষা, জ্ঞান-বিজ্ঞান, সমাজ-সংস্কৃতি কেউফালেদি আগবাঢ়ি মানৱতাৰ কেন্দ্ৰস্থানত পৰিণত হৈছে। প্ৰাচীন বিজয়পুৰ, আঠিয়াবাৰী, শিমলাগুৰী, গুৱাগাছা, ৰাজ ঢাকমাল, গোৱৰ্দ্ধনা, কলহভাঙা, সাতভনীৰ টুপ, মৰামানাহ নদী, প্ৰাচীন বৰনগৰৰ কীৰ্তি আৰু তথ্যেৰে ভৰপূৰ আৰু পৰিবেষ্টিত স্থান এই বৰপেটাৰোড।

বৰপেটাৰোড টাউন কমিটি গঠন হৈছিল ১৯৬১ চনত; আৰু পৌৰসভালৈ উন্নীত হয় ১৯৭৩ চনত। তাৰ আগতে ১৯৫১ চনত সজনীকান্ত হাইস্কুল স্থাপন কৰি শিক্ষাৰ আলোক জয়জয়তে বিতৰণ কৰে শিক্ষাপ্ৰেমীসকলে। জাতি-বৰ্ণ নিৰ্বিশেষে বৰপেটাৰোডবাসী সকলো ৰাইজৰ উদ্যোগ আৰু সদিচ্ছাত স্থাপিত হৈছিল গোপীনাথ বৰদলৈ হাইস্কুল ১৯৫৩ চনৰ ১ জানুৱাৰী। ভাৰতৰ স্বাধীনতা যুঁজৰ অগ্ৰণী নেতা অক্ষয় কুমাৰ দাস আছিল প্ৰতিষ্ঠাপক সভাপতি আৰু চহৰখনৰ গণ্য-মান্য ব্যক্তি গণপৎ ৰায় মোৰ আছিল সম্পাদক। বৰপেটাৰোড টাউনৰ বিশিষ্ট নাগৰিক, চিকিৎসক ডাঃ কন্দৰ্প কুমাৰ দাসৰ পিতৃ ৰজত ৰাম দাসৰ স্মৃতি ৰক্ষাৰ্থে স্থাপিত হৈছিল ৰজত ৰাম প্ৰাইমেৰী স্কুল ১৯৩৯ চনত। সেই সময়তে ১৯৭০ চনত বৰপেটাৰোডৰ বিশিষ্টা মহিলা শ্ৰীমতী সৰস্বতী দাসে তেওঁৰ স্বামীৰ পবিত্ৰ স্মৃতিত ডাঃ কন্দৰ্প কুমাৰ দাস ছোৱালী হাইস্কুল স্থাপন কৰিছিল। বৰপেটাৰোডৰ শ্ৰীহিন্দী হাইস্কুল স্থাপিত হৈছিল ১৯৬৯ চনত।

ইয়াত স্থাপিত ধৰ্মস্থানবোৰৰ ভিতৰত জৈন মন্দিৰ, দুৰ্গাবাৰী-কালীবাৰী (১৯৪৫ চন); শ্ৰীশ্ৰীৰাধাগোবিন্দ মন্দিৰ (১৯৮৭ চন); বৰপেটাৰোড শাখা সত্ৰ (১৯৫৫ চনত), ৰামকৃষ্ণ পৰমহংসদেৱৰ স্মৃতিত ৰামকৃষ্ণ চেণ্টাৰ (সেৱাশ্ৰম) আদি চহৰখনৰ আকৰ্ষণীয় ধৰ্মানুষ্ঠান। ইয়াৰ উপৰিও স্ত্ৰী আৰু প্ৰসূতি সকলৰ চিকিৎসাৰ বাবে ভগৱানী দেৱী প্ৰসূতি সদন ১৯৭১ চনত স্থাপিত হৈছিল। ৰেলষ্টেচন স্থাপিত হোৱাৰ আগতে বৰপেটাৰোড, শিমলাগুৰি, আঠিয়াবাৰী আদি কোঁচ-ৰাজবংশী আৰু জনজাতীয় অধ্যুষিত অঞ্চল আছিল। তেতিয়া শিমলাগুৰিত গোটেই অসমৰ ৰাজবংশী সকলৰ নেতৃস্থানীয় লোক আছিল প্ৰয়াত শংকৰ চন্দ্ৰ বৰ্মন। তেওঁ অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীদেৱৰ সোঁহাত স্বৰূপ আছিল। বংগভাষী সকলৰ নেতৃস্থানীয় লোক আছিল অমূল্য কুমাৰ বিশ্বাসদেৱ। জীতেন পাল আছিল অসমীয়া নাট্যজগতত এজন নাম কৰা শিল্পী। মাৰোৱাৰী সকল বৰপেটাৰোডৰ প্ৰধান কাৰবাৰী লোক আছিল। তেওঁলোকৰ ভিতৰত বিশিষ্ট নেতৃস্থানীয় লোক আছিল গণপৎ ৰায় মোৰ। তেওঁ গোপীনাথ বৰদলৈ হাইস্কুলৰ প্ৰতিষ্ঠাপক সম্পাদক হোৱাৰ উপৰিও বৰপেটাৰোড-হাউলী কলেজৰ অগ্ৰগণ্য প্ৰতিস্থাতা কৰ্মী আছিল।

১৯৮৮-৮৯ চনত বৰপেটাৰোড চহৰৰ বিশিষ্ট নাগৰিক সু-সাহিত্যিক ৺মোহন লাল চৌধুৰীদেৱে তেখেতৰ ভাতৃ ৺গণেশ লাল চৌধুৰীৰ স্মৃতিত মহাবিদ্যালয় স্থাপন কৰাৰ বাবে দহলাখ টকা দান দিয়ে। বৰ্তমান গণেশ লাল চৌধুৰী মহাবিদ্যালয়খন এখন আটক ধুনীয়া উন্নতমানৰ শিক্ষানুষ্ঠান হৈ গঢ়ি উঠিছে।

১৯৯৪ চনত বৰপেটাৰোডৰ সকলো জাতি-গোষ্ঠীৰ সহায়-সহযোগত শংকৰদেৱ শিশু নিকেতন গঢ়ি উঠিছিল। এইদৰে বৰপেটাৰোড টাউনখনে উন্নতিৰ জখলা বগাবলৈ সক্ষম হৈছে।❋❋



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# নাৰীৰ শ্ৰমৰ মৰ্যাদা আৰু সামাজিক প্ৰগতি



❑ পিংকী নাথ
স্নাতক ৩ য় বৰ্ষ



বৰ্তমানে নাৰীক 'অৰ্দ্ধ আকাশ' বাক্যাংশৰে বুজোৱা হয়। ইয়াৰ অৰ্থ হ'ল আকাশখন মানৰ সমষ্টিৰ প্ৰতীক আৰু সমাজ তাৰ আধা, সেয়েহে অৰ্দ্ধ আকাশ বা অৰ্দ্ধাকাশ বুলি ক'ব পাৰো। অৰ্দ্ধাকাশক বাদ দি আকাশখন যেনেদৰে পূৰ্ণ হ'ব নোৱাৰে তেনেদৰে নাৰী আৰু পুৰুষ এটাক বাদ দি আনটোৰ দ্বাৰা সমাজখনে পূৰ্ণতা পাব নোৱাৰে। সেই বাবেই সমাজ এখনৰ প্ৰগতি বুলি কোৱাৰ লগে লগে অৰ্দ্ধাকাশ নাৰী সমাজৰ প্ৰগতিৰ প্ৰশ্নও নিবিড়ভাবে জড়িত হৈ পৰে। কিন্তু 'নাৰী প্ৰগতি'— এই প্ৰশ্নটো অতীতৰ পৰা অৱহেলিত আৰু বাধাপ্ৰাপ্ত হৈ আহিছে। অৱশ্যে এই কথা অনস্বীকাৰ্য যে বিভিন্ন বাধা নেওচি বৰ্তমান নাৰী সমাজ আগবাঢ়ি আহিছে। ১৯৭০ চনৰ পৰা মহিলা সকলে প্ৰশাসনীয়, ব্যৱস্থাপনা, পৰিচালনা, বৃত্তিমূলক, কাৰিকৰী, কেৰাণী, মহৰী, বিক্ৰী বিভাগ ইত্যাদি পদত নিযুক্তি লাভ কৰাৰ গতি বৰ্দ্ধিত হোৱা বুলি বিভিন্ন কাকত, তথ্য, জৰীপত প্ৰকাশ হয়। কিন্তু সেয়া হ'লেও পৰ্যাপ্ত নহয়। প্ৰশাসনীয় বা পৰিচালনা ব্যৱস্থাত সিদ্ধান্ত গ্ৰহণ কৰোঁতাৰ ভূমিকাত পুৰুষৰ তুলনাত নাৰীৰ স্থান একেবাৰেই নগণ্য। অৱশ্যে গুৱাহাটীলৈ অহা ভাৰতৰ মুখ্য ন্যায়াধীশ আৰ. চি. লাহতীয়ে কৰি যোৱা মন্তব্য মতে ভাৰতীয় আইনী ব্যৱস্থাত



MOHAN LAL CHOUDHURY LIBRARY :
Library:

মহিলাৰ অংশগ্ৰহণ যথেষ্ট বৃদ্ধি পাইছে। এনেবোৰ কথাৰ পৰা স্পষ্ট ধাৰণা কৰিব পাৰি যে, মহিলা সকল এতিয়াও দ্বিতীয় শ্ৰেণীৰ নাগৰিক মাত্ৰ। সেয়ে সমাজ বিজ্ঞানৰ আলোচনাত নাৰীক আজিও এটি অনগ্ৰসৰ গোট হিচাপে আলোচনা কৰা হয়। ৰাষ্ট্ৰসংঘৰ ভিন্ ভিন্ প্ৰতিবেদন, চৰকাৰী-বেচৰকাৰী বিভিন্ন উন্নয়নমূলক আঁচনি, অৰ্থনীতিবিদ সকলৰ সামাজিক প্ৰগতিৰ পৰামৰ্শত প্ৰতিপন্ন হৈ আহিছে যে নাৰী সামাজিকভাবে এতিয়াও পিছপৰি আছে।

UNDP (United Nations Development Programme) ৰ ১৯৯৫ চনৰ Human Development Report মতে নাৰী সমগ্ৰ বিশ্বৰ দুখীয়া মানুহৰ ১৭% আৰু দুই তৃতীয়াংশ অশিক্ষিত মানুহৰ অন্তৰ্ভুক্ত। তেনেহ'লে সামাজিক প্ৰগতিৰ অৰ্থ কি?

সামাজিক প্ৰগতিৰ অৰ্থই যদি সমগ্ৰ মানৱ জাতিৰ প্ৰগতিৰ কথা সূচায় তেন্তে মহিলা সকলক এই প্ৰগতিৰ অন্তৰ্ভুক্ত কৰাটো নিত্যান্তই প্ৰয়োজনীয়। কিয়নো সমাজ শৃংখলিত কৰি ৰাখিব পৰা চাবি-কাঠি মহিলা সকলৰ হাততহে সংৰক্ষিত হৈ আহিছে। 'নাৰী মাতৃ, সন্তানক মানুহ কৰোঁতা আৰু মানৱ সমাজৰ নীৰৱ পথ প্ৰদৰ্শক' বুলি মহাত্মা গান্ধীয়ে কৈছিল। বিখ্যাত অৰ্থনীতিবিদ অমৰ্ত্য সেনে দিয়া পৰামৰ্শ মতে 'সামাজিক খণ্ডৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিওতে নাৰীৰ সামাজিক উন্নতিৰ কথা চিন্তা নকৰিলে সমাজৰ উন্নতি কোনোপধ্যে সম্ভৱ হ'ব নোৱাৰে।' গতিকে দেখা গ'ল যে নাৰীৰ অন্তৰ্ভুক্তি অবিহনে সামাজিক প্ৰগতিৰ শ্লোগান এটি অচল টকা মাত্ৰ।

সমাজ এখনৰ সৰ্বাঙ্গীণ প্ৰগতি সাধাৰণতে সেই সমাজ ভুক্ত মানৱ সম্পদৰ শ্ৰমৰ ওপৰত নিৰ্ভৰ কৰে; সেই ক্ষেত্ৰত আৰ্থিক আৰু অনাৰ্থিক উভয়বিধ শ্ৰমেৰে মহিলাসকলেও সমাজৰ প্ৰগতিত অৰিহণা যোগাই আহিছে। আন্তৰ্জাতিক শ্ৰমিক সংস্থা (ILO) ই ১৯৯৫ চনত উলিওৱা এখন প্ৰতিবেদন মতে, বিশ্বৰ প্ৰতি গৰাকী নাৰীয়ে কৰ্মী- All women of the world are working women। কিন্তু নাৰীয়ে কৰা শ্ৰম অনুযায়ী যোগ্যমূল্য তেওঁলোকক দিয়া হোৱা নাই। আনকি মহিলা সকলে তেওঁলোকৰ কৰ্মক্ষেত্ৰতো প্ৰাপ্য মৰ্যাদাৰ পৰা বঞ্চিত হৈ অহাটো অতি দুখ লগা কথা।

নাৰীৰ শ্ৰমৰ মূল্যও অতি কম। বিশ্বৰ প্ৰায় সকলো দিশতে একে শ্ৰমৰ বিনিময়ত পুৰুষতকৈ মহিলাক কমকৈ পাৰিশ্ৰমিক দিয়া হয়। ভাৰতবৰ্ষত ১৯৯৬ চনত সমপাৰিশ্ৰমিক আইনখন প্ৰৱৰ্তন কৰা হৈছে। এই আইনখন প্ৰৱৰ্তন কৰাৰ আগৰ কথা নক'লোৱেই বা। বৰ্তমানেও পুৰুষ আৰু মহিলা শ্ৰমিকে সমাজ পৰিশ্ৰমৰ বাবে সমান মজুৰি পোৱা নাই। সংগঠিত ক্ষেত্ৰত সীমাৰেখা কিছু শিথিল যদিও অসংগঠিত খণ্ডত মহিলা শ্ৰমিকে এতিয়াও বৈষম্যমূলক পাৰিশ্ৰমিক ল'বলৈ বাধ্য হয়। ভাৰতবৰ্ষৰ দৰে তৃতীয় বিশ্বৰ দেশৰ মানুহৰ কথা বাদেই, আমেৰিকাৰ নিচিনা উন্নত দেশতো এনে বৈষম্য পৰিলক্ষিত হোৱাটো অতি লজ্জাজনক। আমেৰিকাৰ আগশাৰীৰ টেনিছ তাৰকা (সাত নম্বৰ স্থানত থকা সময়ত) ভেনাচ উইলিয়ামে উইম্বলডন গ্ৰেণ্ডশ্লাম টেনিচ টুৰ্ণামেণ্টত পুৰুষৰ স'তে বৈষম্যমূলক পাৰিশ্ৰমিক (পুৰুষে ৭,১৮,০০০ ডলাৰ আৰু মহিলা ৬,৪৫,০০০ ডলাৰ) গ্ৰহণ কৰিবলগীয়া হোৱাত খেলুৱৈ গৰাকীয়ে প্ৰতিবাদ কৰা কাৰ্য্য ইলেকট্ৰনিক মিডিয়া আৰু কাগজ-পত্ৰ যোগে প্ৰচাৰ হোৱাৰ কথা ক্ৰীড়াপ্ৰেমী তথা সচেতন মহলে নিশ্চয় পাহৰা নাই। গতিকে দেখা গ'ল দেশ বা বিশ্বৰ সীমাৰেখা লৈ কোনো কথা নাই, সমগ্ৰ বিশ্বৰ নাৰীৰ ক্ষেত্ৰতে পাৰিশ্ৰমিকৰ বৈষম্য এক জ্বলন্ত প্ৰশ্ন। আনহাতে, কৰ্তৃপক্ষ আৰু মৰ্যাদা হানিকৰ এক জ্বলন্ত সমস্যা। এই সমস্যা সংগঠিত আৰু অসংগঠিত উভয় ক্ষেত্ৰতে নাৰী শ্ৰমিকৰ উমৈহতীয়া সমস্যা আৰু এই সমস্যাই নাৰীৰ প্ৰগতিত বাধা আৰোপ কৰি আহিছে।

ভাৰতীয় পৰম্পৰাত এটি অলিখিত কঠোৰ নীতি অদৃশ্যভাবে চলি আহিছে। সেয়া হ'ল, নাৰী বৃত্তিগতভাবে বেছি প্ৰতিযোগিতামুখী হ'ব নোৱাৰিব। গতিকে কোনো মহিলাই যদি এই নিয়ম ভাঙিবলৈ চেষ্টা কৰে তেতিয়া সকলোতে তীব্ৰ বাধাৰ সন্মুখীন হ'বলগীয়া হ'ব। তেওঁক শ্ৰমৰ মৰ্যাদা প্ৰদান কৰাৰ সলনি উপলুঙাহে কৰা হয়। নাৰীৰ যোগ্যতা যদি পুৰুষতকৈ বেছি হয়, তেনে নাৰী সাধাৰণতে পুৰুষ সহকৰ্মী, বহুক্ষেত্ৰত ওপৰৱালাৰ ঈৰ্ষাৰ বলি হোৱাৰ উদাহৰণো বহু আছে। আনকি নিজৰ মেধা শক্তিৰে উচ্চ পদ লাভ কৰি দেখুওৱা দক্ষতা স্বীকাৰকৰি মৰ্যাদা প্ৰদান কৰাৰ সলনি চৰিত্ৰ হানিৰ নিচিনা নিম্ন পৰ্যায়ৰ সমালোচনাৰে



MOHAN LAL CHOUDHURY LIBRARY :

Library:

মানসিক অত্যাচাৰ কৰাহে দেখা যায়। বিধৱা, স্বামী পৰিত্যক্তা আৰু অবিবাহিতা মহিলাৰ ক্ষেত্ৰত আকৌ কিছুমান তৰল মস্তিষ্কৰ নাৰীয়েও পুৰুষৰ মানসিকতাৰ লগত লগ হৈ সেই পীড়ন আৰু বেছি তীব্ৰতৰ কৰি তোলে। উচ্চ মেধাসম্পন্ন প্ৰতিযোগী নাৰীমুখী নাৰী আনকি স্বামী আৰু পৰিয়ালৰ লোকৰ ঈৰ্ষাৰ বলি হ'বলগীয়া হয়। ফলত এনে বহু নাৰীৰ গুণ-মেধা পাকঘৰৰ ধোঁৱাৰ লগতে উৰি যায়। আনহাতে নাৰীৰ শ্ৰমৰ আন এটি মৰ্য্যাদা হানিকৰ প্ৰশ্ন হৈছে ধৰ্ষণ ভীতি। আমাৰ সমাজত নাৰী পুৰুষৰ দ্বাৰা বিভিন্ন ধৰণে যৌনভাৱে পীড়িত হয়— লাগিলে সেই নাৰীগৰাকী বালিকাই হওক বা বয়োবৃদ্ধ মহিলাই হওক আৰু সেয়া হ'ব পাৰে চিটিবাছৰ ভিৰৰ মাজত, ৰাজপথ, অফিচ, কাছাৰী, থিয়েটাৰ হল সকলো কৰ্মক্ষেত্ৰতে চলা এই অপ্ৰীতিকৰ পীড়নে মহিলা শ্ৰমিক সকলক মানসিক চাপ বেছিকৈ দিয়ে। ফলত শ্ৰমজীৱী মহিলা সকলে দক্ষতাৰে কাম কৰি যোৱাত বাধাৰ সন্মুখীন হ'বলগীয়া হয়। নাৰী এগৰাকী উচ্চ পদস্থ বিষয়া হ'লেও অসহায় অৱস্থাত পিয়ন, চকীদাৰজনেও তেওঁক ভোগৰ দৃষ্টিৰেহে চাব খোজে। নাৰীৰ মূল্য মানুহ হিচাপে নহয়, আছে যৌন সামগ্ৰী হিচাপেহে।

ইয়াৰ উপৰি চাকৰিয়াল গৃহিণীৰ আকৌ শ্ৰমৰ পৰিমাণো বেছি হয় আৰু বহুত ক্ষেত্ৰত তেওঁলোকে স্বীকৃতিও নাপায়। সাধাৰণতে চাকৰিয়াল গৃহিণী গৰাকীয়ে ঘৰৰ সকলোতকৈ আগতেই শুই উঠি নিজে ঘৰখনৰ সকলোবোৰ যাৱতীয় জঞ্জাল আঁতাই সন্তান, স্বামী বা পৰিয়ালক সন্তুষ্ট কৰিহে অফিচলৈ দৌৰাদৌৰিকৈ যাবলগীয়া হয় আৰু উভতি আহিও সকলোৰে মন যোগাবলগীয়া হয়। ইয়াৰ অলপ হেৰফেৰ হ'লেই নানা ধৰণৰ কথা শুনিব লগা হয়।

মন কৰিবলগীয়া কথাটো হ'ল পশ্চিমীয়া দেশ সমূহত নাৰী স্বাধীনতা আমাৰ দেশতকৈ বহুগুণে বেছি। আইনে তেওঁলোকক যথেষ্ট ক্ষমতা প্ৰদান কৰিছে। ফলত নিজৰ মৰ্যাদা ৰক্ষাৰ্থে তেওঁলোকে শক্তিশালী ৰাজনীতিকৰ বিৰুদ্ধেও মাত মাতিব পাৰে। আইনী সুৰক্ষা থকা বাবেই সাংবিধানিকভাৱে পৃথিৱীৰ ভিতৰতে শক্তিশালী ব্যক্তি আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিণ্টনৰ বিৰুদ্ধে যৌন পীড়নৰ গোচৰ তুলি মণিকা লিউনেস্কি আৰু পাওলা জন্স নামৰ মহিলা দুগৰাকীয়ে গোটেই বিশ্ব কঁপাই তুলিছিল। ইয়াৰ বিপৰীতে আমাৰ দেশত নাৰীৰ সেই স্বাধীনতা আইনে দিলেও সামাজিক আদালতত ইয়াৰ অনুমোদন নাই।

অসংগঠিত খণ্ডতে আমাৰ দেশত নাৰী সমাজৰ বিশাল অংশই কাম কৰে। এই খণ্ডত পৰে কৃষিকে ধৰি কুটীৰ শিল্প, হস্ততাঁত শিল্প, গৃহ আৰু অন্যান্য নিৰ্মাণ শিল্পসমূহ। অসংগঠিত শ্ৰমিক সকলৰ সাধাৰণ বৈশিষ্ট্য হৈছে এওঁলোক অস্থায়ী শ্ৰমিক। দ্বিতীয়তে এওঁলোক কোনো সংগঠনৰ অন্তৰ্ভুক্ত নহয়। কঠোৰ পৰিশ্ৰমৰ বিনিময়ত তেওঁলোকে জীৱিকা নিৰ্বাহ কৰে। দুখ আৰু পৰিতাপৰ বিষয় যে অসংগঠিত খণ্ডৰ কৃষিখণ্ডত জড়িত গ্ৰামাঞ্চলৰ মহিলা শ্ৰমিক সকলৰ শ্ৰমক শ্ৰম বুলি গণ্য কৰাই নহয়। অথচ পশুপালন, খাদ্য সংৰক্ষণ, কঠিয়া ৰোৱা-তোলা, ধান কটা, চপোৱা ইত্যাদি কামবোৰ প্ৰধানকৈ মহিলাই কৰে। শ্ৰম আৰ্থিকেই হওক বা অনাৰ্থিকেই হওক এই শ্ৰেণীৰ শ্ৰমিকৰ স্বাস্থ্য ৰক্ষা বা আইনী সুৰক্ষাৰ প্ৰতি অকণো গুৰুত্ব দিয়া নহয়। তথাপি আৰ্থিক সংকটত জুৰুলা পৰিয়ালৰ আত্মসংস্থাপনৰ জোৰা মাৰিবলৈ এইসকল মহিলাৰ অনেক অংশই আইনৰ সুৰক্ষাহীন পৰিৱেশত কোনো ব্যক্তিগত মালিক পক্ষৰ তলতো কাম কৰিবলৈ বাধ্য হয়। কিন্তু একে কামৰ বিনিময়ত পুৰুষৰ তুলনাত দুই-তৃতীয়াংশ মজুৰিহে তেওঁলোকক দিয়া হয়। মহিলা শ্ৰমিক সকলৰ প্ৰতি এনে অসাম্য আচৰণ মূলতঃ আমাৰ সমাজত মহিলাৰ প্ৰতি থকা বৈষম্যমূলক ভাৱৰ পৰাই সৃষ্টি হৈছে। সি যিকি নহওঁক অন্যান্য অসুবিধাৰ লগতে পাৰিশ্ৰমিকৰ বিপুল ব্যৱধানৰ বাবে এই খণ্ডৰ মহিলা শ্ৰমিকে সততে হীনমন্যতাবোধত ভুগি থাকে; যিটো পৰিশীলিত শ্ৰমৰ ক্ষেত্ৰত হেঙাৰ স্বৰূপ।

শ্ৰমৰ মৰ্যাদাৰ ক্ষেত্ৰত গৃহিণী সকলৰ অৱস্থা আৰু বেছি বেয়া লগা। নেপোলিয়নে কৈছিল— 'Give me an educated mother, I will give you a good nation.' ইয়াত মনীষী গৰাকীয়ে 'Educated' শব্দটো শিক্ষাৰ সংকীৰ্ণ অৰ্থত ব্যৱহাৰ নকৰি বহল অৰ্থত ব্যৱহাৰ কৰিছে। য'ত অনাখৰী মহিলা এগৰাকী উচ্চশিক্ষিত হ'ব পাৰে আৰু সু-নাগৰিক ৰূপে গঢ়ি তোলাত বিপুল বৰঙণি যোগাব পাৰে। 'Home is the best school and parent is the best teacher.' ইয়াত 'parent' শব্দটোৱে মাক-দেউতাক উভয়কে সামৰে। শিশু সকলৰ ভৱিষ্যত দ্ৰষ্টা



MOHAN LAL CHOUDHURY LIBRARY :
Library :

বাণীসমূহৰ ক্ষেত্ৰত এইবোৰতকৈয়ো মূল্যবান কথা এষাৰ হ'ল— 'আজিৰ অকণি কাইলৈ দেশৰ নাগৰিক বা ধৰণী'। এই দেশৰ ধৰণী শিশু সকলক, ক্ষুদ্ৰ পৰিয়াল এটাৰ ধৰণীও ধৰি ৰাখে গৃহিণী গৰাকীয়ে। পূৰ্বতে উল্লেখ কৰা হৈছে যে সমাজ এখন শৃংখলিত কৰি ৰাখিব পৰা চাবি-কাঠি মহিলা সকলৰ হাততহে সংৰক্ষিত হৈ আহিছে। বিখ্যাত সমাজতত্ত্বিদ এঙ্গেলছৰ মতে— 'ইতিহাস সৃষ্টিৰ আগৰ সময়ছোৱাত নাৰীহে মানুহৰ দলনেত্ৰী আছিল।' লাহে লাহে সম্পত্তিৰ মালিকী স্বত্ব আৰম্ভ হোৱাৰ ফলত পুৰুষ সকলে মালিকানা হস্তগত কৰাত মহিলাসকলৰ কৰ্তৃত্ব কমি আহিবলৈ ধৰিলে।

গৃহিণীসকলে পৰিয়ালকেন্দ্ৰিক ব্যৱস্থাত শাৰীৰিক আৰু মানসিকভাবে বহুত পৰিশ্ৰম কৰিবলগীয়া হয়। কিন্তু তেওঁলোকৰ এই শ্ৰম মূল্যহীন বুলি ধৰা হয় আৰু গোটেই জীৱন জুৰি তেওঁলোকে কোনো পাৰিশ্ৰমিক নাপায়। এটা আন্তঃৰাষ্ট্ৰীয় হিচাপ মতে ১৯৯০ চনৰ প্ৰথম ভাগত সমগ্ৰ বিশ্বৰ ঘৰুৱা কামৰ আৰ্থিক মূল্য আছিল চাৰি মিলিয়ন ডলাৰ। তথাপিতো জনসাধাৰণৰ ধাৰণা, গৃহকাৰ্য মূল্যহীন। কিয়নো গৃহিণী গৰাকীৰ ওপৰত ন্যস্ত কৰিহে গৃহস্থজনে বাহিৰত অধিক প্ৰৰিশ্ৰমৰ জৰিয়তে অধিক অৰ্থ উপাৰ্জন কৰিব পাৰে। 'What is a wife worth' নামৰ গ্ৰন্থত লেখকদ্বয় মাইকেল এইচ্. মিল্টন আৰু ব্লকে উল্লেখ কৰিছে যে শ্ৰমজীৱী পুৰুষৰ উপাৰ্জনৰ ক্ষমতা পোনপটীয়াকৈ নিৰ্ভৰ কৰে পত্নীৰ অৱদানৰ ওপৰত। তথাপিতো অৰ্থৰ হিচাপত পত্নীৰ অৱদান শূন্য।

পৰিয়ালৰ অৰ্থনীতি পৰিচালনা কৰে পতি বা পুৰুষসকলে, নাৰীক মাত্ৰ ক্ৰীড়নক হিচাপেহে গণ্য কৰা হয়। দেখা যায় যে সাধাৰণ বস্তু এটা কিনাৰ বাবে নাৰীৰ হাতত টকা নাথাকে আৰু কিছুমানৰ এই সামৰ্থ থাকিলেও পুৰুষৰ অনুমতি ল'বলগা হয়। অন্যথা নানান ধৰণৰ কথা শুনিব লগা হয়। এই পৰিৱেশ সঁচাকৈয়ে লজ্জাজনক আৰু স্বাভাৱিকতেই গৃহিণীৰ, নাৰীৰ মৰ্যাদা হানিকাৰক আৰু ইয়ে গৃহিণীৰ মনত হীনমন্যতাবোধ জন্মায়।

গৃহিণীৰ ক্ষেত্ৰত আটাইতকৈ দুখলগা আৰু মৰ্যাদা হানিকৰ হৈছে— প্ৰতিভাৰ অৱদমন। গৃহিণী সকলৰ মাজতো মেধা সম্পন্ন, প্ৰতিভাশালী আৰু অৰ্হতা সম্পন্ন বহু নাৰী আছে। কিন্তু তেনে মহিলাৰ প্ৰতিভাৰ বিকাশ সুবিধা দিয়াৰ উদাহৰণ লেখিলে আঙুলিৰ আঁচ আজৰি নহ'ব। ফলত এনে বহু মহিলাৰ প্ৰতিভা অকালতে মৰহি গৈছে।

বস্তুতঃ নাৰীসকলে যদি নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ নিজেই ওলাই নাহে, তেন্তে তেওঁলোকে কেৱল শ্ৰমৰেই নহয় আৰ্থ-সামাজিক কোনো মৰ্যাদাকে লাভ কৰিবলৈ সমৰ্থ নহ'ব। নাৰী সমাজৰ অধিকাংশই আজিও সুসংগঠিত ৰূপে নিজৰ হৈ চিন্তা কৰিবলৈ শিকা নাই। কিন্তু সময় সলনি হৈছে। প্ৰশাসনৰ লগতে প্ৰায় সকলো দপ্তৰতে উচ্চ পদাধিকাৰী মহিলাই দক্ষতাৰে নিজৰ কাৰ্য্য সম্পন্ন কৰাৰ উপৰিও কাৰগিল যুদ্ধত জেট বিমান পৰিচালনা কৰি দুৰ্জেয় সাহসৰ পৰিচয় দিছে ভাৰতৰে জীয়াৰী গুণ্জন চাক্সেনাই। তৎসত্বেও নাৰীৰ শ্ৰমে পূৰ্ণ মৰ্যাদা আদায় কৰিব পৰা নাই কিয়? সমগ্ৰ নাৰী সমাজে একগোট হৈ থিয় নিদিলে তেওঁলোকৰ শ্ৰমৰ মৰ্যাদাকে ধৰি যিকোনো নায্য দাবীয়ে পূৰণ হোৱাটো সম্ভৱ নহয়।

যি কি নহওঁক আমাৰ সমাজৰ অবিচ্ছেদ্য অংশ, অৰ্দ্ধাকাশ স্বৰূপ নাৰী সমাজৰ সামাজিক অৱস্থান লক্ষ্য কৰিলে দেখা যায় তেওঁলোকৰ সমান অধিকাৰ, স্বাধীনতা আৰু গণতান্ত্ৰিক চেতনাক হেঁচা দি ৰখা হৈছে। এইক্ষেত্ৰত নাৰী সমাজৰ আত্মসচেতনতাৰ অভাৱো এটা ডাঙৰ উপাদান যদিও পুৰুষ কৰ্তৃত্বশীলতাই ইয়াৰ ঘাই কাৰণ বুলি ক'ব পাৰি। মাও ছে ডঙে চীনা মহিলাৰ সন্দৰ্ভত কৈছিল যে— 'এজন পুৰুষ ৰাজনৈতিক কৰ্তৃত্ব, গোষ্ঠী কৰ্তৃত্ব আৰু ধৰ্মীয় কৰ্তৃত্বৰ অধীন। কিন্তু এগৰাকী নাৰী এই তিনিবিধ কৰ্তৃত্বৰ লগতে পুৰুষৰ কৰ্তৃত্বৰ অধীন।' এয়া সকলো শ্ৰেণীৰ নাৰীৰে এক উমৈহতীয়া সমস্যা আৰু মৰ্যাদা হানিকৰ প্ৰশ্ন।

নাৰীৰ শ্ৰমৰ আৰ্থ-সামাজিক সকলো ক্ষেত্ৰতে উপযুক্ত মৰ্যাদা প্ৰদান কৰি সামাজিক প্ৰগতিৰ কথা চিন্তা নকৰিলে কেৱল আকাশৰ এটা অংশৰ দ্বাৰা সমাজৰ প্ৰগতি কেতিয়াও সম্ভৱ নহয়। কিয়নো পৃথিৱীৰ জনসংখ্যাৰ আধা অংশ নাৰী। গতিকে নাৰীৰ শ্ৰম মৰ্যাদাৰ স'তে জড়িত হৈ আছে সামাজিক প্ৰগতিৰ প্ৰশ্ন। ইয়াৰ সমাধানৰ পথ বিচাৰি উলিওৱাৰ দায়িত্ব প্ৰতিজন চিন্তাশীল ব্যক্তি আৰু প্ৰতিটো সমাজ সংগঠনৰ ওপৰত নৈতিকভাবে ন্যস্ত।❋❋



MOHAN LAL CHOUDHURY LIBRARY :

Library :



# কবিতা কানন



MOHAN LAL CHOUDHURY LIBRARY :
Library:





MOHAN LAL CHOUDHURY LIBRARY :
Library:



# এটি গীত



❒ সুমন মিত্র
উ. মা. ১ম বৰ্ষ

জি.এল.চি. কলেজৰ ছাত্ৰ-ছাত্ৰী আমি
উজ্বল পোহৰ বিলাও,
মিলনৰ গীত গাই গাই
আশাৰ প্ৰদীপ জ্বলাওঁ।
জ্ঞান-বিজ্ঞান কলা- সংস্কৃতি
পোহৰৰ জয়গান গাও
সাধনাই আমাৰ জীৱন
আশাৰ সুৰভি বিলাও।
বাই যাও আমি সুৰৰ পানচৈ
জ্ঞানৰ মালিতা ৰচি যাও
প্ৰভাতী চৰাইৰ দৰে সুৰৰ লহৰ তুলি
জি. এল.চি. কলেজক আমিয়ে জগাও।

# গণেশ লাল চৌধুৰী



❒ কিশোৰ চৌধুৰী
উ. মা. ১ম বৰ্ষ

হে মহান গণেশ লাল চৌধুৰী
তোমালৈ হেজাৰ প্ৰণাম
তুমিয়েই আমাৰ নৱশক্তি।
জ্ঞানচকু আমাক কৰিছা দান
আমি তোমাক কৰিছো সন্মান।
সেয়ে তোমাৰ মহান নাম
চিৰদিন ৰাখিম উজ্বলাই
হে মহান গণেশ লাল চৌধুৰী
নেযাবা আঁতৰি।
আমাৰ মাজতে
প্ৰতি বছৰে আদৰিম তোমাক।
আমাৰ কৰ্তব্য আৰু লিখনিৰ দ্বাৰা
হে মহান গণেশ লাল চৌধুৰী
তোমালৈ যাচিছোঁ প্ৰণাম।



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# গণেশ লাল চৌধুৰী মহাবিদ্যালয় তোমাক স্বাগতম



❑ নাজমিনাৰা চুলতানা হক
স্নাতক ৩ য় বৰ্ষ

তোমাক স্বাগতম
হে গণেশ লাল চৌধুৰী মহাবিদ্যালয়
তোমাক জনালো স্বাগতম
তুমি যে এগছি জ্ঞানৰ দীপশিখা
কিহেৰে জনাম তোমাক সম্ভাষণ
নাই হৃদয়ত ভাষা
মৰমেৰে তোমাক আঁকোৱালি লব'লৈ
কৰিছো এফেৰি আশা।
আহাচোন এবাৰ বুকুৰ মাজলৈ
লোৱাচোন মৰমবোৰ আমাৰ
এপাহি নিৰ্মালি যাচিছো সাদৰি
নৱাগত আদৰণি সভা তোমাৰ।
তুমি আহিছা আমাৰ মাজলৈ
উৎসৱৰ বতৰা হৈ
তোমাক আদৰিবলৈ আছোহি
আমি ফুলাম গামোছাখন লৈ।
সযতনে গাঁথিছো ফুলৰ মালাধাৰি
ডিঙিতে পিন্ধামেই আৰি
গৌৰৱময় তোমাৰ ৰূপালী জীৱন
উঠক আলোকেৰে ভৰি।
থাকিবা তুমি আমাৰ মাজতেই
আকাশৰ জোনটি হৈ
নিশাৰ এন্ধাৰত উজুতি খোৱাক
পোহৰ বিলাবলৈ।
তোমাৰ কিৰীটি উজলাই আমি
গাম মিলনৰ গান।
স্মৃতিৰ সফুঁৰাত জিলিকি থাকিব
গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ মান।

# পৃথিৱী



❑ ইছমাইল খান
স্নাতক ১ ম বৰ্ষ

হে পৃথিৱী
তুমি শুনিছানে
অ সহায় জনতাৰ
কৰুণ কাহিনী।
যাৰ চকুত জ্বলিছে
অজস্ৰ দুখৰ অগ্নি।
তেজেৰে প্লাবিত হৈছে
যাৰ বুকু।
যিয়ে দৰিদ্ৰতাক আকোঁৱালি লৈ
জ্বলাইছে সুখৰ বন্তি।
মৃত্যুক লৈছে আকোৱালি
কি যে কৰুণ বিননি।
শুনিছানে তুমি?
চকু মেলি চোৱাহে ধৰণী
গুচাবলৈ সমাজৰ দুৰ্নীতি
হে ধৰণী, গঢ়ি তোলা অসহায়
জনতাৰ
সুখময় জীৱন
দিয়া শোষণৰ বিৰুদ্ধে
তীব্ৰ প্ৰতিবাদৰ সাহস
জগাই তোলা আই মাতৃৰ সন্তান



MOHAN LAL CHOUDHURY LIBRARY :
Library :

## এপলকতে



❑ ঝুমা নাথ
স্নাতক ১ম বর্ষ

এপলকতে
তোমাৰ সেই চাৱনি
তোমাৰ সেই মৰম আৰু
তোমাৰ সেই মিচিকীয়া হাঁহি......
এপলকতে
মোৰ হৃদয়ত প্ৰথম প্ৰেমৰ অনুভূতি জগোৱা
সেই চাৱনি, সেই মৰম আৰু সেই হাঁহি
সাঁচাকৈয়ে আছিলনে ..... মোৰ বাবে ....
এপলকতে
মোৰ হৃদয়ত ঠাই লোৱা
মোৰ হৃদয়ক ফুলৰ বাগিচা কৰি যোৱা
সেই প্ৰথম প্ৰেমৰ অনুভূতিৰে ......
এপলকতে
যেন সকলো শেষ হৈ গ'ল
মোৰ প্ৰতি তোমাৰ ভালপোৱা
মাথো ৰৈ গ'ল হতাশা।
স্মৃতি আৰু চকুলো! ......





## জীৱন



❑ দিপা সাহা
উ. মা. ১ম বৰ্ষ

জীৱন এক অবিৰত যাত্ৰা
নিৰ্দ্দিষ্ট লক্ষ্য অভিমুখে,
গৈ আছো- আমি কব নোৱাৰাকৈ
দিনে -দিনে, মাহে-মাহে ,বছৰে-বছৰে।
জীৱন এক জটিল প্ৰক্ৰিয়া
য'ত প্ৰতিটো দিনেই একোটা পাঠ,
কিন্তু লক্ষ্যভ্ৰষ্ট হ'লে জীৱন অৰ্থহীন
নকৰো যে আমি অনুভৱ।
জীৱন এক কৰ্তব্যৰ সমষ্টি
য'ত নিৰ্ণয় হয় মানুহৰ দাম,
ই কেৱল নিজৰ বাবেই নহয়
আনৰ বাবেও কৰা কিছু কাম।
জীৱন যাত্ৰাৰ অভিমুখে
কেতিয়াবা আহে আনন্দ কেতিয়াবা ভয়,
যাওঁ আগুৱাই সংগ্ৰামৰ মাজেৰে
এইবোৰ জীৱনৰে লহৰ।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

## ভূপেন দা লৈ শ্ৰদ্ধাঞ্জলি



❒ টংকেশ্বৰ ঘোষ
উ. মা. ১ ম বৰ্ষ

ভূপেন দা তুমিনো
কিয় গুচি গ'লা?
তুমি আছিলা যে
অসমী আইৰ সু-সন্তান
মানুহ আৰু প্ৰকৃতিক লৈ
লিখিছিলা
বহুত সুমধুৰ গান।
অৰ্থপূৰ্ণ গীতেৰে তুমি
মানুহৰ অন্তৰ জিনিলা।
তোমাৰ সুৰতে পালো
গীত গাবলৈ অধিক প্ৰেৰণা।
অপূৰণ হৈ ৰ'ল মোৰ আশা
তোমাৰ পদযুগল স্পৰ্শ কৰাৰ।
তুমি আঁতৰি গ'লেও
বিশ্ব দৰবাৰত প্ৰসিদ্ধ হৈ ৰ'লা
কোনো ৰত্নৰে তুলনা নহয়
তোমাৰ কালজয়ী সৃষ্টি।
আমাৰ মাজতে থাকিবা
হৃদয় ৰত্ন ৰূপে চিৰকাল
জিলিকি।



## ভূপেন দা



❒ সত্যজিৎ দাস
উ. মা. ১ম বৰ্ষ

অসমৰ সংগীত সূৰ্য ভূপেন দা
আপোনাৰ গীত, মাত, কথা, সুৰে
অসমক চাকিৰ পোহৰেৰে
আলোকিত কৰিলে
চিৰদিনৰ বাবে জ্বলি থাকিব এই পোহৰ
আপুনি যি চাকি জ্বলাই
অসমৰ মানুহক এৰি গুছি গ'ল
এই চাকিৰ পোহৰেৰে
আপোনালৈ শ্ৰদ্ধাঞ্জলি
যাচিব নতুন পুৰুষে
আৰু এই শ্ৰদ্ধাঞ্জলিৰ বাবে
আপোনাৰ জীৱনে মুক্তি পাব
মানুহে আপোনাক পূজা কৰিব
স্বৰ্গত স্থান পাব।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

## প্ৰেমৰ কবিতা



❑ চোভা চৌধুৰী
স্নাতক ১ ম বৰ্ষ

শৈশৱৰ বোকোচাৰ পৰা নামিয়েই
যৌৱনৰ দলিচাত থিয় হৈ
প্ৰথম দেখিলো তোমাক
কোনেও নজনাকৈ স্থান দিলো তোমাক
মোৰ হৃদয়ৰ গোপন কোঠাত
তেতিয়াই মই নিজকে প্ৰশ্ন কৰিছিলোঁ
এয়েই নেকি প্ৰেমৰ সঁফুৰা
তুমিও চাগে বুজিছিলা মোৰ
দুচকুৰ অবুজ ভাষা
মোৰ মৌনতাৰ সুযোগ লৈ
বুজিও নুবুজাৰ ভাও ধৰি
তুমি আঁতৰি গলা মোৰ দুচকুৰ পৰা
তথাপি মই পাহৰিব পৰা নাই
তোমাৰ সেই মনোমোহা দুচকুৰ চাৱনি
এতিয়াও প্ৰতিফলিত হয়
মোৰ হৃদয়ৰ দাপোণত
তোমাৰ মুখৰ হাঁহি
তোমাৰ ধুনীয়া চাৱনি।।





## মৰম



❑ মঙ্গল বৰ্মন
উ. মা. ২য় বৰ্ষ

তোমাৰ মৰম পাবলৈ
আশাৰে বৈ আছোঁ মই
তোমাৰ মৰম লগা
দুচকুৰ চাৱনিয়ে আজিও
মোক বাৰে বাৰে কৰে আমনি।
হয়তো তুমি নুবুজিবা
তোমাৰ বাবে বহু
সেমেকা ৰাতি
পাৰ কৰিছোঁ মই উজাগৰে
এটাই মাথোন আশা
অলপ সঁচা মৰম পাবলৈ
তোমাৰ হিয়াৰ লগৰী হ'বলৈ।
দিবানে তোমাৰ হিয়াৰ
ঠাই অকণমান জিৰণি ল'বলৈ।
তোমাৰ মৰম অবিহনে
কিদৰে পাৰ কৰিছো সময়বোৰ
মাথো অনুভৱ কৰিছো
মোৰ ভাগি যোৱা হিয়াখনৰ ভগা চিএৰ



MOHAN LAL CHOUDHURY LIBRARY :
Library:

## মা



❒ মাম্পী বসাক
স্নাতক ১ম বৰ্ষ

গোলাপ ফুল, বেলি ফুল
দেখিবলৈ বৰ ভাল লাগে,
তাতকৈ ভাল লাগে
মোৰ মাৰ মুখনি চাই।
যাৰ বাবে মই এই ধৰণীত
লভিলো জনম,
দেখিলো সকলো, বুজিলো সকলো
তেৱেঁই মোৰ মা।
মৰম স্নেহ প্ৰেম -প্ৰীতি
তোমাৰ কোলাতে পাই।
পৃখিৱীৰ সকলোতকৈ আপোন
মোৰ জন্মদাত্ৰী আই।



## মা



❒ প্ৰিয়ংকা বৰ্মন
স্নাতক ১ম বৰ্ষ

তুমি মোৰ মা
মই তোমাৰ সন্তান
তুমি মোৰ জন্মদাত্ৰী
তুমি মোৰ দেৱী
তোমাৰ কোলাতে জনম লৈ
মই পৃথিৱীত মানুহ হৈ
তুমি শিকোৱা কথা পালন কৰি
বিলাও মই সৰগৰ বাণী।



## তৰালৈ প্ৰীতি



❒ অনন্ত বৰ্মন
উ. মা. ১ ম বৰ্ষ

তৰা অ' তৰা আকাশৰ তৰা
কেতিয়াবা আহি দিৱানে মোক ধৰা
আকাশত বহি বহি তুমি মোক দেখা
সঁচাকে দিম তোমাকে মই ধৰা।
মই মৰি তৰা হ'ম দুয়োজনে একে লগে বহি
পৃথিৱীৰ ওপৰত জিলিকি ৰ'ম।
খৰাং বতৰত জিলিকিম আৰু
তিৰবিৰাই থাকিম।
মেঘৰে গাজনি শুনিলে লুকা-ভাকু খেলিম।
সঁচাকৈয়ে মই এদিন তৰা হ'বলৈ যাম।
আকাশৰ তৰা হৈ সকলোকে চাম।



MOHAN LAL CHOUDHURY LIBRARY :

## শৰতৰ সপোন



❑ উছমিতা পাটগিৰি
স্নাতক ৩ য় বৰ্ষ

ৰাতিটো আছিল যেন খুব ধুনীয়া
তোমাৰ মনটোৰ নিচিনা চাফা
আৰু বৰ মৰমলগা
অৰ্থাৎ সেইদিনা আছিল জোনাক নিশা
এনেকুৱা লাগিছিল যেন জোনাকৰ স্নিগ্ধ পোহৰ
আমাৰ চোতালতে বৈ আছেহি....
তেতিয়া মই আছিলো,
আমাৰ পদূলি মুখৰ ফুলি থকা
শেৱালি জোপাৰ তলত
তাতে বহি থাকোতে মই গৈ পালো
অন্য এখন জগতলৈ, কাষত গৈ দেখিলো
তাত থকা সকলো বস্তুবোৰ যেন ৰঙীণ,
সকলো বস্তুয়ে যেন
মধুৰ মাজেৰে মৰম লগা কথা কব পাৰে
এইবোৰ দেখা পাই তোমালৈ মনত পৰিল......
তোমাৰ কথাকে ভাবি থাকোতে
হঠাতে পদূলিৰ শেৱালি জুপিৰ ডাল এটাৰ পৰা
তিনি টোপা নিয়ৰৰ টোপাল আহি
সৰি পৰিল মোৰ চকুত,
তেতিয়াহে মই চকু জুৰি মোহাৰি চালোঁ,
দেখিলো যে বগা চাদৰ এখন লৈ
ৰাতিটো ইতিমধ্যে শুই পৰিছে আকাশত.......



## প্ৰেমৰ অনুভৱ



❑ মহাদ্যুতি নায়ক
উ. মা. ১ম বৰ্ষ

এই প্ৰেমৰ অনুভৱ মনৰ দুৱাৰত
আহিবা তুমি কেতিয়া।
আশাৰে ভৰা মনৰ বাগিছা
তুমি আহিলে ফুল ফুলিব তেতিয়া।
মায়াৰে ভৰা তোমাৰ সেই
দুটি চকুৰে
বিদীৰ্ণ কৰিছে মোৰ
এই বুকু
নাথাকিবা তুমি মোৰ পৰা
ইমান আঁতৰত
মোৰ এই দেহ কেৱল, প্ৰাণটো আছে
তোমাৰ হাতত
সফল কৰিবানে মনৰ আশা তুমি,
মোৰ জীৱনলৈ আহি।
মোৰ কাৰণে অৰ্থবহ কেৱল
তোমাৰ মুখৰ অপূৰ্ব হাঁহি।



MOHAN LAL CHOUDHURY LIBRARY :
Library :

## চকুলো



❐ মিনৰা খাতুন
উ. মা. ২য় বৰ্ষ

কেতিয়াও ভালপোৱা নাছিলা তুমি
কেৱল কৰিলা প্ৰেম নামৰ অভিনয়,
জীৱনৰ কিতাপ মেলি দেখিলো
এয়া মোৰ চৰম পৰাজয়।
হেৰোৱা সপোনক দিছিলা
তুমি বাস্তৱ ৰূপ
তোমাৰ লগত থকা সময়ৰ কথা
মনত পৰিলে নীৰৱে
সৰে কেৱল চকুলো।
ছলনাৰ প্ৰেম তোমাৰ
যি প্ৰেম কেৱল
চকুলোৰ নীৰৱ সাক্ষী।



## ৩০ অক্টোবৰ



❐ ডালিমী নাথ
স্নাতক ৩য় বৰ্ষ

আহিল আহিল ক'লা দিৱস
বুকু ভৰি বিষাদ আহিল
চাৰি বছৰ পূৰ্ণ হ'ল
বিষাদো যে গভীৰ হ'ল।
সকলোৰে মনত ক'লা ডাৱৰে ভৰা
সকলোৰে বিচাৰে শান্তি
নাই শান্তি, নাই অহিংসা
অবিৰতভাৱে বাঢ়িছে হিংসা।
দেশ স্বাধীন হৈছে
কিন্তু দেশলৈ হ'লে নাহিল শান্তি
কাৰোবাৰ কান্দোনৰ ৰোল শুনি,
কোনোবাই মচিছে চকুপানী
কোনোবাই আকৌ জগাইছে সাহস।
যি হৈ গ'ল, সেয়া স্মৃতি হৈ ৰ'ল
যি হোৱা নাই তাক একতাৰে
জনতা সতৰ্ক হবলৈ হ'ল
স্মৃতি হৈ যোৱা বেদনা,
পুনৰাবৃত্তি নকৰিবলৈ সকলোকে কৰা আহবান।
শুই থকা জনক জগাই তুলি
ক'লা দিৱসক কৰি তোলো শান্তিৰ দিৱস
মনত জগোৱা সাহস
কৰি তোলো শান্তিময় জীৱন।



MOHAN LAL CHOUDHURY LIBRARY :
Library :

## নদী



❒ ৰকিবুল ইছলাম
স্নাতক ১ম বৰ্ষ

মোৰ নাম নদী
আগলৈ মোৰ গতি
কদাপি নাহো উভতি।
সুখ-দুখ, হাঁহি, কান্দোন
সকলোকে সাৰটি লৈ
যাওঁ মাথো আগবাঢ়ি।
কাৰো বাধাত নাথাকো ৰৈ
কাৰণ মোৰ অন্য নাম নৈ
গতি মোৰ বিশাল সাগৰলৈ।



## বৰষুণ তুমি নাহিবা ঘনে ঘনে



❒ আকিবুল আহমেদ
স্নাতক ৩ য় বৰ্ষ

বৰষুণ তুমি কিয় আহা
কিয় আহা তুমি ঘনে ঘনে
হৃদয়ৰ পাহি তিতাই যোৱা
তুমি প্ৰতি পলে পলে।
তোমাক কও বাৰে বাৰে
হাত যোৰকৈ কও
তুমি নাহিবা, তুমি নাহিবা
মোৰ সপোনলৈ, বাৰে বাৰে।
মোৰ হৃদয় জুইৰে ভৰা
জ্বলা জুই মোৰ হৃদয়।
জুইতেই মোক জ্বলিবলৈ দিয়া
আৰু মৰিবলৈ।
তথাপি তুমি নাহিবা ঘনে ঘনে
বাৰে বাৰে
তোমাক বুজিছো
তোমাৰ শীতল ৰূপৰ ছলনাত
তিতিছো মই
বৰষুণ তুমি নাহিবা
নাহিবা ভয়ংকৰ ৰূপ লৈ।
তুমি নাহিবা এছিড হৈ ।
মোৰ জ্বলি থকা হৃদয়খনক
আৰু নজ্বলাবা এছিড হৈ।
তুমি নাহিবা, তুমি নাহিবা।
বৰষুণ তুমি নাহিবা
মোৰ জীৱনলৈ।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# হিংসা ভৰা পৃথিৱী



❒ উৎকল সাহা
উ. মা. ১ ম বৰ্ষ

জীৱনটো নাযায় নুপুৱায় যেন লাগে
এই হিংসা ভৰা পৃথিৱীত
এই পৃথিৱীত নাই অহিংসা নীতি
আছে কেৱল সন্ত্ৰাস ভীতি
জীৱনৰ প্ৰতিটো খোজতে প্ৰতিটো ক্ষণতে
আছে কেৱল বিপদৰ আশংকা
যেনেকৈ সূৰ্যটো পুবত উদয় হৈ
পশ্চিমত অস্ত যায়।
তেনেকৈ জীৱনৰ প্ৰতিটো ক্ষণ
বিপদৰ ফালে ঢাল খায়।
যেনেকৈ ৰঙৰ উৎসৱ ফাকুৱা
তেনেকৈ তেজৰ উৎসৱ সন্ত্ৰাস।





# নিলাম

❒ মৰজিনা আহমেদ
উ. মা. ২য় বৰ্ষ



মই মোৰ হৃদয়
নিলাম কৰিব খোজো
আছেনে আপোনাৰ হাতত
মোৰ হৃদয়খন ক্ৰয় কৰিব পৰা
উচিত মূল্য?
চিন্তা নকৰিব,
হৃদয় ক্ৰয়ৰ বাবে আপুনি
কাৰো ৰোষত নপৰে
কৰ বিভাগ বা দুষ্ট মাফিয়াৰ।
ইয়াৰ বাবে আপুনি ভৰিব লগা নহয়
মাহিলি ইষ্টলমেন্ট
অৱশ্যে কেইটামান চৰ্ত প্ৰযোজ্য হ'ব-
চৰ্ত ঃ
হৃদয় ক্ৰয় বিক্ৰয়ৰ ক্ষেত্ৰত
টকা বা সম্পত্তি গ্ৰহণ কৰা নহয়।
মোৰ হৃদয় ক্ৰয় কৰিব পাৰিব
মাথো হৃদয়েৰে।
উপহাৰ হিচাপে দিয়া হ'ব
এবুকু দুখ আৰু সহস্ৰ বেদনা
দিয়া হ'ব বহু আধালেখা সপোনৰ টুকুৰা!
(ছাঁ লৈ লিখা)



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# মৃত্যু যদি জীৱনৰ পৰিসীমা হয়



❒ ছালমা পাৰবিন
স্নাতক ১ম বৰ্ষ

মৃত্যু যদি জীৱনৰ পৰিসীমা হয়,
জীয়াই থকাৰ বাবে ইমান তীব্ৰতা কিয় ?
বিচ্ছেদ যদি প্ৰেমৰ শেষ হয়—
মিলনৰ বাবে ইমান হাহাকাৰ কিয় ?
বিৰহ যদি ভালপোৱাৰ আন এটি নাম,
প্ৰেমৰ বাবে ইমান উন্মাদনা কিয় ?
স্পৃহা যদি জীৱনৰ মৰীচিকা
লালসাৰ নদীত আমি জৰ্জৰিত হওঁ কিয় ?
পোৱা-নোপোৱাৰ বেদনাত যদি
আমি মৰ্মাহত হওঁ—
আশাই ইমান প্ৰতিশ্ৰুতি লৈ
মোহে আমাক কিয় ?
এয়াই নেকি
জীৱনৰ চৰম সত্য ?





# জীৱন



❒ মনজুমা আহমেদ
উ. মা. ২য় বৰ্ষ

জীৱন যদি আশা হয়
ভালপোৱা কিয় বাৰু যাতনা
হৃদয়ৰ আবেগ যদি তৰংগ হয়,
মৰম কিয় জানো ছলনা।
জীৱন যদি এটি সপোন হয়
বাস্তৱ কিয় বাৰু নিঠৰুৱা
তোমাক পোৱা যদি অসম্ভৱ হয়
জীৱনৰ সপোন হ'ব আধৰুৱা।
কল্পনাৰ বাট যদি সমান হয়
বাস্তৱ কিয় ইমান অসমান,
হৃদয়ৰ আবেগ যদি ভালপোৱা হয়
প্ৰেমত প্ৰৰোচনা কিয় বিৰাজমান।



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# চকু থাকোতেও অন্ধ তুমি



❐ সাহিনুৰি চুলতানা
উ. মা. ১ম বর্ষ

মোৰ মনত ফুলিছে প্ৰেমৰ এপাহি ফুল
কৰিছা কিয় তুমি ইমান ভুল?
চকু থাকোতেও তাক নেদেখিলা
হাত থাকোতেও স্পৰ্শ নকৰিলা
কেলেই তুমি ইমান অভিমান কৰিলা?
চকু থাকোতেও অন্ধ হয় যিজন
উপযুক্ত ফুলৰ সন্ধান নাপায় সি জন।
হাতৰ কাষতে বাগিচা এৰি
ফুৰিছা কিয় বনত বিচাৰি?
ফুলৰ পিছে পিছে ফুৰিছে ভোমোৰা
মই আৰুনো কিমান দিম পহৰা ;
ইচ্ছা যদি হয় দেখিবলৈ দুটি চকুৰে
আহিবা তুমি গোপনে, অকলশৰে
গাথিছোঁ বেদনাৰ মালা
তুমি মৰম দিবা মূল্য দিবা অন্তৰেৰে
যাতে কোনেও খুলিব নোৱাৰে ইয়াৰ তলা।





# অচিনাকি মন



❐ মণ্টি কৰ
স্নাতক ১ম বর্ষ

অচিনাকি মন
কোন বাৰু তুমি
নেপাওঁ যে মই তোমাক চিনি।
এজাক বতাহৰ দৰে আহি,
কিয় গলা উভতি তুমি
তোমাৰ মনোহৰ দৃশ্য দেখি
থৰ হৈ ৰ'লো
সুন্দৰ সুগন্ধ বিলাই
আকৰ্ষিত কৰিলা যে তুমি মোক
নাজানো মই তোমাক
নাই যে তোমাৰ পৰিচয়।
কেনেকৈ বিচাৰিম মই তোমাক
কোন বাৰু তুমি।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

## জীৱনৰ আশা

❐ ফৰিদা খাতুন
স্নাতক ১ম বৰ্ষ



এটি আশা লৈ
আমি প্ৰতিটো পলেই আগবাঢ়ি যাওঁ
জীৱনৰ শেষ মুহূৰ্ত্তলৈ
জীৱন যুদ্ধৰ প্ৰতিশ্ৰুতিৰে
আগবাঢ়ি যাওঁতে
আমি হাহোঁ, কান্দো
কেতিয়াবা সুখত, কেতিয়াবা দুখত
জীৱনৰ প্ৰতি খোজত
কন্টকময় পথত।
আমাৰ জীৱনৰ অযুত আশা
কেতিয়াও শেষ হৈ নাযায়।





## আঁতৰি গ'লা কিয় ?

❐ জেছমিনা খাতুন
স্নাতক ১ম বৰ্ষ

সিদিনা আহিছিলা তুমি
মোৰ মন আকাশলৈ
ভৱিষ্যতৰ চাকি হৈ
মৌন ভাষা হৈ আহিছিলা
তুমি মোৰ এষাৰি কবিতা হৈ ।
নিবিচৰা কৈয়ে মই
আহিছিলা তুমি
জোনাকৰ দৰে মোৰ
সীমাহীন আকাশলৈ
অকলে নোহোৱা হ'বলৈ।
দুখেৰে ভৰা হিয়া
তোমাৰ পৰশত উঠিছিল নাচি
যাচিছিলো বহুত মৰম
তথাপি কিয় গ'লা আঁতৰি
আজি বহু দূৰলৈ।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

## কোন বাৰু তুমি?



❐ নূপুৰ বসাক
স্নাতক ১ম বৰ্ষ

কোন বাৰু তুমি
আহিছিলা মোৰ জীৱনলৈ,
থাকিম বুলি কথা দি.
কিয় তুমি আঁতৰি গ'লা
কৰিছিলা প্ৰতিজ্ঞা তুমি
এই প্ৰেমৰ মন্দিৰত,
দিছিলা তুমি মোক বহুতো আশা
মোৰ এই আকুল অন্তৰত।
বসন্তৰ দৰে মোৰ এই জীৱনলৈ আহি
নতুন ৰঙেৰে ৰঙীন কৰিছিলা,
কিয় তুমি ফাগুন চ'তৰ ধুমুহাৰ দৰে
আঁতৰি গলা মোৰ এই জীৱনৰ পৰা।
আজিও আছো মই তোমাৰ বাবে বাট চাই
আহিবা বুলি পুনৰ
পোহৰাই তুলিবা বুলি
মোৰ হৃদয় মন্দিৰ।





## মই কবিতা নিলিখো



❐ অমজু নাজমিনা আখতাৰ
উ. মা. ২ য় বৰ্ষ

নিলিখো কবিতা মই
কবি হ'বলৈ ;
নালাগে শিক্ষা মোক
পণ্ডিত হ'বলৈ ;
নকৰো ব্যৱসায় মই
ধনী হ'বলৈ ;
নকৰো প্ৰেম মই
প্ৰেমিক হ'বলৈ ;
নহওঁ ধ্যানত মগ্ন
যোগী হ'বলৈ;
ওভতাই দিয়া মোক
কৰিছো কাতৰ প্ৰাৰ্থনা
যি বাটে আহিছো মই
সেই বাট লৈ।



MOHAN LAL CHOUDHURY LIBRARY :
Library:



# গল্পগুচ্ছ



MOHAN LAL CHOUDHURY LIBRARY :
Library :





MOHAN LAL CHOUDHURY LIBRARY :
Library:

# বন্ধু সময় পালে আমাৰ ফালে



❒ মনালিছা আহমেদ
উ. মা. ১ম বৰ্ষ

চলন্ত গাড়ীত মোৰ টোপনি নাহে। প্ৰকৃতিৰ বিভিন্ন ৰূপ চাই চাই মোৰ হেঁপাহ নপলায়। গাড়ীত উঠিয়েই মোৰ চকু পথাৰে-সমাৰে, গছৰ আগে আগে, চৰাইৰ বোকোচাত বগাই ফুৰে। সুন্দৰ বতৰ আজি। বাৰিষাৰ মুষলধাৰ বৰষুণ নাই। নাই উৎকট গৰম। আকাশ ফৰকাল। মা দুৰ্গাক আদৰাৰ প্ৰস্তুতিৰে শুকুলা কহুৱা ফুলিছে। এনে ভ্ৰমণৰ আনন্দতে কবিয়ে লিখিছে—We will rush ever on without fear, let the goal be far .....

অনুগ্ৰহ কৰি অলপ সিফালে যাবনে?

নিশ্চয়!

দুজনীয়া ছিটটো মই যে অকলেই আগুৰি আছিলো অতপৰে গমেই নাপাও।

সঘনে আহি থকাৰ বাবে যাত্ৰাপথৰ এছোৱা চকু মুদিও মই গম পাওঁ এয়া 'ক' নামৰ ঠাইখন পাইছোহি। বৃহৎ গছ এজোপাৰ তলত কেইখনমান দোকন। অদূৰত এখন স্কুল। ছিটটোত পোন হৈ ৰব নোৱাৰি এফালে হালি গলেই গম পাও ইংৰাজী 'U' আখৰৰ দৰে টাৰ্নিংটো পাইছোহি। ঘটং ঘটংকৈ গাড়ীয়ে বেছি শব্দ কৰিলেই বুজো এইখন মোৰ হেঁপাহৰ নৈখন।

ছটকৈ পাৰ হৈ গ'ল ফুলনি এখন।

দৃষ্টি কাঢ়ি নিলে মোৰ।

গাড়ী খন ৰখাবলৈ কওঁ নেকি?

কিয়? কি হ'ল নো?

টপৰাই সুধিলো মই।

চলন্ত গাড়ীৰ পৰা ঘূৰি ঘূৰি চাইছে যে ফুলনিখন!

আত্ম বিভোৰ হৈ অহাৰ বাবে ইমান পৰে কাষৰ যাত্ৰীজনৰ অস্তিত্ব পাহৰি আছিলো।



ফুলৰ সৈতে মোৰ আজন্ম সম্পৰ্ক। হীৰুদাৰ দৰে ফুলৰ পাহিত মোৰ ল'ৰালি বুলি কবৰ মন যায়।

তেন্তে ফুলনি এখন পাতি লবই পাৰে দেখোন ঘৰতে।

বিশ্বায়নে পৃথিৱী খনকে ঠেক কৰা নাই, মানুহৰ মনবোৰো ঠেক কৰি পেলোৱা যেন অনুভৱ হয়। দিনৰ দিনটো কাষত বহি যোৱা সহযাত্ৰীজনে আপোনাক মাত এষাৰকে নিদিয়ে। তামোল এখন, মৰ্টন এটা দিলেও না না কৰে। কিজানি টোপনিৰ কিবা ......। কিন্তু এই ব্যক্তিজনে হৰ্ষবদনে উপযাচি কথা পাতিছে। এনে ব্যক্তিৰ সংখ্যা আজিকালি নিচেই কম। কথা পাতি ভাল পোৱা মানুহ সন্তৰ। মানুহ ভাল পোৱা মানুহক বিশ্বাস কৰা মানুহ। মই শলাগিলো হয়, আমাৰো আছে ফুলনি এখন।

কি ফুল ৰোৱা নাই তাত। গধূলি গোপাল, তগৰ বিধে বিধে গোলাপ, চম্পা। মই অকলেই লাগি থাকো ফুলনিত। এওঁ ফুল চিনিকে নাপায় কাঁইটকে ফুল বুলি ভাবে। কেতিয়াবা আকৌ ফুলকে কাঁইট বুলি ভুল কৰে। আৰু ছোৱালী দুজনী? সিঁহতক ফুলৰ চিন্তাৰ পৰা আঁতৰাই ৰাখিছে। থাকে সংসাৰত এনে বিপৰীত ধৰ্মী লোক। বৰ কষ্ট হয় দিন কটাবলৈ। পুৱা ওলাই সন্ধ্যা সোমোৱা দুখন বাছ চলা আমাৰ গাওঁ। গাঁওখনৰ সৰহ খিনি মানুহৰ ধাৰণা, ফুল ৰুই মাটি এডোখৰ অনাহকত নষ্ট কৰা তথাপিও চোতালৰ এচুকত জকমকাই আছে এখন ফুলনি।

মোৰ আনন্দৰ সীমা নাই। পিছে এদিন পুৱা পানী দিবলৈ গৈ দেখো এচেৰেকা তামোলৰ পিকে



MOHAN LAL CHOUDHURY LIBRARY :
Library:

পুলিটো বুৰাই পেলাইছে। তামূলী গৃহস্থকে সুধিলো— আপুনি তামোলৰ পিক পেলালে নেকি?

হয় জানো? এস, ফুল এজোপাতহে পেলালো যদি পেলালো আৰু!

মই জিকাৰ খাই উঠিলো, ফুল এজোপাহে!

আপোনাৰ মনটো বাটৰ ফুলনিতে এৰি আহিল নেকি?

মই নিমাতে থকা দেখি কথকী সহযাত্ৰীয়ে সুধিলে।

এৰা ফুলনি খন বৰ ধুনীয়া দেখিলো। বহুবছৰ অহাৰ পিছত গাড়ীখনে ধাবা এখনত ৰৈ দিলেহি। ধাবা খনৰ ভিতৰত মাছ, মাংস, কেঁচা জলকীয়া, নেমুৰ গোন্ধে যাত্ৰীৰ ভোক বঢ়াই তুলিছিল। বাহিৰৰ সেউজীয়া ছাতি এটাৰ তলত আমি দুজন বহিলো। ইতিমধ্যে সলসলীয়া কথা বতৰাৰে তেওঁ বৰ সহজ হৈ পৰিছিল।

মই প্ৰায় অকলেই আহিব লগা হয় তিনিমাহৰ মূৰে মূৰে। ব্লাড চেকআপ আৰু মেডিছিন এডজাষ্ট কৰিবলৈ। বাৰ ঘন্টীয়া যাত্ৰা কালত বটলৰ পানী আৰু অলপ ফলৰ বাহিৰে একো খোৱাই নহয় মোৰ। ঘৰত মই অকলেই খাব লগা হয় পুৱাৰ চাহ, দুপৰীয়াৰ ভাত, কেতিয়াবা ৰ'দত বহি ৰবাব টেঙা ফুটিয়াই ধনিয়াৰ সৈতে বা টিভিৰ সন্মুখতো দালমুট গলিয়াও অকলে। খাও, নাখালে নুগুছে ভোক। পৰিবেশ আৰু পৰিবেশনে বিহকো অমৃত কৰি তোলে নেকি?

ধাবা খন বৰ বঢ়িয়া ঠাইত পাতিছে নহয়? সন্মুখত পথাৰ। সৌৱা সেউজীয়া পাহাৰ। পাহাৰ ভাল লাগেনে আপোনাৰ? সহযাত্ৰীজনে বন্ধুৰ দৰে সুধিলে।

খুব ভাল লাগে।

আৰু পথাৰ?

বাহ কিয় নালাগিব! পথাৰৰ কত ৰূপ। বহাগৰ পাত গাভৰু পথাৰ, শাওনৰ আঠুৱনীয়া বোকাৰে গৰ্ভৱতী পথাৰ, আহিনৰ সেউজীয়া লহৰ তোলা পথাৰ মোৰ বৰ ভাল লাগে।

আৰু কি জানে লগ পালে কথা পাতিও ভাল পাওঁ।

ময়ে সুধিব লাগে বুলিতো কথা নাই। আপুনি যেন মোক উপযাচি কথা এবাৰো সোধা নাই।

কি কথা পাতিম মই? কথা পতাৰ আৰ্টেই হেৰুৱাই পেলাইছো। তেওঁ বাওঁপন্থী ৰাজনীতি কৰা মানুহ আৰু ঘৰ সংসাৰতো বাওপন্থী হৈয়ে থাকিল। তেওঁ কয়, মই শুনো। মই ক'লে তেওঁ ব্যস্তভাবে কিবা বিচৰাত ব্যস্ত হয়। মোবাইলত কাৰোবাৰ নম্বৰ ডাইল কৰে।

আজি প্ৰাকৃতিক সোন্দৰ্য্য চাই ইয়াতে বহি থাকিব নেকি? সৌ যে ৰিণিকি ৰিণিকি দেখিছে বৃহৎ দলংখন, সামান্য ক্ৰেক হ'ল। মেৰামতিৰ কাম চলি আছে। গতিকে আমি প্ৰায় এক কিলোমিটাৰ বাট খোজ কাঢ়িব লাগিব।

হে ভগৱান! মোৰ ভৰিৰ বিষত এই বেগটো লৈ .......

পঞ্চাশোৰ্ধৰ অচিনাকি সহযাত্ৰী জনে তৎক্ষণাৎ দাঙি ললে মোৰ বেগটো।

সংসাৰৰ বোজা বহুত কঢ়িয়ালো। গৃহস্থ চৰকাৰী চাঁকৰি কৰা মানুহ। পুৱা ন বজাত ওলাই ৰাতি আঠ বজাত সোমায়হি। ভাগৰি আহে। হোষ্টেলত থকা ছোৱালী দুজনীৰ খবৰ ৰখা, বজাৰ কৰা, ডাক্তৰৰ ৰেটিং ৰূমত অপেক্ষা কৰা, ইবোৰ তেওঁৰ ৰুটিনৰ বাহিৰত। একো জেংকা নোলোৱাকৈ ফুৰা মানুহ তেওঁ। পত্নী তেওঁৰ বাবে নেচেছেৰী ইভিল। খন্তেকতে অতীতৰ বহু ছবি মোৰ মনৰ মনিটৰত পাৰ হ'ল খৰকৈ।

মাটিৰ এহাত ওপৰেৰে খোজ কাঢ়িছো মই। মোৰ যেন পাখি গজিছে। ভগৱানে বন্ধু হৈ এনেদৰে নিঃসংগতাত সংগ দিয়ে। হতাশাত উৎসাহ আৰু প্ৰেৰণা দিয়ে। দুখৰ চকুপানী মচি দিয়ে। কোনে কয় সমাজখন দুষ্ট দগাবাজৰে ভৰি পৰিল? তিৰোতাৰ বাটে ঘাটে নিৰাপত্তা নাই?

দলংখন পাৰ হৈ মোৰ বেগটো তেওঁ অটো এখনত তুলি দিলে।

আপোনাৰ একো অসুবিধা নহয়তো? পাৰিবনে এতিয়া? ভৰিখন বিষাইছে নেকি?

মই হা কৰি সহযাত্ৰী জনলৈ চাই থাকিলো। মোৰ গধুৰ জিভাই উত্তৰ দিয়ালৈ তেওঁ অটো এখনত প্ৰায় দৌৰ মাৰিয়ে উঠিলগৈ। হাত জোকাৰিলে ...... বাই।

হেৰি শুনকচোন, শুনকচোন ..............

অলেখ মানুহ, গাড়ী, ৰিক্সাৰ ভিৰত তেওঁৰ অটোখন হেৰাইগ'ল।❋



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# সোণোৱালী গাঁও



❐ পাপৰি দাস
স্নাতক ৩ য় বৰ্ষ



আজি বাৰু কি হ'ল ? ইমান নিমাতয়ে; নিমাতী হৈয়ে ৰবা নেকি ? তোমাৰ এই অভিমানে মোৰ শিশু হৃদয় বিষাদেৰে ওপচাই পেলায়। অ'সোণ কিবা এটা কোৱা না ? কিয় বাৰু তুমি একো নোকোৱা.... সোণ তুমি বাৰু জানা ; তোমাৰ বাৰু মনত আছে....।

আমি যে দুয়ো গৈ সেই নিজৰা পাৰত বহিছিলো....। যিদিনা তোমাক প্ৰথম দেখিছিলো- চুটিকৈ ফ্ৰক চোলা এটি দুডলীয়া বেণু আৰু হাতত এথোপা ৰঙা গোলাপ, তোমাৰ হাতৰ পৰশত সেই ৰঙা ফুলপাহ বৰ সজীৱ হৈছিল জানা; যেন ফুল পাহৰ সমস্ত ৰং তোমাৰ গাতে সজীৱ হৈছে। তোমাৰ চকু দুটি যেন গোলাপৰ দুটি কলি, তোমাৰ গোলাপীয়া গাল যেনে ফুলপাহৰ এপাহ আৰু তোমাৰ সেই ৰঙা ওঁঠ দুটি যেন গোলাপৰ পাহিত পৰি ৰোৱা নিয়ৰৰ টোপাল। মই যেন তোমাতেই মগন হৈ একেথৰে তোমাক চাই আছিলো সোণ। সেই গধূলি সময়ত পশ্চিমৰ আকাশত মাৰ যোৱা ৰঙা সূৰুয যেন লাগিছিল; তুমি যে উভতি চোৱাৰ সময়ত সোণ, মোৰ হৃদয়খন পূৰ্ণিমাৰ আলোকেৰে আলোকিত যেন লাগিছিল।

ঘৰ আহি পালোহি। মোৰ কাণত যেন এটাই শব্দ সোণপাহী সোণপাহী। আগফালৰ চোতালত বহি লৈ আকাশৰ ফালে চাই মই যেন হৃদয়ৰ গোপন এক বিচিত্ৰ পৃথিৱীৰ অনুভূতিবোৰ সুবিশাল সমুদ্ৰৰ দৰে গভীৰ আৰু মোৰ ফালে চোৱাৰ সময়ত তোমাৰ ওঁঠৰ মিচিকিয়া হাঁহিটিয়ে মোৰ এই বিচিত্ৰ পৃথিৱীক পবিত্ৰ কৰি তুলিলে। আজিৰ আকাশখন বৰ ফৰকাল যেন লাগিছে; যেন বুকুত অদৃশ্য চুম্বক। এই সন্ধিয়াৰ আন্ধাৰে সাৰটি লোৱা কোমল, শান্ত, স্নিগ্ধ, মায়াময় এই পৃথিৱী...... ৰাতিটো কেনেবাকে টোপনি আহিল।

সুপ্ৰভাতী বেলা। সোণৰ সোণোৱালী গাঁৱলৈ আহিলো। কৰ্মব্যস্ততাৰ পৰা আহৰিয়ে নাই। সেয়ে এই বাৰ দীঘলীয়া ছুটিলৈ আহিলো। সোণৰ সোণোৱালী গাওঁখন আঘোনী ধানেৰে সোণবৰণীয়া হৈ আছে; আলিবাটটোৰ দুয়ো কাষে সোণোৱালী ধান। সোণোৱালী ধানৰ মাজেৰে সৰু সৰু আলি; আলিবাটত এখন্তেক জিৰাই লৈ থাকোতে অসীমত যেন সোণপাহীৰ লিহিৰি আঙুলিবোৰে স্পৰ্শ কৰি যায় সোণোৱালী ধানবোৰ.....। আহি পোৱাৰ লগে লগে মনটো কিছু সময়ৰ বাবে এনেয়ে পাতল পাতল লাগিল; কিছু সময়ৰ বাবে জনশূন্যপ্ৰায় চহৰৰ পথেৰে উদ্দেশ্যবিহীনভাবে ঘূৰি ঘূৰি চাবলৈ মন গ'ল সোণোৱালী গাঁওৰ নিৰ্মেঘ আকাশ। চোতালৰ পৰা কোঠাত সোমোৱাৰ লগে লগে শৰীৰ চুই গ'ল কৃত্ৰিম শীতল বতাহে ; গাঁৱলীয়া বোকা মাটিৰ সুবাসেই বেলেগ। যেনে কোনোবাই সযত্নে যথাস্থানত ৰাখি থ'ব,চকু দুটা মুদি অলসভাবে বিছনাত পৰাৰ লগে লগে কাষ চাপি আহিব এক ৰুনুজুনু ছন্দময় ধ্বনি।

মোৰ এই হৃদয়ৰ গোপন বিচিত্ৰ পৃথিৱীত এজনী প্ৰেমৰ প্ৰেয়সীয়ে বাস কৰিছে, কিয় জানো মনত পৰিল নিয়ৰত তিতি থকা বকুল ফুলৰ সুবাসে আচ্ছন্ন কৰি তুলিব খোজে মোৰ হৃদয়।



MOHAN LAL CHOUDHURY LIBRARY :

তোমাক সোণ সেই ল'ৰালিতে দেখা। জানোচা আজি তুমি গাভৰুজনী হ'লা। সোণ, তোমাক চাবলৈ মোৰ বৰ মন গৈছে। সোণ আজি মই তোমাৰ সোণোৱালী গাঁৱত উপস্থিত তোমাক চাবলৈ, লগ ধৰিবলৈ, হেঁপাহ পলুৱাই কথা পাতিবলৈ বৰ আগ্ৰহেৰে বৈ আছো। খুড়াহঁতৰ ভাইটিৰ লগত সোণোৱালী গাওঁখন প্ৰায়ে ঘূৰিলো...... তোমাক এবাৰো লগ নাপালো সোণ।

খুড়ীহঁতৰ ভন্টি ৰিমি। পিছদিনা ভন্টি ৰিমিক কলেজলৈ অলপ আগুৱাই দিবলৈ গ'লো, কলেজৰ সন্মুখ পালো ৰিমিয়ে ক'লে, 'দাদা- আপুনি যাওক -মই পালোহিয়ে; অ ঠিক আছে....... হঠাৎ শুনিলো সোণ , অ সোণ- মই উভতি চালো দেখা নাপালো। ৰিমি কলেজৰ পৰা আহিল আৰু আহি পোৱাৰ লগে লগে পুলিচৰ জেৰাৰ দৰে সোধ পোচ আৰম্ভ হ'ল...। সোণ মোৰ বান্ধবী। তোৰ বান্ধবী.... ইমান দিনে কোৱো নাছিলি কিয় ? মই কি জানো তই বা কোন সোণক জান....।

গধূলি এপাক মাৰি আহো বুলি কৈ ওলালো....। উপস্থিত হ'লোহি সোণৰ সেই সোণোৱালী পদূলিত। সোণহঁতৰ চাৰিওফালে ঘৰৰ আগচোতাল পিছচোতাল আছে। দেখিলোহি নিৰ্জন এডোখৰ ঠাইত এজনী ছোৱালী বহি আছে .... দাদা সেইজনী সোণ....... সোণ। কিন্তু ৰিমি এনেকে যে.... তাইৰ জীৱনলৈ অহা এজাক প্ৰবল ধুমুহা বতাহে তাইৰ জীৱনক চুৰমাৰ কৰি পেলালে; তাইৰ মুখত এটি হাঁহিও এতিয়া পাবলৈ নাই.... আছে মাথোন উদাসীনতা, আশাহীনতা; ভাব হয় যেন জীৱন আৰু মৃত্যুৰ সন্ধিক্ষণত জীৱনৰক্ষী আৱৰণৰ সহায়ত ঢৌৰ কোব খাই খাই পানীত উপঙি আছে....।

ঘৰ পালোহি। জীৱন আৰু সময় কি আশ্চৰ্য্য ! কেতিয়াবা ভাবিছিলোনে সেই দিনাৰ সেই সপোন আজি এইদৰে দিঠকত পৰিণত হ'ব বুলি। নিজৰাপাৰৰ সেই গছ জোপাৰ তলত বহি লক্ষ্য কৰিলো গছৰ শুকান পাতবোৰ ধুমুহাত উৰাৰ দৰে উৰিবলৈ ধৰিছে...। চকুত বিস্ময় আৰু হতাশা; দূৰ নীলিমাত ধীৰে ধীৰে বিলীয়মান হ'ল সেই সপোনবোৰ...., হঠাৎ মনৰ মাজেৰে পাৰ হৈ গ'ল সেই কুৰি বছৰ আগৰ আওহতীয়া গাঁৱৰ বিস্ময়েৰে চাই ৰোৱা সেই প্ৰথমদিনৰ কথা...।

কোমল গাৰুত মূৰটো থৈ চকু দুটা মুদিলেই ভাব হয় সঠিক অৱস্থা জানিবলৈ হ'লে ধৰিত্ৰীৰ বুকু ফালি গভীৰৰ পৰা গভীৰলৈ যাবই লাগিব। শৈশৱৰ স্মৃতি হঠাৎ মানস পটত ভাস্বৰ হৈ উঠিলে অনুভৱ হয় যেন এই একেই পৃথিৱী ! একালৰ এটি ক্ষণ কি মধুৰ আৰু মোহময় আছিল।

মধুময় টোপনিত মগন.... দাদা ইমান দেৰিলৈ শুই থাকিব নালাগে উঠা, খিৰিকি খুলি চোৱা দুপৰ হ'ল.....। তোমাক এটা গুড নিউজ দিব আছে..... কি গুড নিউজ.... কোৱাচোন কি নিউজ ? আজি আমাৰ ঘৰত কোনোবা আহিব..... কোন আহিব ? ..... তোক আৰু কিয় লাগে.... এ' এতিয়া থাওক দে.... কোন আহিব ? সোণপাহী আকৌ, সোণ আহিব আজি..... অ আনিবলৈ যাম আকৌ।

ৰিমিহঁতৰ পদূলি মুখত এতিয়া সোণপাহী। সোণপাহীৰ কোমল ভৰিৰ পৰশে হৃদয় সিক্ত কৰি তুলিলে। কেইবাটাও নিঃশব্দ মুহূৰ্ত্ত পাৰ হৈ গ'ল সোণপাহীৰ। সোণৰ যেন এতিয়া জীৱনত কোনো আশা-ভৰসা নাই; এতিয়া একোৰে লোভ আৰু আকৰ্ষণো নাই।

পোৱা-নোপোৱাই জীৱনৰ শেষ হিচাপ নহয়; পাৰ হৈ অহা প্ৰতিটো মুহূৰ্ত্ত কেনেকৈ পাৰ হ'ল, সেই অভিজ্ঞতাই ভৱিষ্যতৰ বাবে বৰ্ণময় সম্পদ। মানুহে জীৱনৰ সৰু সৰু আনন্দ, সৰু সৰু সুখৰ অনুভৱ কিছুমান কেনেকৈ লাহে লাহে বিদায় দিবলগীয়া হয়। ল'ৰালিৰ সেই উন্মাদ চঞ্চলতা, আজি আৰু নাই সোণৰ গাত...... যেন পাথৰৰ মূৰ্ত্তিৰ দৰে থিয় হৈ বৈ আছে।

ৰিমিয়ে সোণপাহীৰ কোঠাত শুবলৈ আহিল.... ৰিমি অ দাদা। কোৱাচোন সোণপাহীৰ জীৱনলৈ কি ধুমুহা অহাৰ কথা কৈছা ? মই একো বুজিব পৰা নাই। কি হৈছে.... আৰু কিয় এইদৰে জীয়াই থাকিব লগীয়া হৈছে? ..... দাদা মই আৰু কি ক'ম, ক'বলৈ আৰুনো কি আছে; আছে মাথোন তাইৰ দুখ, হতাশা..... আজি প্ৰায় এবছৰ আগৰ কথা—

যেতিয়া তাইৰ জীৱনলৈ আহিছিল প্ৰদীপ, তেতিয়া তাই পৃথিৱীৰ সকলোতকৈ সুখী বুলি অনুভৱ কৰিছিল। তাই যেন সন্ধিয়া পৰত ক'ৰবালৈ ওলাই যাবলৈ মন নোযোৱা হৈছিল, কাৰণ কেতিয়াবা হৃদয় এনেদৰে ভৰি থাকে যে কাৰো সঙ্গৰ প্ৰয়োজন নহয়। হৃদয়েই তেতিয়া সমস্ত পৃথিৱী। বাৰাণ্ডাৰ চকীখনত বহি



MOHAN LAL CHOUDHURY LIBRARY :

বহি সোণপাহীৰ অনুভৱ হয় প্ৰতিজনী নাৰীৰ সেই সংগোপন পৃথিৱীত চাগে লুকাই থাকে সেই স্বপ্নৰ ৰাজকুমাৰ।

সোণপাহীৰ সেই হৃদয়ৰ পৃথিৱীতো আছে নেকি কোনোবা? যি স্নেহ, আন্তৰিকতা আৰু বিশ্বাসৰ প্ৰতিশ্ৰুতিয়ে সুৰভিত কৰি ৰাখিব তাইৰ জীৱনৰ প্ৰতিটো পল অনুপল; বুকুৰ সমস্ত তীব্ৰতাৰ মুহূৰ্ত্তত তাই মাথোন প্ৰদীপক বিচাৰিছিল আৰু সেই অনুভূতিৰ তীব্ৰতাতে বিলীন হৈ গ'ল প্ৰদীপৰ সকলো দ্বিধা, সংকোচ আৰু সংস্কাৰ। পৃথিৱীৰ সকলো প্ৰেম, প্ৰেম নহয়, কিন্তু কেতিয়াবা এনেকুৱা মুহূৰ্ত্ততে আকাশৰ পৰা পৃথিৱীলৈ নামি আহে দেৱতাৰ প্ৰেম। মন্ত্ৰমুগ্ধৰ দৰে প্ৰদীপ সোমাই গ'ল সোণপাহীৰ বুকুৰ ভিতৰলৈ, সমুদ্ৰৰ দৰে অতলান্ত সেই হৃদয়ত। হৃদয় স্পৰ্শত কোনো পাপ নাই; সোণপাহীৰ বাবে প্ৰেম পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ভাষা হৈ পৰিল। কিছুমান হাঁহিত যেন কলিজাৰ ৰং সনা থাকে এই কথা সোণপাহীয়ে অনুভৱ কৰিলে। কিন্তু সময়ৰ সোঁত জানো কাৰোবালৈ ৰয়। এই সকলোবোৰ যেন সাল সলনি হ'লহি, নিচিন্তাকে, নভবাকে, নজনাকে ক'ত জানো কি হ'লহি গমকে নাপালে।

এই সুবিশাল পৃথিৱীৰ জন-অৰণ্যত থাকিলেও মানুহ কেতিয়াবা কিমান নিঃসহায় হৈ পৰে, হয়তো আজি সোণপাহীয়ে বুজি পাইছে।এই শৰীৰৰ মিলনে দুজনৰ মাজত কোনো নতুন সেঁতুবন্ধন সৃষ্টি নকৰে; হৃদয়ৰ তাগিদাবিহীন শৰীৰৰ খেলা এক অগভীৰ সমৃদ্ধ মাথোন। কিয় জানো জীৱন কেতিয়াবা পৰাজয়ৰ মুহূৰ্ত যেন লাগে; কাৰণ যিদিনা প্ৰদীপ তাইৰ জীৱনৰ পৰা আঁতৰি আনৰ হলহি।

ইমান দিনে তাই ভবাই নাছিল যে শৰীৰ এটা নিৰপেক্ষ বস্তু; মন হ'ল তাৰ চালক। কিন্তু এতিয়া ভাব হৈছে শৰীৰো কেতিয়াবা অবাধ্য হয়; সি মনক মানিব নোখোজে। কিন্তু শৰীৰেই জীৱনৰ সকলো ঘটনা নিয়ন্ত্ৰক নে? শৰীৰৰ চাহিদা যিমানেই শক্তিশালী নহওক কিয়? মনৰ শাসন, হৃদয়ৰ তাগিদাত কৈ এই তীব্ৰতা কোনো মুহূৰ্ত্ততে বেছি হোৱা উচিত নহয়।

গভীৰ দুখ আৰু বেদনাৰ মাজত এটা দীঘল হুমুনিয়াহ এৰিলে মানসে।

মানসৰ মনত প্ৰশ্নৰ উদয় হ'ল-যে জীৱনৰ কোনো কোনো মুহূৰ্ত্তত মানুহে এইদৰে পৰীক্ষাৰ সন্মুখীন হয়। সকলো মানুহে সকলো পৰীক্ষাতেতো উত্তীৰ্ণ নহয়। কাৰোবাৰ জয়, কাৰোবাৰ পৰাজয়। এই পৰীক্ষাই জানো জীৱনৰ সভ্যতাৰ প্ৰকৃত মাপকাঠি হোৱা উচিত হ'ব? প্ৰদীপটো দেৱতা নহয়; পৃথিৱীৰ কোনো মানুহেই হয়তো কেতিয়াও দেৱতা নহয়। জীৱনত যাৰ সংঘাত নাই আৰু হয়তো জীৱনত কেতিয়াও পৰাজয়ো নাই। আৰু জীৱনৰ ক্ষণিক দুৰ্বল মুহূৰ্ত্তৰ পৰাজয়ে জানো জীৱনৰ গতি স্থবিৰ কৰি দিয়ে?জীৱন চলমান নদী সদৃশ। তথাপি মনৰ কোনো এক অন্ধকাৰ কোণত নিঃশব্দে পৰাজয় গ্লানিৰ এক বিষণ্ণ সুৰ বাজি থাকিল।

পুৱাৰ ৰঙা সূৰুযে পৃথিৱীক পোহৰালে; খৰালি গুচি বাৰিষা নামিলে; গছে পুৰণি কাপোৰ সলাই নতুন কাপোৰ পিন্ধাৰ দৰে; মানসো আহিলে সোণৰ জীৱন পোহৰাবলৈ। সকলোৱে শুই উঠিল। মানসে চাহ একাপ লৈ সোণৰ কোঠালৈ সোমাই গ'ল... সোণ শুই আছে.... সোণৰ মুখখন চাই মানসৰ হৃদয় পূৰ্ণ হ'ল। চাহকাপ কাষতে থৈ...... ৰিমি, অ ৰিমি চিএঞৰি মাতিলে। .... কি দাদা..... সোণক মাতা... উঠিলে সোণ.... মানসক দেখি সোণ কোঠাৰ পৰা ওলাই আহিব খুজিলে। সোণ, বহুত হৈছে আৰু নো কিমান দৌৰিবা.... কিমান আৰু সহ্য কৰিবা। নালাগে আৰু সহ্য কৰিব..... তথাপি কিমান!

অপেক্ষাও কেতিয়াবা হৈ পৰে জীয়াই থকাৰ বাবে প্ৰেৰণা; কাৰোবাৰ প্ৰেমময় অপেক্ষাই এটা জীৱনৰ ৰুক্ষ, ধূসৰ, ৰং মচি দি কেনেকৈ তাক সজীৱ, উজ্বলতাৰে বৰ্ণময় কৰি তুলিব পাৰে— সেই কথা প্ৰমাণ কৰিলে মানসে।

মানসে সোণক সেই নিজৰা পাবলৈ ফুৰাবলৈ নিয়ে। সিহঁতৰ ঘৰত কিছু সময় কটাবলৈ ধৰিলে। সোণক অকলশৰে থাকিবলৈ নিদি নিসঙ্গতা উপলব্ধি কৰিবলৈ নিদি; কিছু পৰিৱৰ্তন আনিলেহি।

নিসঙ্গতাই কেতিয়াবা মানুহক হতাশ কৰি তোলে! জীয়াই থকাৰ বাট হেৰুৱাই পেলাবলগীয়া হয় নিসঙ্গতাৰ বাবে। এই যেন নিৰ্জন পৰত মানসে বাৰে বাৰে সোঁৱৰাই দিয়ে সোণৰ জোনাক আলোকিত হৃদয়ৰ গভীৰত সংগোপনে সুৰভিত ফুলৰ ধীৰে ধীৰে পাহি মেলা অনুভূতিৰ কথা। ❋



MOHAN LAL CHOUDHURY LIBRARY :

# বন্ধুত্ব

আব্দুল্লা আহমেদ
উ. মা. ২য় বৰ্ষ



তৰা নামৰ এজনী ছোৱালী আছিল। তৰাৰ দেউতাক সৰুতে ঢুকাইছিল। সেইবাবে তাই মাকৰ সৈতে বাস কৰিছিল। তৰাৰ প্ৰিয় বান্ধৱী পূজা। কিন্তু পূজাৰ মাকে তৰাহঁতক দেখিবই নোৱাৰিছিল। কাৰণ তৰাহঁত দুখীয়া আৰু পূজাহঁত চহকী আছিল। তৰাই নাজানিছিল পূজাহঁতৰ মাকে যে তাইক দেখিব নোৱাৰিছিল। এদিনৰ কথা। সিদিনা আছিল পূজাৰ জন্মদিন। পূজাই তৰাৰ ঘৰলৈ তৰাক মাতিবলৈ গ'ল। তৰাক ক'লে— 'তৰা, আজি মোৰ জন্মদিন, তুমি মোৰ জন্মদিনলৈ গধূলি আহিবা দেই, মই তোমালৈ অপেক্ষা কৰিম।' গধূলি তৰাই উপহাৰ লৈ পূজাৰ ঘৰত উপস্থিত হ'ল। তৰাক দেখি পূজাৰ মাকৰ বৰ খং উঠিল আৰু ভাবিবলৈ ধৰিলে— এইজনীক আকৌ কোনে মাতিলে। নিশ্চয় পূজাই মাতিছে। সেয়ে পূজাক তাইৰ মাকে আন এটা কোঠালৈ মাতি নি ক'লে— 'তৰাক কিয় মাতিছা তুমি?' পূজাই উত্তৰ দিলে— 'তৰা মোৰ প্ৰিয় বান্ধৱী।' 'সেই দুখীয়া ঘৰৰ ছোৱালীজনীক মাতিব নালাগে নহয়' — পূজাৰ মাকে ক'লে। আৰু সেই কথা শুনি আছিল তৰাই। তাই বুজি পালে যে তাইক পূজাৰ মাকে বেয়া পায়।

এদিন তৰাৰো জন্মদিন আহিল। তৰায়ো প্ৰিয় বান্ধৱী পূজাক মাতিবলৈ গ'ল। পূজাই তাইৰ কোঠাত বহি ছবি আঁকি আছিল। তৰাই পূজাৰ ঘৰৰ বাৰান্দাত থকা কলিং বেলটো টিপি দিলত পূজাৰ মাকে বাহিৰলৈ ওলাই আহিল। তৰাই পূজাৰ মাকক ক'লে— 'খুৰী, আজি মোৰ জন্মদিন। সেয়ে পূজাক লগ ধৰি মাতিবলৈ আহিছো।' পূজাৰ মাকে ক'লে— 'পূজা এতিয়া ঘৰত নাই। তাইক তুমি লগ নোপোৱা। এতিয়া তুমি ইয়াৰ পৰা গুচি যোৱা। পূজাই সেই কথা ভিতৰৰ পৰা শুনি আছিল। মাকে তৰাক দেখিব নোৱাৰাৰ বাবে পূজাৰ খুব বেয়া লাগিল। সিদিনাৰ পৰা পূজাই মাকক নোকোৱাকৈ তৰাৰ ঘৰলৈ যাবলৈ ল'লে আৰু দুয়ো মিলি আনন্দেৰে খেল-ধেমালি কৰি মনৰ কথা পাতিবলৈ ধৰিলে।



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# হিচাপ



আফ্ৰুজা খাতুন
উ. মা. ২য় বৰ্ষ

অৱশেষত বিয়াখন হ'লগৈ। সকলোৱে জোৰ কৰি ধৰাত মনেশ্বৰে এইবাৰ আৰু না কৰিব নোৱাৰিলে। বিশেষকৈ অসুখীয়া মাকজনীৰ কথা ভাবিয়েই মনেশ্বৰে এই বিয়াত মত দিলে। পলমকৈ হ'লেও মনেশ্বৰৰ বিয়াখন হোৱাত সকলোৱে ভাল পালে।

হিচাপ কৰি চালে দেখা যাব, এইখন বিয়াৰ আগতে মনেশ্বৰৰ সাতখন বিয়া ভাগিছিল। তিনিখন মনেশ্বৰে অজুহাত দেখুৱাই ভঙাইছিল। দুখন ছোৱালী ঘৰৰ ফালৰ পৰা অহা অজুহাতৰ বাবে ভাগিছিল। আৰু বাকী দুখন বিয়াৰ কথা-বতৰা চলি থকাৰ মাজতে কইনা পলাই যোৱাৰ বাবে ভাগিছিল।

'জীৱনত কেতিয়াও বিয়া নকৰাও'— এই বুলি মনেশ্বৰে ভীষ্ম প্ৰতিজ্ঞা কৰিছিল। কাৰণ জানিবলৈ হ'লে মনেশ্বৰৰ অতীতলৈ ৰিটাৰ্ণ কৰিব লাগিব। গাঁৱৰে জীয়াৰী ৰহিমলাৰ লগত মনেশ্বৰৰ হিয়া-দিয়া-নিয়া চলিছিল। গোপনে গোপনে পাঁচবছৰ এই লীলা চলাইছিল। পাঁচবছৰৰ মূৰত ফাগুনৰ এটা আবেলিত মনেশ্বৰে ৰহিমলাক বিয়াৰ কথা কৈছিল।

ঃ বিয়া! ৰহিমলা উচপ্ খাই উঠিল। বিয়া হ'ম বুলি তোক মই ভালপোৱা নাছিলো মনেশ্বৰকাই।

ঃ কিন্তু মোৰ ভালপোৱা, মোৰ প্ৰেম এইবোৰ ক'লৈ যাব?— মনেশ্বৰে চিঞৰি উঠিল।

ঃ পাহৰি যা। এইবোৰ চব পাহৰি যা। ৰহিমলাই ক'লে। চহৰৰ ডেকা এটাৰ লগত পিতায়ে মোৰ বিয়া ঠিক কৰিছে ব'হাগত। গতিকে আজিয়েই আমাৰ শেষ মিলন। মোক পাহৰি যা। বিদায় মনেশ্বৰকাই। বিয়ালৈ মাতিম যাবি।

সেই আবেলিটোৰ কথা মনত পৰিলে মনেশ্বৰে আজিও উচপ খাই উঠে। সেইদিনা ৰাতি বাৰটা বজালৈকে সি মদকে খাইছিল। সি চিঞৰি চিঞৰি কৈছিল— নাৰী মানে ফেঁটি সাপ, নাৰীক কেয়িতাও বিশ্বাস কৰিব নাপায়। চিঞৰি চিঞৰি সি মদৰ ৰাগীত গাইছিল 'লোকৰ প্ৰেম জনমে জনমে আমাৰ প্ৰেম নজন্মেহে নজন্মে।

অতীতৰ স্মৃতিৰ বটলটোত সাঁফৰ মাৰি একমাত্ৰ অসুখীয়া মাকৰ বাবেই, পেহীয়েকে চাই দিয়া লিলি নামৰ ছোৱালীজনীৰ লগত বিয়াত বহিবলৈ মত দিলে।

লিলি ছোৱালীজনী দেখিবলৈ বেয়া নহয়। চকুযুৰি ৰহিমলাৰ চকুযুৰিৰ স'তে একেই। লিলিৰ লগত কথা পাতি সি গম পালে, লিলি অন্ততঃ ৰহিমলাহঁতৰ নিচিনা ছোৱালী নহয়। লিলি ব্যতিক্ৰম। হেৰাই যোৱা বিশ্বাস পুনৰ ঘূৰি অহা যেন অনুভৱ কৰিলে সি।

ফুলশয্যাৰ ৰজনী। ৰঙা-বগা ফুলৰ পাপৰিৰে বিছনাখন উপচি আছে। ৰাতি বাৰটা বজাত, সকলো আলহী-অতিথিক বিদায় দি মনেশ্বৰে কোঠালিটোলৈ সোমাই গ'ল। লাহে লাহে মনেশ্বৰ বিছনাখনৰ ওপৰত বহি তাৰ বাবে অপেক্ষা কৰি থকা লিলিৰ কাষ চাপি গ'ল। গভীৰ মৰমেৰে লিলিক মনেশ্বৰে সাৱটি ধৰিলে।

ঃ 'লিলি'! মনেশ্বৰে মাতিলে লাহেকৈ।

হালধি ৰঙা মুখখন ঘূৰাই লিলিয়ে ক'লে— 'ওঁ'।

ঃ কথা এটা সুধিলে বেয়া পাবা নেকি?

ঃ বেয়া! লিলিয়ে ক'লে। কি যে কয় আপুনি। জীৱনে-মৰণে আপোনাক ভাল পাই থাকিম বুলিয়েই বিয়াত বহিছো। বেয়া পাম কিয়? সোধক।

লিলিৰ কথাত অতদিনে নাৰীৰ প্ৰতি পুহি ৰখা বিদ্বেষৰ ভাবটো ক্ৰমশঃ বুকুৰ পৰা আঁতৰি যোৱা যেন অনুভৱ কৰিলে সি।

ঃ বাৰু কোৱাচোন লিলি। বিয়াৰ আগতে তোমাৰ কাৰোবাৰ লগত ..... মানে..... মানে.....

ঃ কি মানে মানে কৰি আছে? নকয় কিয়?

ঃ মানে লিলি, বিয়াৰ আগতে কোনো পুৰুষৰ লগত তোমাৰ হেৰি আছিল নেকি?

মনেশ্বৰে তেনেকৈ সোধাত লিলিয়ে মুখখন বেৰৰ ফালে ঘূৰাই দিলে। মনেশ্বৰে বুজি পালে তেনেকৈ সোধাত লিলিয়ে বেয়া পাইছে। দুবাহুত ধৰি মনেশ্বৰে লিলিৰ মুখখন ঘূৰাই দি ক'লে—

ঃ হেই বেয়া পালা নেকি? মই ধেমালিহে কৰিছিলো।

ঃ ৰ'বচোন। প্ৰয়োজনতকৈ বেছি চিঞৰি দিলে লিলিয়ে। আৰু ক'লে— মাজতে মাত মাতি হিচাপটোত আউল লগাই নিদিব। ❋



MOHAN LAL CHOUDHURY LIBRARY :
Library :



# আনন্দৰ চকুলো

❑ জেচমিনা খাতুন
স্নাতক ১ম বৰ্ষ

বেলি মাৰ যাও যাও। চাৰিওপিনে মনোমোহা দৃশ্য। মাজে মাজে মৃদু বতাহ বলিছে। চোতালত এখন চকী। তাতে বহি অমলে অতীতৰ দিনবোৰৰ স্মৃতি ৰোমন্থন কৰি নিজকে যেন এক বিজয়ী যোদ্ধা বুলি অনুভৱ কৰিছে। অতীতৰ দিনবোৰ বিষাদক্লিষ্ট হ'লেও বৰ্তমানৰ পৰিৱেশত অমলৰ জীৱন সাফল্যৰে পৰিপূৰ্ণ। অমলে আকাশৰ পিনে চাই জীৱনৰ প্ৰতিটো পল গণনা কৰিছে। মাজে মাজে একো নভবাকৈ অমলে মন্ত্ৰৰ দৰে কিবা কথা আওৰাই আছিল।

দৰিদ্ৰতাৰে পৰিপূৰ্ণ পৰিয়ালত অমলৰ জন্ম হয়। একেবাৰে শোচনীয় পৰিৱেশত অমলে সৰুৰে পৰা কষ্ট কৰি জীৱনৰ সাফল্যৰ ফালে আগুৱাই গৈ আছিল। তেওঁৰ অসীম মনোবল আছে বাবে তেওঁ জীৱনৰ লক্ষ্য স্থিৰ কৰি অতি কষ্টেৰে লিখা-পঢ়া কৰিছিল। এটা সময়ত তেওঁৰ টকা বুলি এটকাও নাছিল। খাবলৈ ভাতসাজো বহু কষ্টেৰে উপাৰ্জন কৰি খাইছিল। তেওঁ এপিনে কাম কৰিছিল আৰু আনপিনে স্কুললৈ গৈছিল আৰু ক্লাছত সি প্ৰথম স্থান পাইছিল। তেওঁৰ মাকে আনৰ পৰা টকা-পইচা খুজি আনি সহায় কৰিছিল। ইমান দুখ-কষ্টৰ মাজেৰে তেওঁ জীয়াই থকাৰ এটা অৰ্থ বিচাৰি পালে। তেওঁৰ লগতে পঢ়া এজনী ছোৱালীয়ে তেওঁৰ ভালপোৱা জগতৰ দুৱাৰ খুলি দিলে। ছোৱালীজনীয়ে অমলৰ দুখত দুখী আৰু সুখত সুখী হৈ আছিল। তাইৰ নাম মিতালী। দুয়োৰে মাজৰ সম্পৰ্ক গভীৰৰ পৰা গভীৰতৰলৈ গতি কৰি আছিল। অমল আৰু মিতালীৰ জীৱন বহু আশাৰে পৰিপূৰ্ণ হৈ আছিল। অমলে পঢ়ি থকা সময়তে এটা কোম্পানীত সোমাল। তাৰ বুদ্ধি, বিবেক আৰু শিক্ষাই জীৱনৰ বাট মুকলি কৰি দিলে। কোম্পানীৰ মালিকজনে তেওঁৰ কামত মুগ্ধ হৈ এটা উচ্চ খাপৰ পদ দিলে। অমলৰ ভাগ্যৰ পৰিৱৰ্তন হ'ল।

তেওঁৰ জীৱনত সুখৰ পাতনি মেল খাইছে। তেওঁৰ মাক-দেউতাকৰ আশা আছিল— তেওঁলোকৰ পুত্ৰ অৰ্থাৎ অমলে এদিন ভাল শিক্ষা গ্ৰহণ কৰি ডাঙৰ মানুহ হ'ব। অমলে মাক-দেউতাকক গভীৰ শ্ৰদ্ধা কৰিছিল। সেয়ে তেওঁ তেওঁৰ মাক-দেউতাকৰ আশা পূৰ্ণ কৰিব পাৰি নিজকে তেওঁ যেন গৰ্বিত অনুভৱ কৰিছে। তেওঁৰ পৰিয়ালৰ দৰিদ্ৰতাৰ ভাৰ এতিয়া আৰু নাই। তেওঁলোকৰ ঘৰখন এতিয়া এটা ৰাজ অট্টালিকা আৰু সেই অট্টালিকাৰ ৰজা-ৰাণী হ'ল তেওঁৰ মৰমৰ মাক-দেউতাক। দিনে দিনে অমলৰ নাম-গুণ চৌদিশে বিয়পি গ'ল। অমলে গাঁওবাসীৰ উন্নতিৰ কাৰণে বহুত কাম কৰি আছিল। এতিয়া তাৰ টকা-পইচা, ঘৰ-দুৱাৰ সকলো আছে। এদিন মিতালীক তেওঁ তেওঁৰ যুগ্ম জীৱনৰ লগৰী কৰি ঘৰলৈ আনিলে। দুয়ো এতিয়া সুখেৰে দিনবোৰ পাৰ কৰি আছে।

এদিন পিয়ন এজনে আহি অমলৰ ঘৰ পালে। অমলৰ হাতত এখন পত্ৰ দি ক'লে— এইখন মিতালী বাইদেউৰ চিঠি। অমলে চিঠিখন খুলি চাই দেখিলে মিতালীৰ চাকৰি হ'ল। অমলৰ মন, ঘৰখন যেন আনন্দত ভৰি পৰিল। অমল আৰু মিতালীয়ে ভাবিলে— কষ্টৰ ফল সদায় মিঠা। আৰু সেই কথাটোৰ দুয়ো প্ৰমাণ পালে। এসময়ত অমলহঁতৰ ঘৰ দৰিদ্ৰতাত ডুব গৈ আছিল, কিন্তু এতিয়া সেই অতীত পৰ হৈ গৈছে। তাকে ভাবি অমলৰ আনন্দৰ চকুলো এধাৰি বৈ আহিল।

এনেতে মিতালীয়ে অমলক মাতিলে আৰু অমলে আনন্দৰ চকুপানী মচি ঘৰত সোমাল। ❋



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# শিল্পীৰ পৃথিৱী

*বাঁহ শিল্পৰ নিৰলস সাধনাৰে অসম তথা ভাৰতবৰ্ষত এক বিশেষ পৰিচিতি অৰ্জন কৰা 'বাঁহ সম্ৰাট' দধি পাঠকৰ অৰ্ন্তজীৱনত এভুমুকি মৰাৰ বিনম্ৰ প্ৰয়াসেৰে আলোচনীৰ তত্ত্বাৱধায়িকাৰ সৈতে এই —*

# মুখামুখি



প্ৰশ্ন ঃ বাঁহ শিল্পী ৰূপে আপুনি প্ৰখ্যাত। বাঁহৰ স'তে আপোনাৰ এখন বহল সংসাৰ। এই অবিৰত শিল্প সাধনাৰ বাবে আপুনি প্ৰেৰণা ক'ৰ পৰা পাইছে?

উত্তৰ ঃ ৰাইজেই মোৰ প্ৰেৰণা।

প্ৰশ্ন ঃ বাঁহ শিল্পৰ প্ৰতি এই অনুৰাগৰ আঁৰত থকা আদৰ্শৰ কথা অলপ ক'বনে?

উত্তৰ ঃ বাঁহ এবিধ মূল্যবান সম্পদ। বাঁহ বেচি মই সোণ কিনিছো। কিন্তু বাঁহ কিনিবলৈ সোণ বেচিব নালাগে। মোৰ জীৱনৰ লক্ষ্য বা আদৰ্শ হ'ল—

'জীয়াই থাকি এখন সমাজ
গঢ়িবৰ মোৰ মন আছে
য'ত সোণতকৈও বাঁহৰ দাম
অলপ হ'লেও বেছি আছে।'

প্ৰশ্ন ঃ কি বা কাক দেখিলে আপোনাৰ প্ৰচণ্ড খং উঠে?

উত্তৰ ঃ প্লাষ্টিক। প্লাষ্টিকৰ আচবাব।

প্ৰশ্ন ঃ জীৱনক লৈ আপুনি সুখীনে?

উত্তৰ ঃ বাঁহৰ বিবিধ সামগ্ৰী সজাই দেশে দেশে প্ৰচাৰ কৰাৰ কাৰণে মই বৰ্তমান বাঁহৰ সম্ৰাট হৈ উঠিছো। এয়া এক কঠিন কাম। বৰ ধৈৰ্য্যৰ কাম। মোৰ কামে মোৰ জীৱনক পুৰস্কৃত কৰিছে। জীৱনক লৈ মই অত্যন্ত সুখী।

প্ৰশ্ন ঃ বাঁহ শিল্পী হোৱাৰ উপৰিও আপোনাৰ অন্য প্ৰতিভা?

উত্তৰ ঃ মই গান গাও। মানুহে মোক গান গাবলৈ কমকৈ মাতে। এতিয়া মই নিজকে 'কণ্ঠুৰা গায়ক' বুলি ভাবো।

প্ৰশ্ন ঃ আপোনাৰ প্ৰিয় ব্যক্তি কোন?

উত্তৰ ঃ পিতা ভগীৰথ পাঠক। মানুহৰ ঘৰত কামলা কৰি মোক ডাঙৰ কৰিছে। উপৰাসৰ জ্বালাত স্কুল এৰি আনৰ ঘৰত খেতি-বাতিৰ কামত 'বন্ধা'ৰ কাম কৰিছিলো। বৰ কৰুণ সেই জীৱন। তাৰ পিছত এদিন নিজৰ ভৰিত থিয় হ'বলৈ চেষ্টা কৰিলো। বাঁহৰ কাম সাধনা হিচাপে লৈ জীৱনৰ বাটত আগবাঢ়ি গ'লো।

প্ৰশ্ন ঃ আপোনাৰ জীৱনৰ এটা হাঁহি উঠা ঘটনা?

উত্তৰ ঃ বহুত আছে। এটা শুনক। বহাগৰ বৰ দোমাহীৰ দিনা মই আৰু মোৰ পত্নী দুয়ো গা-পা ধুই আগচোতালত বহি আছো। পত্নীয়ে আমন-জিমন কৰি আছে। মোক সেৱা নকৰেহে নকৰে। হঠাৎ এটা চৰায়ে চালত পৰি চিঞৰি উঠিল— 'কি পতিতে পৰ। কি পতিতে পৰ।' পত্নীয়ে সুধিলে, 'চৰাইটোৱে এনেকৈ কিয় চিঞৰিছে?'

মই ক'লো— 'তুমি মোক সেৱা নকৰা বাবে মনত পেলাই দিছে— কি পতিতে পৰ, অৰ্থাৎ পতিৰ চৰণত পৰাৰ কথা কৈছে।'



MOHAN LAL CHOUDHURY LIBRARY :
Library:

প্ৰশ্ন ঃ আপোনাৰ প্ৰিয় খাদ্য কি?

উত্তৰ ঃ চেনি নোহোৱা ৰঙা চাহ চাৰে তিনি লিটাৰ পুৰা এবাৰতে খাই লও। এয়াই মোৰ প্ৰিয় খাদ্য।

প্ৰশ্ন ঃ আপুনি বাঁহৰ চাইকেল, বাঁহৰ তাজমহল, বাঁহৰ শৰাইঘাট দলং, বাঁহৰ জেকেট, বাঁহৰ দাঁত আদি বহুত আচৰিত বস্তু সাজিছে। আপোনাৰ মতে, আপোনাৰ কোনটো সৃষ্টিক আপুনি শ্ৰেষ্ঠ বুলি ভাবে?

উত্তৰ ঃ মোৰ বাঁহৰ দাঁত।

প্ৰশ্ন ঃ আপোনাৰ সৃষ্টিশীল যাত্ৰা সঁচাই আচৰিত। এই যাত্ৰাৰ শেষ ক'ত? মানে কি বস্তু সাজিব পাৰিলে আপুনি পৰম আনন্দিত হ'ব আৰু নিজকে কৃতজ্ঞতা জনাব পৰিব?

উত্তৰ ঃ বাঁহৰ ৰেল ইঞ্জিন।

প্ৰশ্ন ঃ নতুন পুৰুষলৈ আপোনাৰ সংগ্ৰামমধুৰ জীৱনৰ বাণী কি?

উত্তৰ ঃ বাঁহ হ'ল 'সেউজীয়া সোণ'। বাঁহ ৰুব লাগে। বাঁহ আমাৰ জীৱনৰ অতি মূল্যবান সম্পদ। হে নতুন পুৰুষ! বাঁহ শিল্পৰ সাধনা কৰি বাঁহৰ নানা সামগ্ৰী সাজি প্লাষ্টিকৰ 'দাদাগিৰি' বন্ধ কৰা। 'বাঁহেই আমাৰ কৰ্ম, বাঁহেই আমাৰ ধৰ্ম। বন্ধ কৰা— বন্ধ কৰা প্লাষ্টিকৰ নানা অপকৰ্ম।'

# দধি পাঠক

□ বনজিৎ বৰ্মন



স্বপ্নৰ গৰাখহনীয়াত থিয় হৈ
মেলি ধৰা তুমি দুহাত মেলি
ৰুকি ৰুকি খোৱা তোমাৰ বুকুৰ ধাননি

আত্মজৰ দৰে আমন-জিমন
তোমাৰ বাঁহৰ চাইকেলখন
অশ্ৰু আৰু তেজেৰে সজা স্বাধীন তাজমহল
তোমাৰ আকালৰ ৰাতিৰ দৰ্পণ
দুখৰ মুদ্ৰাৰে কিনিছা তুমি
এমুঠি চাউলৰ মৰম

বাঁহৰ শৰাইঘাটৰ তলেৰে
সেউজীয়া সপোনৰ ঢৌ
থৰক-বৰক সময়ৰ মৌ
বাঁহৰ দাঁতৰ ফাকেৰে উৰি যায়
তোমাৰ প্ৰাৰ্থনাৰ চৰাই

হৃদয়ৰ ৰ'দ দিম বাকি তোমাৰ জধলা হাতত
সাজাচোন সাজা এখন পাখি মেলা স্বাধীন দেশ
হাজাৰ শোষিতৰ শিৰত অপাপ অৰণ্যৰ সেন্দুৰ

সাজাচোন সাজা নদীৰ আঙুলিৰে তোমাৰ
শিল্পায়িত বেদনাৰ হাড়ত এটি প্ৰেমময় ঋতু

উটৰ ডিঙিৰ দৰে কৰুণ হেলনীয়া চাদৰ
দধি পাঠকৰ চকুৰ আখৰ

প্ৰদূষিত পৃথিৱীৰ সেওঁতাত দধি পাঠকৰ উৰুখা ঘৰ।



MOHAN LAL CHOUDHURY LIBRARY :
Library:




# প্রতিবিম্ব



# মহাবিদ্যালয় চৌহদ



MOHAN LAL CHOUDHURY LIBRARY :
Library:






MOHAN LAL CHOUDHURY LIBRARY :
Library :

গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মনৰ নিভাঁজ বতৰাৰে নিৰ্মিত হৈছে এই শিতান—

## প্ৰতিবিম্ব

১। আমাৰ সমাজ জীৱনৰ অৱক্ষয়ে শৈক্ষিক দিশত পেলোৱা এটা কুপ্ৰভাৱ—

২। তোমালোকৰ প্ৰয়োজনীয় কিতাপখিনি আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালে যোগান ধৰিব পাৰিছেনে?

৩। তুমি গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ হোৱা হ'লে—

৪। অসম সাহিত্য সভাৰ দ্বিসপ্ততিতম বৰপেটাৰোড্ অধিবেশনৰ প্ৰতি তোমাৰ অনুভৱ?

**ৰণদ্বীপ ৰায়**
স্নাতক ১ম বৰ্ষ

১। সাম্প্ৰতিক সময়ত আমাৰ সামাজিক জীৱনত দেখা দিয়া নৈতিকতাৰ অৱক্ষয়ৰ কাৰণে শৈক্ষিক ক্ষেত্ৰত মূলতঃ যুৱ উশৃংখলতাৰ প্ৰভাৱ বৃদ্ধি পাইছে। যাৰ ফলস্বৰূপে আমাৰ শৈক্ষিক সমাজখন বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছে। অৱশ্যে কিছুমান ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম দেখা যায়।



২। আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটোত এতিয়ালৈকে যিমানখিনি কিতাপ সংৰক্ষণ কৰা হৈছে, সেইখিনিয়ে আমাৰ প্ৰয়োজন পূৰাবলৈ সক্ষম হৈছে যদিও সেয়া পৰ্যাপ্ত নহয়। ইয়াৰ লগত আকৌ শিক্ষাৰ্থীসকলে পুথিভঁৰালটো কিমানখিনি ব্যৱহাৰ কৰে সেইটোও লক্ষ্যণীয়।

৩। বৰ্তমান মহাবিদ্যালয়খনৰ অধ্যক্ষগৰাকীৰ তত্ত্বাৱধানত মহাবিদ্যালয়খনৰ বিভিন্ন উন্নয়নমূলক কাৰ্য নিয়াৰিকৈ পৰিচালিত হৈ আছে যদিও মই উক্ত পদত অধিষ্ঠিত হোৱা হ'লে প্ৰধানতঃ মহাবিদ্যালয়খনৰ নিৰ্মীয়মান অট্টালিকাটোৰ কাম-কাজৰ গতি ত্বৰান্বিত কৰাৰ প্ৰচেষ্টা চলোৱাৰ লগতে মহাবিদ্যালয়ৰ পৰিসীমাৰ ভিতৰত পৰ্যাপ্ত জিৰণি লোৱা ঠাইৰ ব্যৱস্থা কৰিলোহেঁতেন, যাতে প্ৰৱেশদ্বাৰৰ সন্মুখৰ পথত শিক্ষাৰ্থীয়ে জুম বান্ধি থকা অৱস্থা বন্ধ হয়।

৪। অসম সাহিত্য সভা হৈছে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৰে সমন্বয়ৰ কেন্দ্ৰস্থল। এইবেলি সাহিত্য সভাৰ বৰপেটাৰোড অধিৱেশনৰ মাধ্যমেৰে স্থানীয় মানুহৰ লগতে ইয়াৰ চৌপাশৰ বিভিন্ন অঞ্চলৰ মানুহে অসমৰ সাহিত্যৰ জগতখনৰ লগত ভালদৰে পৰিচিত হোৱাৰ সুযোগ লভিব। তাৰোপৰি বহুতে ইয়াৰ যোগেদি শৈক্ষিক দিশত থকা নিজৰ অপৰিপূৰ্ণ জ্ঞানৰ স্পৃহা পূৰাবলৈ সক্ষম হ'ব।



MOHAN LAL CHOUDHURY LIBRARY :
Library :

লিপিকা ঠাকুৰ
স্নাতক ১ম বৰ্ষ



১। সময়ৰ লগত খোজ মিলাবলৈ গৈ বৰ্তমান সময়ত সমাজৰ সকলোৰে ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে। যাৰ স্পষ্ট প্ৰভাৱ দেখা গৈছে শৈক্ষিক জগতত। যাৰ ফলস্বৰূপে শিক্ষাৰ্থী সকল স্বাৰ্থান্বেষী হোৱাৰ বাবে পৰস্পৰৰ মাজত মিলা-প্ৰীতি তথা বুজা-পৰাৰ অভাৱ পৰিলক্ষিত হ'বলৈ ধৰিছে।

২। যদিও আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটো ছাত্ৰ-ছাত্ৰীৰ তুলনাত পৰ্যাপ্ত পৰিমাণৰ ডাঙৰ নহয়, তথাপিও মহাবিদ্যালয়ৰ পুথিভঁৰালে আমাৰ প্ৰয়োজনীয় কিতাপখিনিৰ যোগান ধৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে।

৩। মই গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ হোৱা হ'লে এগৰাকী সুদক্ষ অধ্যক্ষাৰ দৰে মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ প্ৰতি থকা সকলো দায়িত্ব আৰু কৰ্তব্য সৎ ভাৱেৰে নিষ্ঠা সহকাৰে পালন কৰিলোহেঁতেন। কিয়নো মহাবিদ্যালয় এখনৰ সাফল্যৰ ক্ষেত্ৰত ইয়াৰ মূল ব্যক্তিজনৰ ভূমিকা অতুলনীয়।

৪। সাহিত্য সভাৰ জৰিয়তে সাহিত্যৰ সকলো দিশ উন্মোচিত হয়। এইবেলি বৰপেটাৰোডত অনুষ্ঠিত হ'বলগা অসম সাহিত্য সভাৰ দ্বিসপ্ততিতম্ অধিৰেশনৰ যোগেদি এই সমগ্ৰ অঞ্চলটোৰ মানুহে সাহিত্যৰ ক্ষেত্ৰখনৰ বিষয়ে অধিকভাৱে জনাৰ সুবিধা পাব। তদুপৰি ইয়াৰ যোগেদি বিভিন্ন ঠাইৰ বিশিষ্ট ব্যক্তিসকলৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হ'ব, লগতে সাহিত্য সভাৰ সৈতে অনুষ্ঠিত হ'বলগা গ্ৰন্থমেলাৰ যোগেদি জ্ঞান লাভৰ আকাংক্ষা থকা লোকসকলে যথেষ্ট উপকৃত হ'ব বুলি মই অনুভৱ কৰো।

সৌমিতা চক্ৰবৰ্ত্তী
স্নাতক ৩য় বৰ্ষ



২। আমাৰ প্ৰয়োজনীয় কিতাপখিনি আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালে যোগান ধৰিব পৰা নাই বুলি মই ভাবো, আচলতে মহাবিদ্যালয়ত বিভিন্ন সমস্যা থকা কাৰণে যেনে-অৰ্থনৈতিক সমস্যা আদিৰ কাৰণে আমাৰ প্ৰয়োজনীয় কিতাপখিনি আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালে যোগান ধৰিব পৰা নাই। যাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰী সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে, মহাবিদ্যালয়ৰ পুথিভঁড়ালত প্ৰয়োজনীয় কিতাপখিনিৰ যোগান ধৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীয়ে বহুত উপকৃত হ'ব।

৩। মই গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ হোৱা হ'লে সৰ্বপ্ৰথমে সকলোৰে পৰামৰ্শ আৰু সহযোগলৈ বাণিজ্যিক আৰু বিজ্ঞান শাখা বনোৱাৰ কাৰণে আগবাঢ়িলো হয়। কাৰণ ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভ কৰি উন্নতিৰ পথত আগবাঢ়িবলৈ সক্ষম হ'ব আৰু আমাৰ মহাবিদ্যালয়ত বহুতো সমস্যা আছে। এই সমস্যাবোৰ সমাধান কৰাৰ কাৰণে চেষ্টা কৰিলোহেঁতেন।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

৪। অসমীয়া জাতি হিচাপে চিনাক্ত কৰিবলৈ হ'লে আমি অসম সাহিত্য সভাৰ কথা পাহৰি যাব নোৱাৰিম। অসম সাহিত্য সভা হ'ল অসমীয়া জাতিৰ মেৰুদণ্ড সদৃশ। পোন প্ৰথম বাৰৰ বাবে বৰপেটাৰোডত দ্বিসপ্ততিতম অসম সাহিত্য সভা অধিৱেশন হোৱাৰ কাৰণে আমি বৰপেটাৰোড ৰাইজে সুখী আৰু গৰ্ব অনুভৱ কৰিছো। এই সাহিত্য সভাত স্কুল, কলেজৰ ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি অসমৰ সকলো ঠাইৰ জন গোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰিছে। সেই অনুসৰি ইয়াত অসমীয়া সংস্কৃতিৰ মিলন ক্ষেত্ৰ হ'ব।

**উৰ্মিতা পাটগিৰি**
স্নাতক ৩য় বৰ্ষ

১। আমাৰ সমাজ জীৱনৰ অৱক্ষয়ে শৈক্ষিক দিশত বিভিন্ন ধৰণে প্ৰভাৱ পেলাইছে। এই সমাজ জীৱনত আৰু শৈক্ষিক দিশত প্ৰভাৱ পোলোৱা এটা কু-প্ৰভাৱ হ'ল— অভিভাৱক সকলে নভবা-নিচিন্তাকৈ তেওঁলোকৰ কমবয়সীয়া ল'ৰা -ছোৱালীক ব্যৱহাৰ কৰিবলৈ দিয়া ম'বাইল ফোন। ম'বাইল ফোনৰ বিভিন্ন সুফল আছে যদিও কুফলো নোহোৱা নহয়। ইয়াৰ কাৰণ হ'ল-ছাত্ৰ-ছাত্ৰীয়ে পঢ়াৰ সময়ত আৰু শ্ৰেণীকোঠাৰ ভিতৰতো ম'বাইল ফোন ব্যৱহাৰ কৰাটো এটা বেয়া লক্ষণ। ম'বাইল ফোনৰ অত্যধিক ব্যৱহাৰে ছাত্ৰ -ছাত্ৰীৰ পঢ়া সময় নষ্ট কৰাৰ উপৰিও শ্ৰৱণ ইন্দ্ৰিয়ৰ ক্ষতি সাধন কৰে।



২। আমাৰ প্ৰয়োজনীয় কিতাপখিনি আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালে যোগান ধৰিব পাৰিছে যদিও ই পৰ্য্যাপ্ত নহয়। কাৰণ এজন ছাত্ৰ- ছাত্ৰীক কেৱল দুখনহে কিতাপ দিয়াৰ ব্যৱস্থা আছে। গুৰু বিষয়ৰ ছাত্ৰ - ছাত্ৰী সকলে ভাল ফল দেখুৱাবলৈ হ'লে যথেষ্ট অধ্যয়নৰ প্ৰয়োজন আছে। বেছিভাগ ছাত্ৰ-ছাত্ৰী যিহেতু মধ্যবিত্ত পৰিয়ালৰ পৰাই মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ আহে, তেনে ক্ষেত্ৰত অভিভাৱক সকলে সকলোবোৰ গ্ৰন্থ যোগান ধৰিবলৈ অপাৰগ হয়। আনহাতে পুথিভঁড়ালৰ পৰা যি দুখন গ্ৰন্থ নিয়াৰ বাবে অনুমতি দিয়ে তাকো আকৌ পৰীক্ষাৰ আগে আগে ঘূৰাই দিব লাগে। গতিকে দেখা যায় মহাবিদ্যালয়ৰ পুথিভঁড়ালে ছাত্ৰ-ছাত্ৰীৰ অভাৱ সম্পূৰ্ণৰূপে পূৰণ কৰিব পৰা বুলি মই নাভাবো।

৩। মই গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ হ'লে মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি সাধনৰ কাৰণে আন উন্নত মহাবিদ্যালয়ৰ দৰে দীৰ্ঘম্যাদী প্ৰচেষ্টা হাতত ললোহেঁতেন তাৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ খোৱা পানীৰ সু-ব্যৱস্থা কৰা,ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া কমন ৰুমৰ ব্যৱস্থা কৰা ছাত্ৰ-ছাত্ৰীৰ পৰিপাটিৰ ওপৰত নজৰ দিয়া, খেল-ধেমালি, সংগীত ইত্যাদিৰ ওপৰত বিশেষ গুৰুত্ব দিলোহেঁতেন।

৪। অসম সাহিত্য সভা অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান। এই অনুষ্ঠানৰ দুবছৰীয়া দ্বি সপ্ততিতম অধিৱেশনখনি অসমৰ এখন ক্ষুদ্ৰ বাণিজ্য নগৰী বৰপেটাৰোডত অনুষ্ঠিত হ'ব। বৰপেটা ৰোডৰ এগৰাকী স্থায়ী বাসিন্দা হিচাপে এই অধিৱেশনখনি মোৰ জন্মস্থানত হোৱা বাবে মই অত্যন্ত ৰোমাঞ্চিত হৈ পৰিছো। আৰু এই অধিৱেশনৰ বিভিন্ন কাৰ্য্যসূচীত যোগদান কৰি মই বৰপেটাৰোডৰ সন্মান অটুট ৰাখিবলৈ যৎপৰনাস্তি চেষ্টা কৰিম।



MOHAN LAL CHOUDHURY LIBRARY :

শিপ্রা কৰ

স্নাতক ৩য় বৰ্ষ

২। প্ৰয়োজনীয় কিতাপখিনি আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালে যোগান ধৰিব পৰা নাই। আমাৰ পুথিভঁড়ালত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ কিতাপ পোৱা যায় যদিও স্নাতক বৰ্ষৰ কিতাপ মুঠেই পোৱা নাযায়। ইয়াৰ বাবে আমাৰ বহুতো অসুবিধা হয়। আচলতে আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালৰ কক্ষটো খুবেই সৰু আৰু সেইবাবে বেছি কিতাপ যোগান ধৰিব নোৱাৰে। মোৰ মতে এখন পুথিভড়ালত পঢ়া-শুনা কৰা কিতাপৰ বাহিৰে বিভিন্ন ধৰণৰ গল্প, উপন্যাস, আত্মজীৱনী থকা উচিত। কিয়নো এইবোৰ কিতাপৰ মাজেৰে আমাৰ জ্ঞান বৃদ্ধি পায় আৰু জিৱণীৰ সময়খিনি ভালদৰে কাটি যায়।



৩। মই গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ হোৱা হ'লে প্ৰথমতে সকলো দিশ নিৰীক্ষণ কৰি যিবোৰ প্ৰয়োজনীয় বস্তুৰ দৰকাৰ সেইবোৰ কলেজত আনি দিলোহেঁতেন বা কৰিবলগীয়া কামবোৰ অতি সোনকালে কৰিলোহেঁতেন।মই অধ্যক্ষ হোৱা হ'লে এখন প্ৰেক্ষাগৃহ বনালোহেঁতেন। কাৰণ আমাৰ কলেজত ১৪০০ছাত্ৰ-ছাত্ৰী আছে আৰু কিবা মিটিং বা এটা সৰু উৎসৱ, শিক্ষক দিৱস, ফাতেহা-দোৱাজ-দাহম ইত্যাদি কৰিবলৈ গ'লে দেখা যায় যে সকলো ছাত্ৰ- ছাত্ৰী আমাৰ শ্ৰেণী কোঠাত নোজোৰে। ফলত বহুতো হাই -হাল্লা হয় আৰু এটা উশৃংখল পৰিবেশৰ সৃষ্টি হয় আৰু তাৰ বাবে বহুত বেয়া লাগে।

৪। অসম সাহিত্য সভাৰ দ্বি-সপ্ততিতম বৰপেটাৰোড অধিবেশনৰ প্ৰতি মই খুবেই আনন্দিত অনুভৱ কৰি আছো। আৰু মই দুটা কমিটিত সদস্য হিচাপে আছো। এনেকুৱা লাগি আছে যে অসমৰ বিভিন্ন ঠাইৰ পৰা বহুতো জ্ঞানী মানুহ আহিব আৰু তেখেত সকলে নিজৰ নিজৰ বক্তব্য আমাৰ সন্মুখত দাঙি ধৰিব। অতিথি সকলক অভ্যৰ্থনা, সহায়, আপ্যায়ন কৰিবলৈ সুযোগ পাম আজিলৈকে যি সকল ব্যক্তিৰ কথা মানুহৰ মুখে মুখে শুনিছো তেখেত সকলক নিজ চকুৰে চাবলৈ পাম।

খৰ্গেশ্বৰ বিশ্বাস

স্নাতক ১ম বৰ্ষ

১। আমাৰ সমাজ জীৱনৰ অৱক্ষয়ে শৈক্ষিক দিশত পেলোৱা এটা কু-প্ৰভাৱ হৈছে ভাৱ-অনুভূতিৰ, নৈতিকতাৰ অভাৱ।বৰ্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাই কেৱল জ্ঞান আহৰণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। কিন্তু ভাৱ-অনুভূতিৰ বিকাশ, নৈতিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা নাই। এইটো এটা শৈক্ষিক দিশৰ প্ৰধান সমস্যা।



২। আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালত যথেষ্ট কিতাপ আছে। আমাৰ প্ৰয়োজনীয় কিতাপসমূহ সৰহ পৰিমাণে যোগান ধৰিব পাৰিছে তথাপি কিছু প্ৰয়োজনীয় কিতাপৰ অভাৱ হোৱা দেখা যায়।

৩। মই গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ হোৱা হ'লে কলেজৰ সম্পূৰ্ণ অনুশাসন মানি চলিলোহেঁতেন আৰু সকলো শিক্ষক, ছাত্ৰ-ছাত্ৰীক অনুশাসন সু-শৃংখলাবদ্ধ ভাৱে বজাই ৰাখি সুন্দৰকৈ পৰিচালনা কৰিলোহেঁতেন। আমাৰ মহাবিদ্যালয়ৰ অট্টালিকাটোৰ কাম অনতিপলমে



MOHAN LAL CHOUDHURY LIBRARY :

Library:

সম্পূৰ্ণ কৰিলোহেঁতেন। পুথিভঁড়ালত বেছি ছাত্ৰ-ছাত্ৰীৰ বহাৰ সুবিধা নাই। পুথিভঁড়ালটো ডাঙৰ কৰিলোহেঁতেন যাতে বহু কেইজন ছাত্ৰ-ছাত্ৰী বহি লিখা-পঢ়া কৰিব পাৰে। ল'ৰাৰ বাবে জিৰণী কোঠাৰ প্ৰয়োজন, যাতে ল'ৰাবোৰে ৰাস্তাৰ কাষত বা য'তে ত'তে বহি থাকিব নালাগে। তাৰ বাবে মই জিৰণীকোঠা বনাই দিলোহেঁতেন।

৪। অসম সাহিত্য সভাৰ দ্বিসপ্ততিতম বৰপেটাৰোড অধিৰেশনত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিভিন্ন জাতি, ধৰ্মৰ বৰ্ণৰ মানুহ একেলগ হোৱাৰ সুবিধা লাভ কৰিব। ই সাহিত্যিক সকলে সাহিত্যৰ উন্নতিৰ বাবে চিন্তা-চৰ্চা কৰা এক বিশাল অনুষ্ঠান।

ৰেজিনা খাতুন
উ. মা. ২য় বৰ্ষ



১। তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে সমাজ জীৱনত ইয়াৰ সুফল হোৱাটো স্বাভাৱিক কিন্তু অতি পৰিতাপৰ বিষয় এয়ে যে দুই এটা বিষয় ইয়াৰ উন্নতিৰ পৰিপন্থী হোৱা দেখা যায়। মোবাইল ফোনৰ আৱিষ্কাৰে সমাজ জীৱনৰ উন্নতিৰ বিপৰীতে সমাজ জীৱনৰ অৱক্ষয় মাতি আনিছে। শৈক্ষিক দিশত ইয়াৰ কু-প্ৰভাৱ কোনেও নুই কৰিব নোৱাৰে। ছাত্ৰ-ছাত্ৰী সকলে মোবাইল ফোন ব্যৱহাৰ কৰি অমূল্য সময় নষ্ট কৰি অধ্যয়নৰ প্ৰতি প্ৰায়ে অমনোযোগী হোৱা দেখা যায়। সেয়েহে মোবাইল ফোনৰ ব্যৱহাৰৰ প্ৰতি সকলো ছাত্ৰ-ছাত্ৰী সংযত হোৱা উচিত।

২। আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালে প্ৰয়োজনীয় কিতাপখিনি যোগান ধৰিব পৰা নাই। বিশেষকৈ পাঠ্যপুথিৰ কিতাপখিনিহে পুথিভঁড়ালত দেখা যায়। তথাপিও সকলো বিষয়ৰ কিতাপসমূহো পৰ্য্যাপ্ত পৰিমাণে নাই। অত্যন্ত প্ৰয়োজনীয় কিতাপসমূহ, জীৱনীমূলক কিতাপসমূহ পুথি ভঁড়ালত নথকাত আমাৰ ওপৰঞ্চি জ্ঞান আহৰণ কৰাত আমি সঁচাকৈয়ে বঞ্চিত হৈছো।

৩। গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ হোৱা হ'লে প্ৰথমে মই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ উন্নত কৰিলেহেঁতেন মেধাবী ছাত্ৰ-ছাত্ৰীৰ বাবে আছুতীয়াকৈ পাঠদানৰ ব্যৱস্থা, দুখীয়া ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বৃত্তি আৰু মাচুল ৰেহাই ৰ ব্যৱস্থা কৰিলোহেঁতেন।

